# নৱজ্যোতি মহাবিদ্যালয়

# আলোচনী



১৯৮৮-৮৯ নৱম সংখ্যা

সম্পাদক —

হজৰত আমিন

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ বছৰেকীয়া প্ৰকাশ

চন ১৯৮৮-৮৯ ইং

★ ৯ম বছৰ ★ ★ ১৯৮৮-১৯৮৯ ★ ★ ৯ম সংখ্যা ★

তত্ত্বাৱধায়ক—
মির্জা হামিদ,

সম্পাদক—
হজৰত আমিন,

# নবজ্যোতি মহাবিদ্যালয় আলোচনী

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ বছৰেকীয়া প্ৰকাশ

চন ১৯৮৮-৮৯ ইং

NABAJYOTI COLLEGE LIBRARY Estd- 1971 (Assam) P.O. KALGACHIA.

★ সম্পাদনা সমিতি—

অধ্যক্ষ— আব্দুছ ছাত্তাৰ আহমেদ, [সভাপতি]

উপাধ্যক্ষ— মোজাম্মেল হুছেইন, [উপ-সভাপতি]

অধ্যাপক— মির্জা হামিদ [তত্বাবধায়ক]

সম্পাদক— হজৰত আমিন

ৰফিকুল ইছলাম (সদস্য)

★ বেটুপাত— উপসাগৰীয় যুদ্ধৰ প্ৰতীক

পৰিকল্পনা— এ, এছ, আহমেদ, [অধ্যক্ষ]

অংকন— আবু ছায়েদ আহমেদ, (অধ্যাপক)

★ মুদ্ৰা লিখক — মাষ্টাৰ প্ৰিণ্টাৰ্চ, কলগাছিয়া ★

কৃতজ্ঞতা স্বীকাৰ—

আলোচনীখন প্ৰকাশৰ প্ৰতিটো খোজতেই বিভিন্নজনৰ পৰা পোৱা সহায় তথা আন্তৰিকতাক মই কেতিয়াও পাহৰিব নোৱাৰিম। বিশেষকৈ মাননীয় অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ, উপাধ্যক্ষ মোজাম্মেল হুছেইন, আলোচনী বিভাগৰ তত্বাৱধায়ক মির্জা হামিদ, ছাত্র একতা সভাৰ বিভাগীয় সম্পাদক সম্পাদিকাসকল, লেখক-লেখিকাসকল, সমূহ ছাত্র ছাত্ৰী বন্ধু-বান্ধৱীসকল, মাষ্টাৰ প্ৰিণ্টাৰ্চৰ, মালিক আৰু সমূহ কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সম্পাদক – আলোচনী বিভাগ।

## —শুভেচ্ছা—

নৱজ্যোতি কলেজৰ ১৯৮৮-৮৯ ইং চনৰ আলোচনীখন প্ৰকাশৰ পথত বুলি জানি সুখী হলোঁ।

আমাৰ সমস্যা সংকুল সমাজত সুস্থ মানবীয় জীৱনৰ কথা কল্পনা কৰিবলৈকে আমাৰ মনত এতিয়া দ্বিধা হয়। নতুন পুৰুষৰ প্ৰতি আমাৰ সদিচ্ছাৰ বাহিৰে দিবলৈ আমাৰ একো নাই। আমি আশা কৰোঁ সৎ সাহস আৰু সুস্থ মানৱতাবোধেৰে তেওঁলোকে সমাজক পংকৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰিব, সকলো বাধাৰ লগত দৃঢ়ভাৱে যুদ্ধ কৰিব। তেওঁলোকেহে আমাৰ বাবে নতুন পথ নিৰ্ণয় কৰিব পাৰিব। তেওঁলোকৰ সাহিত্য তাৰেই মাধ্যম হওক।

কলগাছিয়া অঞ্চল অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজৰ ঐক্য-সম্প্ৰীতিৰ নিদৰ্শন। আগামী সমাজত কোনো গোষ্ঠী পিছ পৰি বা হেঁচা খাই নাথাকে। সমতা আৰু সহযোগিতাৰ আঁহি নৰজ্যোতি কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে দাঙি ধৰি সকলোকে অনুপ্ৰাণিত কৰক।

ডঃ হীৰেন গোহাঁই

# সূচীপত্ৰ


| বিষয়— | লিখক— | পৃষ্ঠা |
|---|---|---|
| ১। পৰাজিত নায়ক (চুটি গল্প) | লাল মামুদ | ১—৬ |
| ২। জীৱন যুদ্ধত মৃত্যু | জালাল উদ্দিন আহম্মেদ | ৭—১০ |
| ৩। আমি আৰু আমাৰ সমাজ | নুৰুন নেহাৰ | ১০—১৪ |
| ৪। বেকাৰ | ইমান হুছেইন | ১৬—১৭ |
| ৫। ব্যৰ্থ জীৱন | শেখ আঃ মান্নাফ | ১৭—২০ |
| ৬। গাধ (গল্প) | ছাহজাহান আহমেদ | ২০—২১ |
| ৭। ধৈৰ্য্য | মিচ জুবেদা হান্নান | ২২—২৪ |
| ৮। নাৰীৰ সৌন্দৰ্য্য | আতাউৰ ৰহমান | ২৫—২৭ |
| ৯। এটোপা চকুলো | ছামচুল আলম | ২৭—৩০ |
| **কবিতা** | | |
| ১। মোৰ আইৰ বাবে | আব্দুচ ছামাদ | ৩১ |
| ২। প্ৰতীক্ষা | নুৰুল ইছলাম আহমেদ | ৩১ |
| ৩। কাৰ স্বাৰ্থ | জালাল উদ্দিন আহমেদ | ৩২ |
| ৪। হতাশা | লাল মামুদ | ৩২ |
| ৫। অতীতৰ স্মৃতি | ছামচুল আলম | ৩২ |
| ৬। এটি দিনৰ দুটি ৰূপ | আমজেদ আলী আহমেদ | ৩৩ |
| ৭। জ্যোতি | আমজেদ আলী আহমেদ | ৩৩ |
| ৮। সুন্দৰ | মিচ মেহেৰুন নেছা | ৩৪ |
| ৯। কবিতা | মফিজুল ইছলাম | ৩৪ |
| ১০। জ্বালামুখী | ছৈয়দ ছাহজাহান আহমেদ | ৩৪ |
| ১১। তিনিটা ঘৰ | মোঃ জাহিদুল ইছলাম | ৩৫ |
| ১২। Till you meet | Syed Shahjahan Ahmed | 36 |
| ১৩। The Coat goes to fetch the Boot | Miss. Anowara Khatun | 36 |

# সূচীপত্ৰ


| বিষয়— | লিখক— | পৃষ্ঠা |
| --- | --- | --- |
| ১। পৰাজিত নায়ক (চুটি গল্প) | লাল মামুদ | ১—৬ |
| ২। জীৱন যুদ্ধত মৃত্যু | জালাল উদ্দিন আহম্মেদ | ৭—১০ |
| ৩। আমি আৰু আমাৰ সমাজ | নুৰুন নেহাৰ | ১০—১৪ |
| ৪। বেকাৰ | ইমান হুছেইন | ১৬—১৭ |
| ৫। ব্যৰ্থ জীৱন | শেখ আঃ মান্নাফ | ১৭—২০ |
| ৬। গাধ (গল্প) | ছাহজাহান আহমেদ | ২০—২১ |
| ৭। ধৈৰ্য্য | মিচ জুবেদা হানুন | ২২—২৪ |
| ৮। নাৰীৰ সৌন্দৰ্য্য | আতাউৰ ৰহমান | ২৫—২৭ |
| ৯। এটোপা চকুলো | ছামচুল আলম | ২৭—৩০ |
| **কবিতা** | | |
| ১। মোৰ আইৰ বাবে | আব্দুচ ছামাদ | ৩১ |
| ২। প্ৰতীক্ষা | নুৰুল ইছলাম আহমেদ | ৩১ |
| ৩। কাৰ স্বাৰ্থ | জালাল উদ্দিন আহমেদ | ৩২ |
| ৪। হতাশা | লাল মামুদ | ৩২ |
| ৫। অতীতৰ স্মৃতি | ছামচুল আলম | ৩২ |
| ৬। এটি দিনৰ ছুটি ৰূপ | আমজেদ আলী আহমেদ | ৩৩ |
| ৭। জ্যোতি | আমজেদ আলী আহমেদ | ৩৩ |
| ৮। সুন্দৰ | মিচ মেহেৰুন নেছা | ৩৪ |
| ৯। কবিতা | মফিজুল ইছলাম | ৩৪ |
| ১০। জ্বালামুখী | ছৈয়দ ছাহজাহান আহমেদ | ৩৪ |
| ১১। তিনিটা ঘৰ | মোঃ জাহিদুল ইছলাম | ৩৫ |
| ১২। Till you meet | Syed Shahjahan Ahmed | 36 |
| ১৩। The Coat goes to fetch the Boot | Miss. Anowara Khatun | 36 |

| বিষয়— | লিখক— | পৃষ্ঠা— |
|---|---|---|
| ১। অসমৰ মুছলমান সকলৰ আৰ্থিক শোচনীয়তাৰ কাৰণ | অধ্যাঃ খন্দকাৰ আঃ গফুৰ | ৩৭—৪৩ |
| ২। আৰবী ভাষাৰ আন্তৰ্জাতিক মৰ্য্যাদা | মোঃ ছোলেমান খান | ৪৪—৪৫ |
| ৩। Hamlets Procrostination | A.S. Ahmed | 47—49 |
| ৪। The Gulf crisis | Mozammel Hussain | 49—52 |

বিভিন্ন বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

| | | |
|---|---|---|
| ১। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন | খন্দকাৰ ৰফিকুল ইছলাম | ৫৩ – ৫৫ |
| ২। শৰীৰ চৰ্চা বিভাগৰ সাধাৰণ সম্পাদকৰ সম্পাদকীয় প্ৰতিবেদন | হাসমত আলী আহমেদ | ৫৬–৫৭ |
| ৩। লঘুখেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | ৰিয়াজ উদ্দিন কিশোৰ | ৫৮ |
| ৪। তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | মৱনুল হক | ৬০ – ৬২ |
| ৫। সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | আতাউৰ ৰহমান | ৬৩—৬৫ |
| ৬। ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | মিচ নুৰুন নেহাৰ | ৬৬ |
| ৭। সম্পাদকীয় প্ৰতিবেদন ছাত্ৰ জিৰণী কোঠা | এম, মোৰতুজ আলী | ৬৭ ৬৮ |


প্ৰয়োজনীয় তথ্য পাতিৰ অভাৱত বছৰেকীয়া খেল ধেমালীৰ ফলাফল দিব নোৱাৰাৰ বাবে মই বৰ দুঃখিত।


NARAJYOTI COLLEGE LIBRARY, Estd-1971, Dist- Kamrup, (Assam). P.O. KALGACHIA.


## সম্পাদকীয়—

মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনিতেই যি সকল মহান ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত অসমৰ আটাইতকৈ অনুন্নত পশ্চিম বৰপেটা অঞ্চলৰ কলগাছিয়াত "নৱজ্যোতি" নামেৰে এখন মহাবিদ্যালয় স্থাপিত হৈছে। যি সকল আমাৰ মাজত এতিয়া নাই সেই সকলৰ মহান আত্মাক মই কৃতজ্ঞতাৰে সোৱৰিছো। আৰু যি সকল ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীয়ে নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্ব্বাচনত মোক বিপুল ভোটেৰে জয়ী কৰি সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ দিছিল সেই সকললৈ মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

লগতে ১৯৮০ চনৰ পৰা অসমত আৰম্ভ হোৱা তথা কথিত বিদেশী খেদা আন্দোলত ভাৰতীয় সংবিধানৰ প্ৰতি গভীৰ ভক্তি ৰাখি গণতান্ত্ৰিক আৰু নাগৰিকৰ মৌলিক অধিকাৰ সাব্যস্ত কৰিবলৈ গৈ নেলী, গহপুৰ, মুকালমুৱা আৰু অসমৰ চুকে কোনে তেজৰ ঢল বোৱাই ভাৰতীয় সংবিধানৰ পবিত্ৰ বেদীত প্ৰাণ বিসৰ্জ্জন দিয়া সংখ্যালঘু বীৰ শ্বহীদ সকললৈ মোৰ অশ্ৰুবিগলিত হৃদয় খুলি শ্ৰদ্ধাঞ্জলী নিবেদিছো। লগতে যি সকল মাতৃয়ে নিজৰ বুকুৰ সন্তান, যি সকলে ভাই-ককাইক হেৰুৱালে যি সকল ভাই ভনীয়ে নিজৰ সতীত্ব হেৰুৱালে সেই সকললৈ মই সমবেদনাৰ অৰ্ঘ্য যাচিছো।

লগতে মই স্নিগ্ধ সোণালী প্ৰভাতৰ অপেক্ষাত.........।

জয় আৰু পৰাজয়ৰ সংঘৰ্ষত লিপ্ত মানৱ জীৱন। পৰাজয়ৰ গ্লানি আৰু জয়ৰ বিজয় উল্লাসৰ বাবে আমি মানৱ জাতিয়ে সীমাহীন কষ্ট স্বীকাৰ কৰো। ইতিহাসে ইয়াৰ জলন্ত সাক্ষ্য বহন কৰিছে। কিন্তু কোনেনো জয়ী আৰু কোনেনো পৰাজয়ী? উত্তৰ ইতিহাসেই দিয়ে। কাকনো জয়ী আৰু কাকনো পৰাজয়ী বুলি কম তাক নিৰ্ণয় কৰা অতি দূঢ়হ বেপাৰ। জয় আৰু পৰাজয়ৰ তাৎপৰ্য্যনো কি? এই জয় আৰু পৰাজয়ে মানৱ জাতিক কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সেইটোও এটা অন্য বেপাৰ।

বিংশ শতিকা! এটি স্মৰনীয় শতিকা। এই শতিকাতেই আমি দেখা পাওঁ জয় আৰু পৰাজয়ৰ এক দীঘলীয়া ইতিহাস। প্ৰথম বিশ্ব যুদ্ধত মৃত ১০ নিযুত লোকৰ তেজেৰে জয়ী হল কোন? দ্বিতীয় মহাযুদ্ধৰ ৫৫ নিযুত লোকৰ কেচা তেজেৰে ৰাঙলী পতাকা উৰুৱাই কোনে গালে বিজয়ৰ গান। হিৰোচীমা আৰু নাগাচাকিত বোমা বিস্ফোৰণ কৰি কোনে উপভোগ কৰিলে বিজয়ৰ আনন্দ। আজি আমেৰিকা জয়ী নে ৰাছিয়া? মানুহৰ জীৱনৰ বিনিময়ত জয়ী হব পাৰিবনে? আমি কাক জয়ী বুলি কম;

ৰাছিয়াৰ যোছেফ ষ্টেলিনক নে গৰ্ভাছেভক? সফল হলনে হিটলাৰ? কাৰোবাক জয়ী কৰিব পাৰিবনে আজিৰ বিশ্বত অবিৰত ভাবে চলা তৃতীয় পাৰমানবিক মহাসমৰৰ আখৰাই। এই শতিকাৰ বুকুতেই জয় পৰাজয়ৰ ভাগ্য নিৰ্ণয় চলি আছে সু-সভ্য ভাৰতবৰ্ষত। এইখন ভাৰত বৰ্ষতে ঋষি মুনি সকলে কৈছিল "মানৱ জীৱন দুৰ্লভ।" কিন্তু আজি নিমিষতে প্ৰাণবায়ু উৰি গৈছে বহুজনৰ। বিদায় লৈ আছে বহুতকে বিধবা মাউৰা কৰি অসংখ্য নিৰিহ মানুহে। দুৰ্লভ মানৱ জীৱনৰ মূল্য চাবিৰ পৰা পাঁচ হাজাৰ টকা। পঞ্জাৱ কাশ্মীৰ, অসম আদিৰ ইতিহাস কেনে ৰক্তাক্ত। বিজ্ঞানৰ অগ্ৰগতিত সু-সভ্য মানুহে সৃষ্টি কৰিলে আনবিক বোমা। কিন্তু সৃষ্টিৰ নামত নে ধ্বংসৰ? ক্ষমতাৰ দখলৰ বাবে দণ্ড চলিছিল নেহেৰু আৰু জিন্নাৰ মাজত। ফলাফল স্বৰূপে জন্ম হল পাকিস্থান আৰু ভাৰতবৰ্ষৰ। পাছলৈ বাংলাদেশৰ। আৰম্ভ হ'ল সংঘৰ্ষৰ এক নতুন অধ্যায়। সাক্ষ্য বহন কৰি আছে '৬২ আৰু ৬৫'ৰ পাক ভাৰত যুদ্ধই। তেতিয়াও বিদায় লব লগা হল বহুতো দুৰ্ভগীয়া প্ৰাণৰ। সংঘৰ্ষত উদগণি যোগোৱা লীলা ভুমি আজি কাশ্মীৰ। পাকিস্থান আৰু ভাৰতৰ মাজত দখলৰ সংঘৰ্ষ। বিদায় লৈ আছে প্ৰতি দিনে অগনন মানৱ প্ৰাণে। পঞ্জাৱত খালিস্থান সৃষ্টিৰ বাবে চলি আছে অহৰহ মৃত্যুৰ বিভীষিকা। কিন্তু পাৰ্থক্য দেখা নাই সৃষ্টি আৰু ধ্বংসৰ মাজত।

আমাৰ অতি আপোন দেশ অসম। বিভিন্ন জাতি ধৰ্ম আৰু সংস্কৃতিৰ সমন্বয় ভূমি। জাতিৰ অস্তিত্ব ৰক্ষা (?) আৰু সংস্কৃতিৰ নামত চলিলে ছয় বছৰীয়া অসম আন্দোলন। উদ্দেশ্য বিদেশী বিতাৰণ। বলী হ'ল বহুতো সাধাৰণ নিৰ্দোষী মানুহ। চুক্তি সম্পাদিত হ'ল প্ৰফুল্ল আৰু ৰাজীৱৰ মাজত। জয়ী হ'ল কোন, প্ৰফুল্ল নে ৰাজীৱ? লাভ হিচাপে পালে প্ৰফুল্লই ক্ষমতাৰ বাঘজৰী। আৰম্ভ হ'ল আকৌ অসমত নতুনকৈ তেজময় ইতিহাস আৰু ভাতৃত্ব সংঘৰ্ষ। বড়োলেণ্ডৰ দাবীত বিস্ফোৰিত হব ধৰিলে দিনে নিশাই বোমা। বঙাইগাওঁ, বৰপেটাৰোড, বৰপেটাত ঘৃণনীয় মৃত্যুৰ ইতিহাস। পুৱা ঘৰৰ পৰা ওলাই গৈ উভতি আহিব নোৱাৰা হ'ল ছফিৰ আলী, ফাতিমা বিবি, নুৰুল হক, দাস ...... পাটগিৰী, মহন্ত, আহমেদ ... হঁতে। তথাপিও প্ৰফুল্ল মহন্ত বিজয়ী নে?

অমি ছাত্ৰই ............... ।

আমি ছাত্ৰ, ভাল পাওঁ মানৱতা- ন্যায় আৰু সত্যক। ঘৃণা কৰো অন্যায় অত্যচাৰ নিপীড়ণক। আমি বিচাৰো সমতা ভাতৃত্ব আৰু শান্তি। আমি গৰিহণা দিওঁ সেই চাম ছাত্ৰক যি সকলে আবেগৰ বশবৰ্তী হৈ সংকীৰ্ণ মনবৃত্তি লৈ মানৱতাৰ আৰু মহান দায়ীত্ব বোধৰ পৰা বিচলিত হয়। আমি বিশ্বৰ শান্তি কামী ছাত্ৰ সমাজে সেই সত্যক শ্ৰদ্ধা কৰিব লাগিব যি সত্যত লুকাই



আছে তৰুণ দুঃসাহসী দুধাৰ অফুৰন্ত প্ৰাণ। ঘৃণা কৰিব লাগিব পুৰণি সনাতন ঈৰ্ষান্ধৰ কিনা গোলামহঁতক। স্বাগতম জনাব লাগিব গতিশীল সত্যক। প্ৰেম প্ৰীতিৰ নামত উছৰ্গা কৰিব লাগিব প্ৰত্যেকৰে জীৱন। সেই অপেক্ষাত আমি বিচাৰিছো এটি নতুন দিনৰ নতুন সূৰ্য্য। যি সূৰ্য্যই নতুন পোহৰ বিলাই জন্ম দিব এটি স্নিগ্ধ সোণালী প্ৰভাত। সেই আশাত আমি বৈ আছো "নৱজ্যোতি মহাবিদ্যালয়"ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে। ইতি—

ধন্যবাদেৰে—

● আমিন হজৰত আহমেদ

সম্পাদক, আলোচনী বিভাগ।



সম্পাদক (আঃ বিঃ)

**হজৰত আমিন**

# নৱজ্যোতি মহাবিদ্যালয় ছাত্র একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ ভাৰপ্ৰাপ্ত বিষয়ববীয়াসকল ।

চন ১৯৮৮-৮৯ ইং



কাৰ্য্যকৰী সমিতিৰ সদস্য সকল ।

**বহি থকা বাওঁ ফালৰ পৰা—** ১। অধ্যাপক ভুপেশ শৰ্ম্মা, (তৰ্কশাস্ত্ৰ বিভাগ) । ২। ইছমাইল হুছেইন সিকদাৰ, (অধ্যাপক বুৰঞ্জী বিভাগ)। ৩। প্ৰদীপ পাল, (অধ্যাপক বিজ্ঞান বিভাগ)। ৪। বি, কে, শ্যামল (অধ্যাপক ইংৰাজী বিভাগ)। ৫। আঃ ছাত্তাৰ আহমেদ, অধ্যক্ষ । ৬। মির্জা হামিদ, (তত্বাঃ আঃ বিভাগ)। ৭। ৰফিকুল ইছলাম, সাধাৰণ সম্পাদক । ৮। ছেলিম আহম্মেদ, (উপ-সভাপতি ছাত্ৰ ইউনিয়ন) ।

**বাওঁফালৰ পৰা থিয় হৈ থকা—** ১। ময়নুল হক, (সঃ তৰ্ক বিভাগ) । ২। মৰ্ত্তুজ আলী, (সঃ ল'ৰাৰ জিৰণী কোঠা বিভাগ)। ৩। হাসমত আলী, (সঃ ব্যায়াম বিভাগ) । ৪। হজৰত আমিন, (সঃ আলোচনী বিভাগ)। ৫। গুলজাৰ হুছেইন, (সঃ সমাজ সেৱা বিভাগ) । ৬। আতোৱাৰ ৰহমান, (সঃ সাংস্কৃতিক বিভাগ) ।

********
* চুটি গল্প *
********

# ঃ ঃ পৰাজিত নায়ক ঃ ঃ

লাল মামুদ
স্নাতক ৩য় বৰ্ষ

“ বিস্ময়’...‘তদন্ত’...“আমাৰ দেশ”... লাগে ছাৰ ? এয়া লওক পষেকীয়া বাতৰি কাকত “ আমাৰ দেশ’ । ভাল কাকত । নতুন ওলাইছে । লওক এটা; পঢ়ি চাওঁক । দাম মাত্ৰ এক টকা পঞ্চাচ পইচা । ”

অমৰে আজি কালি হকাৰী কৰে । বাছষ্টেচনৰ মাজেৰে বিভিন্ন আলোচনী বাতৰি কাকত আদি বিক্ৰি কৰি জীৱন নিৰ্বাহ কৰে । চকুৰে মুখে তেওঁৰ বয়সৰ ছাপ পৰি গৈছে । ২৮ বছৰীয়া যুৱক জনক আজি দেখিলে পঞ্চাচ বছৰীয়া যেন ধাৰণা হয় । চৰম দুৰ্ভাগ্যত তেওঁ আজি লাঞ্ছিত অভিশপ্ত.........। দিনে দিনে তেওঁৰ অন্তৰখন যেন পুৰি ছাই হব ধৰিছে । হৃদয়ৰ পুঞ্জীভূত বেদনাক ঢাকি ৰাখিবলৈ যেনহে তেওঁৰ ইমানবোৰ প্ৰচেষ্টা । পইচাৰ অভাৱত হকাৰী কৰিবলৈ ওলোৱা অমৰে আজি নিজেও পঢ়িবলৈ পায় নতুন নতুন বাতৰি কাকত, আলোচনী ..... আদি । গতিশীল পৃথিৱীৰ বাহ্যিক পৰিবেশৰ লগত খাপ খুৱাই চলিবলৈ তেওঁৰ চেষ্টাৰ অন্ত নাই । তথাপি সময়ে সময়ে ভিতৰৰ পৰা খুন্দা মাৰি ধৰা শোকে যেন তেওঁক অস্থিৰ কৰি তোলে । চলন্ত পৃথিৱীত যেন স্থবিৰ হৈ পৰে । পূৰ্বৰ স্মৃতি মনত পৰিলে তেওঁৰ কঠোৰ হৃদয়খন হাঁহাকাৰ কৰি উঠে । তেওঁ যেন এতিয়াও দেখিবলৈ পায় মাকৰ চলচলীয়া চকু যুৰি, দেউতাকৰ ভাগৰুৱা মুখাকৃতি, ভনীয়েক বিনীতাৰ অব্যক্ত বেদনা ৰাশি.........।

বি, এ পাছ কৰিবৰ আজি সাত বছৰ হ’ল । কিন্তু যোৱা ছটা বছৰেই তেওঁ পৰিয়ালৰ এটা বোজা হৈ আছিল । অকামিলা হৈ বহি থাকি কেৱল মাক-দেউতাকক কষ্টহে দিলে । তিনি বিঘা মাটিৰে – পৰিয়াল চলাটো কোনোমতেই সম্ভৱ নহয় ! দেউতাকে আশা কৰিছিল অমৰৰ কিবা এটা চাকৰি হলেই তেওঁৰ কষ্টৰ ওৰ পৰিব । কিন্তু কতা ? গোটেই দিন ঘুৰি পকি ভাগৰুৱা মনলৈ অমৰ উভতি আহে । কি কৰিব তেওঁ ? টকা নাই যে ব্যৱসায় কৰিব । চাকৰিৰ পিছে পিছে ঘুৰিবলৈ গলেও কেৱল টকাৰ প্ৰয়োজন । ইফালে তিনি বিঘা মাটিৰ এক বিঘা বিক্ৰি কৰি পৰিয়ালৰ ভৰণ পোষণ আৰু ইণ্টাৰভিউ দিওতেই গ’ল । কিন্তু চাকৰিৰ কোনো পাট্টা নিমিলিল । মাক দেউতাকে অমৰৰ কিবা নতুন খবৰৰ আশাতে বাট চাই থাকে । সন্ধিয়া ঘৰত আহিলেই মাক-দেউতাকে তেওঁৰ পিনে উদ্বিগ্নতাৰে চায় । কিজানি তেওঁ কিবা নতুন খবৰ এটা দিয়ে নেকি ? কিন্তু প্ৰায়ে এনেয়ে বুজি লয় । যদিও কোনোবা দিন সোধে তেওঁ নিৰোত্তৰ হৈ ওচৰৰ পৰা গুচি আহে । কোনোবা দিন তেওঁৰ বন্ধু অনিলক সোধে “ অনিল আমাৰ অমৰৰ কিবা চাকৰি হ’লনে ?” অনিলৰ পৰা উত্তৰটো শুনি মনে মনে থাকে । মাজে সময়ে অনিলে তেওঁক কয় “ অমৰ সোনকালে কিবা এটা কৰ । নহলে পৰিয়ালটো কেনেকৈ চলিব ? তোৰ দেউতাকে মাজে সময়ে তহঁতৰ দুখৰ কথাবোৰ মোক কৈ কান্দি পেলায় ।” অনি-

লৰ পৰা কথাবোৰ শুনি তেওঁৰ মনটো আৰু বেছি ভাৰাক্ৰান্ত হৈ পৰে। কবলৈ একো নাই ব্যৰে মনে মনে থাকে। মাক-দেউতাকৰ দুঃখ বেদনা বোৰ যেন তেওঁ একো বুজি নাপায়। সেইবোৰ বুজিবলৈ যেন তাৰ সময় নাই।

অনাহাৰ, অৰ্দ্ধাহাৰে থাকি তেওঁৰ মাক-দেউতাকৰ অৱস্থা দিনে দিনে বেয়াৰ পিনে ঢাল খালে। উপায়ান্তৰ হৈ তেওঁ নিজৰ সমষ্টিৰ বিধায়কৰ লগ ধৰিলে। চাকৰিৰ কথা বিধায়কক কোৱাত তেওঁ কলে, "হব বাৰু তুমি চিন্তা নকৰিবা। কিবা পোষ্ট ওলালে তোমাক দি দিম।" সিমানেই শেষ। কোনো পোষ্ট আৰু নোলালে। এনেতে অনাহাৰ আৰু চিকিৎসাৰ অভাৱত টি, বি ৰোগত তেওঁৰ দেউতাকে পৃথিৱীৰ পৰা চিৰ বিদায় ললে। মৃত্যুৰ সময়ত অমৰক মাতি নি কলে, "অমৰ, বোপা তোৰ মাকক চোৱা চিতা কৰিবি, তোৰ সৰু ভনীজনীক এজন ভাল দৰা চাই বিয়া দিবি ......।" এই দৰে কৈ তেওঁ নৰকৰ পৰা পৰিত্ৰাণ ললে। দেউতাকৰ মৃত্যুত তেওঁৰ মাকে সাত দিনলৈ শোৱা পাটিত পৰি থাকিল। তেওঁ যেন দুঃখ কৰিবলৈ সময়েই নাপালে।

"দৈনিক অসমত" প্ৰাইমাৰী স্কুলৰ শিক্ষক লব বুলি জাননী পাই তেওঁ বিধায়কৰ ঘৰলৈ গ'ল। তেওঁ কলে, "ছাৰ যদি দয়া কৰি মোক এটা পোষ্ট কৰি দিব পাৰে তেন্তে মোৰ বৰ উপকাৰ কৰা হব।" বিধায়কে কিছু সময় ভাবি উত্তৰত কলে, "চেষ্টা কৰিলে পোষ্ট অৱশ্যে হব। কিন্তু কমেও পাঁচ/ছয় হাজাৰ মান টকা লাগিব। তুমি টকাৰ যোগাৰ কৰিব পাৰিবা জানো।" টকাৰ কথা শুনি যেন তেওঁ উচপ খাই উঠিল। তথাপি আকাশ পাতাল চিন্তা কৰি অৱশেষত কলে, "ছাৰ মই চেষ্টা কৰি চাম।"

বিধায়কৰ পৰা বিদায় লৈ ঘৰত আহি তেওঁ টকাৰ চিন্তাত লাগিল। শেষত ঘৰৰ ভেটি খিনি বাদে বাকী মাটি খিনি ছয় হাজাৰ টকাত বিক্ৰি কৰি পাঁচ হাজাৰ টকা বিধায়কক দিলে। কিন্তু ছমাহ গ'ল। বিধায়কৰ পৰা কোনো উত্তৰ তেওঁ নাপালে। ইফালে পেটৰ দায়ত তেওঁ গুৱাহাটীলৈ গল ৰিক্সা চলাবলৈ। দুই মাহ মান পিছত উভতি আহি তেওঁ যি পৰিবেশ ঘৰত দেখা পালে তাতে যেন তেওঁৰ চকু কপালত উঠিল। তেওঁৰ অনুপস্থিত তেওঁৰ ঘৰখনক যেন কিছুমান কুকুৰে পালে। মাকে বেমাৰী হৈ শোৱা পাটি লৈছে। ভনীয়েক বিনীতাই লাজে, অপমানে তেওঁক মুখ দেখাবলৈ যেন দ্বিধাবোধ কৰিছে। "বিনীতা" অমৰে বিনীতাক মাতিলে। বিনীতাই তলমূৰ কৰি তেওঁৰ ওচৰত আহি থিয় হ'ল। "এই টকাখিনি কি কৰিব লাগে কৰা। মই বিধায়কৰ ঘৰৰ পৰা আহোঁ।" অমৰে কথাখিনি কৈ উঠি থিয় হ'ল। "দাদা, তোক বিধায়কে মাতি পঠিয়াইছিল। কিন্তু আমি ঘৰত নাই বুলি কৈ দিছোঁ। চাগে তোৰ চাকৰিটো হল হবলা?" বিনীতাৰ কথাখিনি শুনাৰ লগে লগে অমৰৰ বুকুৰ বেদনাখিনি যেন বহুখিনি লাঘৱ হ'ল। তেওঁৰ মুখমণ্ডলটো যেন উজ্জ্বল হৈ পৰিল। তেওঁ ততাতয়াকৈ বিধায়কৰ ঘৰৰ পিনে খোজ ললে। মনত তেওঁৰ অলেখ কল্পনা।

কিন্তু বিধায়কক ঘৰত নাপাই সিদিনা বিফল হৈ তেওঁ উভতি আহিল। ইফালে মাকৰ অৱস্থা আৰু বেছি বেয়া হৈ আহিল। পিছ দিনাখন



ৰাতি পুৱা ঠাণ্ডা ভাত কেইটা মুখত গুজি আকৌ তেওঁ বিধায়কৰ ঘৰলৈ বুলি খোজ ললে। যোৱাৰ সময়ত বিনীতাক কলে, "বিনীতা, মাকৰ অৱস্থা লৈ চাই ডাক্তৰ মাতিবি, মই পলম নকৰো। সোনকালেই উভতিম।" তেওঁ ওলাই গ'ল। সৌভাগ্যবশত বিধায়কক ঘৰতে পালে। তেওঁ বিনম্ৰ স্বৰত কলে, "ছাৰ মোক বোলে মাতি পঠিয়াইছিল। মই ঘৰত নাছিলো। গুৱাহাটীত গৈছিলোঁ।" তেওঁৰ পিনে কিছু সময় লক্ষ্য কৰি শেষত বিধায়কে কলে, "হয় তুমি যে চাকৰিৰ বাবে মোক কৈছিলা। সেই সম্পৰ্কেই। মই দুঃখিত অমৰ। ইমান খিনি টকা খৰচ কৰিও তোমাৰ পোষ্টটো মই কৰিব নোৱাৰিলোঁ। শিক্ষকতা কৰাৰ তিনি বছৰীয়া অভিজ্ঞতাৰ প্ৰমাণ পত্ৰ লাগে। তোমাৰ সেইবোৰ নাই নহয়। তথাপি চেষ্টা কৰিলোঁ। কিন্তু কি কৰিম চোৱা?" বিধায়কৰ কথাখিনি শুনাৰ লগে লগে তেওঁৰ উশাহ নিশাহ যেন বন্ধ হৈ আহিল। কোনোবাই যেন তেওঁক শূন্যৰ পৰা পাৰ্বত্য অঞ্চলৰ শিলাময় ভূমিলৈ দলিয়াই দি চূৰ্ণ বিচূৰ্ণ কৰি পেলালে। বাকৰুদ্ধ হৈ তেওঁ পাথৰৰ মূৰ্ত্তিৰ দৰে বহি থাকিল। তেওঁক মনে মনে বহি থকা দেখি বিধায়কে কলে, "তুমি চিন্তা নকৰিবা। আৰু অলপ টকাৰ যোগাৰ কৰা। আগৰ খিনিতো খৰচেই হল। মই নিশ্চয়কৈ তোমাক চাকৰি এটাৰ ব্যৱস্থা কৰি দিম।"

"টকাৰ অভাৱত চিকিৎসা কৰিব নোৱাৰি দেউতাকক বিদায় দিলো। ঘৰত বৃদ্ধামাকে বেমাৰী হৈ পৰি আছে। ভনীয়েক বিনীতা ঘৰত বুঢ়ী হব ধৰিছে। মই আৰু টকা কত পাম?" তেওঁ যেন পাগলৰ দৰে চিঞৰি উঠিল। বিধায়কে তেওঁক কিছুমান শান্তনাবাণী শুনোৱাই ঘৰলৈ পঠিয়াই দিলে। গোটেই বাটটো তেওঁৰ অতিকৈ খলাবমা যেন লাগিল। চকুৰে তেওঁ ধুৱলি কুৱলী যেন দেখিবলৈ ধৰিলে। বিনীতাক তেওঁ কি উত্তৰটো দিব? মাকক তেওঁ কেনেকৈ মুখ দেখাব? তেওঁৰ গোটেই মুখ মণ্ডলটো ঘৰ্মাক্ত হৈ পৰিল। এই দৰে কোনোবা সময়ত তেওঁ ঘৰৰ ওচৰ পালে। কিন্তু তেওঁ আৰু থিৰেৰে থাকিব নোৱাৰিলে। ঘৰৰ বাহিৰৰ পৰাই ভনীয়েক বিনীতাৰ কণ্ঠস্বৰটো তেওঁৰ কাণত পৰিল, ডাক্তৰ ......... ডাক্তৰ মোৰ মাকক আপুনি ভালদৰে চিকিৎসা কৰক ডাক্তৰ। টকাৰ কাৰণে আপুনি চিন্তা নকৰিব ডাক্তৰ। দাদা আহিলেই আপোনাৰ ভিজিট দিব"। বিনীতাৰ কথাৰ উত্তৰত ডাক্তৰে কৈছিল, মই দুখিত ভণ্টি। মই তোমাৰ মাৰাক জীয়াই তুলিব নোৱাৰিলোঁ। তাই আৰু এই জগতত নাই ............।

## ।। জোৱাৰ ।।

প্ৰণীতা তালুকদাৰ
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

সমীৰণ জাকে কিবা কিবি কৈ গ'ল। হয়তো শৰতৰ বতৰাই দি গ'ল। সেই সময়তে ৰশ্মি অকলে বাৰান্দাত বহি আছিল। তেতিয়া সময় খিনিৰ লগতে ঠাই খিনিও বৰ নিৰিবিলি লাগিছিল। অজানিতে তাইৰ এৰি থৈ অহা গাওঁ খনলৈ খুব মনত পৰিছিল। মনটো অতী–

তৰ মোহনীয়া সময় বোৰলৈ উৰা মাৰিছিল। যি সময়ত তাই বহুত কথাই উপলব্ধি কৰা নাছিল। সচাকৈ সময়বোৰ গতিশীল। ই চিৰ-সত্য ইয়াক কোনেও বাধা দিব নোৱাৰে, ৰাখিবও নোৱাৰে। তাইৰ বেছিকৈ বেয়া লাগিছিল সৰুৰে পৰা একেলগে ডাঙৰ হোৱা বন্ধু বান্ধৱী বোৰক এৰি অহাৰ বাবে।

ৰশ্মিৰ ঘৰ যদিও গাওঁত তাইৰ দেউতাক চৰকাৰী চাকৰিয়াল। ৰশ্মিহঁতে বদলি হৈ আহি-বলৈ আজি চাৰিদিন হ'ল। তাইৰ নতুন ঠাইৰ নতুন পৰিবেশত অকণো ভাল লগা নাই। তথাপি বাধ্য হৈ নিজকে বুজনি দিয়াৰ চেষ্টা। কৰিছে।

খিড়িকী খনেৰে চকু দুটা দূৰলৈ পঠিয়াই দি তাই ভেবা লাগি গৈছিল। ওচৰতে এজোৰ শালিকি চৰাইয়ে কথা পাতি আছিল সিহঁতৰ পদুলিত থকা কৰবী জোপাত। লাহে লাহে এন্ধাৰ নামি আহিছিল ধৰাৰ বুকুলৈ। পিছ মুহূৰ্ত্তে শৰতৰ জোনাকৰ স্নিগ্ধ পোহৰবোৰ সিচ-ৰিত হৈ পৰিছিল সিহঁতৰ মাজত। লেৰেলি যোৱা লতাই পানী পাই পুনৰ সজীৱ হৈ উঠাৰ দৰে ৰশ্মিয়ে এক নতুন ঠাইৰ, নতুনকৈ দেখা প্ৰকৃতিৰ ছবিখনত নৱ হাহিৰে উৎফুল্লিত হৈ উঠিল।

পুখুৰীৰ দুয়ো পাৰে ফুলি থকা গছ দুয়ো জোপাক সেই সময় খিনিত দেখা গৈছিল যেন সিহঁত স্বৰ্গৰ নৰ্তকী। বতাহৰ মৃদু কপনিত সিহঁতৰ যেন অন্তৰৰ নিৰ্ভীক কোণত সাচি থোৱা ভাৱবোৰ বিনিময় কৰিছিল। কৰবী জোপাই লাজতে কুচ-মুচ খাই যাব খোজে। কিন্তু কৃষ্ণ-চূড়া জোপাই নিজৰ আনন্দত মতলীয়া হৈ সকলো পাহৰি যায়। ধৰাৰ বুকুত থাকিয়ে জোনাকীৰ হাঁহিৰে সম্ভাষণ জনায়। কব নোৱাৰা কৈয়ে ৰশ্মিয়ে সিহঁতৰ মাজত বুৰ গৈছিল।

ৰশ্মিহঁতৰ ঘৰৰ ওচৰতে কলেজখন। সেই খন কলেজতে তাইৰ দেউতাকে নাম লগাই দিলে। প্ৰথম দিনাখন কলেজলৈ তাই দেউতাকৰ লগতে গৈছিল যদিও মনটোক কিবা এটা ভয় সংকোচে আমনি কৰিছিল। কলেজৰ শিক্ষক বৃন্দৰ লগত পৰিচয় হোৱাৰ পাছত অৱশ্যে তাইৰ সেই ভয়, সংকোচ নোহোৱা হৈ গ'ল। পিছ দিনাখন কলেজত গৈ তাই নিয়ম কানুন নিজৰ জ্ঞানে সজাই চলি গ'ল। বহুত ল'ৰা ছোৱালীৰ মাজ তাইও ক্লাছ আৰম্ভ কৰিলে। এনেদ দিন পাৰ হোৱাৰ লগে লগে ৰশ্মিৰ মনটো পৰিৱ ৰ্তন হব ধৰিলে। নতুন বন্ধু-বান্ধৱীৰ মাজত তা নিজকে বিলাই দিলে কিন্তু এৰি অহা মনৰ মাজ থাকি যোৱা "প্ৰিজম" পাহৰি পেলাব নোৱাৰে এডোখৰ "প্ৰিজম"ৰ মাজেৰে পোহৰৰ ৰশ্মি পা হলে যেনেদৰে বিচ্ছুৰিত হৈ যায় তেনেদৰে প্ৰিজম পাহৰাৰ কথা ভাবিলেই ৰশ্মিয়ে থান বান হ খোজে।

প্ৰিজম দেখাত যেনেকুৱা সুন্দৰৰ গৰাকী তেনেকৈ নানান গুণেৰে বিভূষিত। ৰশ্মি আৰ প্ৰিজম দুয়ো দুয়োকে ভাল পায়। দুয়ো দুয়োৰ প্ৰেৰণাৰ ভঁৰাল। সিহঁতৰ ভাল পোৱা আছি সাগৰৰ দৰে গভীৰ, আকাশৰ দৰে বহল আৰ পবিত্ৰ। ৰশ্মিয়ে গোৱা গানত প্ৰিজমে সুৰ দি যায়। সিহঁতৰ পণ আছিল সত্যক প্ৰতিষ্ঠা কৰ স্বাধীনতাৰ শিকলিৰে সকলোকে বান্ধি প্ৰগতিৰ জখলাত সাহসেৰে আগুৱাই নিয়া প্ৰেৰণাৰ আকৰ হো





হোৱা।

বিগত দিনৰ প্ৰতিটো কথাৰ ৰোমন্থন কৰি ৰাস্তাৰ একাষেৰে এখোজ দুখোজ কৈ ঘৰলৈ গমণ কৰি থাকোতে হঠাৎ বিপ্লৱক লগ পালে। সেই খিনি সময়ত তাই বিপ্লৱক লগ পাব বুলি ভবা নাছিল। বিপ্লৱৰ চলন ফুৰণ; কথা-বতৰা তাই কেতিয়াবাৰ পৰাই লক্ষ্য কৰি আহিছে। তাইৰ লগত কথা পাতিবৰ কাৰণে যদিও ইচ্ছা কৰে তথাপি সুবিধা পোৱা নাছিল।

বিপ্লৱ ৰশ্মিহঁতৰ ঘৰৰ অলপ আতৰৰ বাসিন্দা। বিপ্লৱ হ'ল কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ আৰু ৰশ্মি হ'ল দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। বিপ্লৱ যেনেদৰে মাক-দেউতাকৰ বৰ মৰমৰ তেনেদৰে ৰশ্মিও আছিল সিহঁতৰ একমাত্ৰ ছোৱালী।

বিপ্লৱ আৰু ৰশ্মি দুয়ো কিছুমান সংগতি বিহিন কথাৰে ৰাস্তাটো শেষ কৰিলে। অপ্ৰত্যা-শিত ভাৱে দুয়ো সহজ হৈ পৰিল। সৰু লৰা-ছোৱালীৰ দৰে সিহঁতৰ চলন ফুৰণ। সিহঁতৰ সম্পৰ্ক ইমান গাঢ় হ'ল যে, দুয়ো একেজনী মাতৃৰে সন্তান। সিহঁতৰ কোনো ভেদাভেদ নাই।

কলেজত ৰশ্মিয়ে যেনেদৰে বিৰক্ত নোহোৱাকৈ সময় খিনিক পাৰ কৰি দিয়ে তেনেদৰে ঘৰতো ভাল লগা হ'ল। ঘৰৰ পদুলিত থিয় হলেই বিপ্লৱহঁতৰ ঘৰ দেখা পোৱা যায়। তাই নিঃস-ঙ্কোচে বিপ্লৱক মাতে বিপ্লৱদা বুলি। ৰশ্মিৰ অন্তৰত বিপ্লৱ তাইৰ ককায়েক।

পোহৰৰ বুকুত এন্ধাৰ লুকাই থকাৰ দৰে পৰিস্কাৰ পানীতো বীজাণু মিশ্ৰিত হৈ থাকে, কিন্তু বাহিৰৰ দৃষ্টিৰে ই দৃশ্যমান নহয়। সহজ সৰল বিপ্লৱৰ ব্যৱহাৰৰ মাজতো কিছুমান জটিল কথা লুকাই ৰাখিছিল, যিবোৰ ৰশ্মিৰ বাবে আচ-ৰিত। ইয়াৰ বাবেই বিপ্লৱৰ মাকে সিহতৰ সম্বন্ধ সহ্য কৰিব পৰা নাছিল। বিপ্লৱৰ সকলো ভাব হয়তো মাকে বুজিব পাৰিছিল। বিপ্লৱ কলেজলৈ যাব ওলোৱাত মাকে সাৱধান বাণী শুনাই দিলে যাতে আৰু ৰশ্মিৰ সৈতে দেখা নাপায়।

আনদিনাৰ দৰে সেই দিনাও ৰশ্মিয়ে বিপ্লৱক অপেক্ষা কৰি আছিল দুয়ো কলেজলৈ একেলগে যাব। হাঁহি থকা ফুল কলিটিক ভৰিৰে মোহাৰি দিয়াৰ দৰে; বিপ্লৱে তাইৰ সন্মুখৰে এক দ্ৰুত গতিৰে পাৰ হৈ গ'ল। আচৰিত হৈ ৰশ্মি ৰৈ গ'ল। হঠাৎ বিপ্লৱৰ এনে পৰিবৰ্তনে তাইৰ কোমল অন্তৰত বৰ বেয়াকৈ সাচ বহুৱালে। মানুহৰ মন আকাশৰ মেঘৰ দৰে পৰিবৰ্তনশীল। বিপ্লৱো এই পৃথিৱীৰে মানুহ।

ৰশ্মিৰ মনত বহুত কথা, ভাব, ছবিয়ে আমনি কৰিবলৈ ধৰিলে। মনটোক অতীতৰ কুৱলিয়ে আচন্ন কৰি পেলালে। বুজিও নুবুজাহৈ যায় অতীতৰ সেই অমীয়া মুহূৰ্ত্তবোৰ আৰু নাপায়। কলেজত যদিও তাই কথা পাতিছে, হাঁহিছে, ক্লাছ কৰিছে তথাপি আন দিনাৰ দৰে নহয়। এইটো ঠিক যে মন প্ৰফুল্ল নহলে একো বস্তুৱে মনোৰঞ্জন হব নোৱাৰে।

সত্যক কোনেও বাধা দিব নোৱাৰে। বিপ্লৱৰ নিজৰ ভূল ৰশ্মিৰ ওচৰত ব্যক্ত কৰিলে। বিপ্লৱৰ মাকে বিপ্লৱক সিদিনা তেনেকুৱা হবলৈ বাধ্য কৰিছিল। বিপ্লৱ আৰু ৰশ্মিৰ মাজত হোৱা বন্ধুত্বৰ সাকোঁখন বিপ্লৱৰ মাকৰ বাবে আছিল অসহ্য সেয়েহে কঠোৰ শাসনেৰে তাক ধূলিসাৎ কৰি দিলে। বিপ্লৱৰ অন্তৰত যদিও প্ৰকাণ্ড আঘাত পালে তথাপি ইয়াৰ বিৰুদ্ধে থিয় হোৱাৰ তাৰ

সাহস লুপ্ত। এটা বিৰাট সমস্যাই দেখা দিলে। একালে মাক, আনফালে ৰশ্মি। এটাকো বাদ দিব নোৱাৰে। মাকৰ অকৃত্ৰিম স্নেহ, মৰম আৰু ৰশ্মিৰ নিঃস্বাৰ্থ ভালপোৱা।

মানুহ যেতিয়া আবেগৰ কড়াল গ্ৰাসত সোমাই যায় তেতিয়া প্ৰায় বিবেচনা শূণ্য হৈ যায়। বিপ্লৱেও আবেগিক হৈ মাকৰ ওচৰত অপ্ৰত্যাশিত ভাবে কৈ পেলালে সি ৰশ্মিক ভাল পায়। বাঘে সন্মুখত হৰিণা পালে যেনেদৰে গৰ্জি উঠে তেনেদৰে বিপ্লৱৰ মাকেও তাৰ ওপৰত ৰাক্ষকিৰ মূৰ্ত্তি ধৰিলে।

প্ৰত্যেক মাক দেউতাকে নিজৰ ল'ৰা-ছোৱালীৰ মঙ্গলৰ কাৰণে চেষ্টা কৰে। ইচ্ছা কৰে সিহঁতৰ জীৱন হওঁক সুন্দৰ, মধুময় আৰু কাইট বীহিন। বিপ্লৱ এজন শিক্ষিত ডেকা, সমাজৰ চকুত লগা এজন মানুহ হোৱাটোৱেই মাকৰ কামনা।

বিপ্লৱৰ জীৱন গঢ়াত ৰশ্মি হয়তো এখন ডাঙৰ প্ৰাচীৰ হব বুলি মাকে ভাবিছিল। সচৰাচৰ মাক বিলাকে ভবাৰ দৰে বিপ্লৱৰ মাকেও ভাবিছিল সিহঁত বিবাহ পাশত আৱদ্ধ হব আৰু জীৱনৰ মুখ্য কৰ্ত্তব্যক অবহেলা কৰিব।

বিপ্লৱৰ মাকে অলপো বিবেচনা নকৰিলে যে নাওঁত অকল পাল তৰিলেই নহয়, কুলু কুলু বঁতাহো লাগে। পথাৰত গুটি সিচিলেই নহয়, তাত পানীৰো যথেষ্ট প্ৰয়োজন।

এই ফালে ৰশ্মিৰ দেউতাক আকৌ বদলি হোৱাৰ (চাকৰিৰ ক্ষেত্ৰত) খবৰ পালে। ৰশ্মিয়ে উপলব্দি কৰিলে, ভগৱানে বিবোধ কৰে মঙ্গলৰ বাবেই কৰে। তাই বিপ্লৱ আৰু মাকৰ মাজত ভেদাভেদ অনাৰ ইচ্ছা নকৰে। তাই সিহঁতৰ সন্মুখৰ পৰা আতৰত থাকিব বিচাৰিছিল।

"বিপ্লৱদা আপুনি মোক বুজি নাপালে। মোক ক্ষমা কৰিব। আপোনাক মই ভাল পাইছিলো, আৰু পাইয়েই থাকিম ভৱিষ্যতলৈ যেনেদৰে নৈয়ে গতি কৰে, বাধা নেওঁচি যেনেদৰে সূৰুজৰ পোহৰক ডাৱৰে বাধা দিব নোৱাৰে, তেনেদৰেই। মই সকলো বুজি পাইছো, আমাৰ ভাল পোৱাৰ এনাজৰি ডাল আপোনাৰ মাৰ বাবে অসহ্য। মোৰ অনুৰোধ থাকিল মাথো এটিয়েই আপুনি মাক বুজাব যে, আমাৰ এই ভাল পোৱাৰ মাজত কোনো স্বাৰ্থ অন্তৰ্নিহিত হৈ থকা নাছিল। বিবাহৰ নিচিনা এটি ক্ষুদ্ৰ অনুষ্ঠানৰ মাজতেই আবদ্ধ থাকিব নোৱাৰে। মানুহে মানুহক ভাল পোৱাটোৱেই হল মানবতা।" ৰশ্মিয়ে লিখি বিপ্লৱক পত্ৰ দিব কলে আৰু আমনি নকৰো।"

ৰশ্মিয়ে পুনৰ তাইৰ মৰমৰ সেই ঠাইলৈ খাপলি মেলিলে। তাই অস্তগামী সূৰুজৰ পোহৰবোৰ চাই থাকোতেই বেলটো দিগন্তৰ মাজত নোহোৱা হ'ল।

কিমান দিন যে তাই এৰি যোৱা চিনাকি ঠাই খনক দেখা নাছিল। তাইৰ বাবে প্ৰিজমে প্ৰবল আশাৰে বাট চাই আছিল। দুয়ো বৰ হেঁপাহেৰে সেই সময় খিনিলৈ অপেক্ষা কৰি আছিল। সেই পাৰ হৈ যোৱা সময় বোৰ যেন আকৌ আহিব, সিহঁতৰ মন সাগৰত কল্পনাৰ জোৱাৰ উঠিবলৈ ধৰিলে—

যেন সাগৰত ধুমুহা বলিছে।



# ঃ জীৱন যুদ্ধত মৃত্যু ঃ

জালাল উদ্দিন আহ্‌মেদ।
স্নাতক মহলা, ২য় বৰ্ষ

ধুনীয়া গাড়ীখনৰ পিনে আগুৱাই গৈ অজিতৰ মাকে হঠাৎ চিঞৰি উঠিল। খন্তেকতে তাই মাটিত বাগৰি পৰিল। সকলো জল্পনা কল্পনা আৰু আশা ভৰসাৰ মূৰত চেঁচা পানী পৰিল। অজিতৰ মাকৰ হিয়া ঢাকুৱা কান্দোনত গাঁওঁৰ মানুহবোৰে আহি ভীৰ জমালে। তেওঁৰ ভনীয়েক দুজনীয়েও কান্দি কান্দি থিতাতে বাগৰি পৰিল। "ঐ চাচোন! অজিতৰ মাকৰ জ্ঞান হেৰাল নেকি?" ভীৰৰ মাজৰ পৰা এজনে চিঞৰি উঠিল। লগে লগে অজিতৰ মাকক বিছনালৈ নিয়া হ'ল। হয়তো তাইৰ আৰু কান্দিবলৈ সমৰ্থ নাছিল। বহু সময় মূৰত পানী দিয়াৰ পিছতহে তাইৰ জ্ঞান ফিৰিল। তেতিয়াহে তাই কান্দিবলৈ উশাহ পালে। অজিতৰ বন্ধু কেইজনে নীৰবে চকু পানী টুকিলে। লাহে লাহে পশ্চিম আকাশত ৰঙা সূৰ্য্যই গোটেই দিন পৰিভ্ৰমণৰ পিছত জিৰণী ললে। গাড়ীখনে সকলো দুখ যন্ত্ৰনা অজিতৰ মাকৰ বুকুতে এৰি থৈ অহা বাটতে উভতি গল।

মাক আৰু দুজনী ভনীয়েকৰ সৈতে অজিতৰ পৰিয়ালটো কোনোমতে এসাজ খাই এসাজ নখাই জীৱন ধাৰণ কৰি আছিল। অসহ্য কষ্টৰ মাজেৰেও অজিতক H.S.L.C পৰীক্ষাটো দিয়ালে। যথা সময়ত ৰিজাল্ট ওলাল। দ্বিতীয় বিভাগত তেওঁ পাছ কৰিলে। স্কুলৰ পৰা ৰিজাল্ট শুনি বাটত ভ'ৰি দিয়েই আকাশ-পাতাল ভাবিলে। সন্ধিয়া লাহে লাহে এন্ধাৰ নামি আহি অজিতক যেন আগুৰি ধৰিলে। ইতিমধ্যে বিজিতে পিছ ফালৰ পৰা ছাইকেল লৈ তেওঁৰ একেবাৰে ওচৰত আহি ব্ৰেক কৰি সুধিলে— "কিহে অজিত; তোৰ ৰিজাল্ট কেনে?" অজিতে কোমলীয়া মাতেৰে ছেগা ছেগাকৈ উত্তৰ দিলে—"ভাল পাছ কৰিলোঁ, কিন্তু পাছ কৰিলে কি হব? মোৰ জীৱনৰ পাছ ফেল একোৱেই থিৰাং কৰিব নোৱাৰিলোঁ। ওচৰতে ধনী পৰিয়াল যেখিৰ ঘৰত দুই বছৰ থাকিলো। তেওঁখতৰ ল'ৰা-ছোৱালীৰ পুৰণা কিতাপ গোটাই লৈ অধ্যয়ন কৰি পৰীক্ষা দিলো। এই দুটা বছৰৰ সময় ছোৱাত প্ৰত্যেকটো বন্ধৰ দিনত সিহঁতৰ ঘৰত কাম কৰি দিছিলো। মই থকা দেখি সিহঁতে লগুৱা এটা ৰখাও এৰি দিলে। ভাবিছিলো আন একো নহলেও মোৰ ৰিজাল্টৰ পিছত উচ্চ শিক্ষাৰ বাবে কিছু সহায় কৰি দিব। কিন্তু এতিয়া টকা খুজিলে কিতাপৰ দাম লোৱা বুলি কয়। তাৰোপৰি অজিৰ পৰা ঠিক এক সপ্তাহ-মান আগতে দেউতা ঢুকাল। মাকৰো অৱস্থা ..............।" অজিতৰ কণ্ঠস্বৰ যেন ৰুদ্ধ হৈ আহিল।

ইতিমধ্যে বিজিতে তাৰ ঘৰত সোমাই গল। বিজিতে তাক তেওঁৰ ঘৰত নিমন্ত্ৰণ লবলৈ কৈছিল যদিও তেওঁ নগল। আকৌ তেওঁ আন্ধাৰৰ মাজেদি খোজ কাঢ়ি গৈ থাকিল। নানা চিন্তাৰ মাজেদি কেতিয়া ঘৰ পালে কব নোৱাৰিলে। ঘৰ পাই তেওঁ থকা কোঠাৰ বিছনাত অজানিতে বাগৰি পৰিল। মাকে তেওঁৰ ওচৰত আহি সুধিলে

বোপা, পৰীক্ষাৰ ফল কেনে হ'ল ?" অজিতে মাথো কলে—" ভালেই হৈছে, দ্বিতীয় বিভাগত পাছ কৰিলো। " মাকে অজিতৰ অৱস্থা দেখি কলে—" বোপা, ভাত এমুঠিমান খাই ল। তোৰ দেউতাই ঢুকুৱাৰ পিছৰ পৰা তই দেখোন একেবাৰে ক্ষীনাই যাব ধৰিছ। এনেকৈ চিন্তা কৰি থাকিলে হবনে ? অহা সাজ খাবৰ বাবে কিবা চিন্তা কৰচোন। " অজিতে কলে —" আই, গা বৰ বেয়া লাগিছে ভাত নাখাওঁ।" সেই দিনা তাৰ গোটেই নিশাটো লঘোনে পাৰ হৈ গল।

বিজিত আৰু অজিত সৰু কালৰ পৰাই বন্ধু আছিল। বিজিতহঁতৰ ঘৰৰ অৱস্থা ভাল। তেওঁলোকৰ বেছ ভালেখিনি মাটি সম্পত্তি আছে। বছৰটো ভালদৰে চলি যায়। বিজিতে পুৱা উঠিয়েই অজিতৰ ঘৰলৈ গল। বিজিতে তেওঁৰ ঘৰত প্ৰায়েই যায়। সেইদিনা গৈ অজিতৰ মাকৰ লগত কথা প্ৰসংগত তেওঁৰ ৰিজাল্ট খুব ভাল হোৱা বুলি প্ৰসংশা কৰিলে। তেওঁ ইতিহাসত লেটাৰ পোৱা বুলিও প্ৰসংশা কৰিলে। অজিতৰ মাকে শিলা মূৰ্ত্তিৰ দৰে কঠোৰ অথচ নম্ৰ সুৰে কৈ উঠিল — ভাল হলে কি হব। কলেজত পঢ়িবলৈ দিবলৈ আৰু আমাৰ সমৰ্থ নাই। তেওঁ আমাক এতিয়া খুৱাই-বোৱাই জীয়াই ৰাখিব লাগিব।" বিজিতে স্কুলৰ পৰা প্ৰমাণ-পত্ৰ আনিবলৈ যাব বুলি সোনকালে অজিতৰ মাকৰ পৰা বিদায় লৈ ঘৰলৈ গুচি গল।

অজিতে পুৱা উঠিয়েই মাকৰ পৰা শুনিবলৈ পালে—" বোপা, পুৱা খাবৰ বাবে একোৱেই নাই, কিবা এটা কৰ।" অজিতে কোনো উত্তৰ নিদি মনে মনে ওচৰৰ এখন সৰু বজাৰলৈ গল। বজাৰখন সৰু যদিও তাত বাছ গাড়ীৰ চলাচল আছে। বজাৰত গৈ তেওঁ হাজিৰা কাম কৰিবলৈ সিদ্ধান্ত কৰিলে। অজিতে গোটেই দিন শ্ৰমৰ পিছত মজুৰি পালে মাত্ৰ পাঁচ টকা। তাৰে তেওঁ সন্ধিয়া সাজৰ বাবে এক কে,জি, চাউল লৈ ঘৰলৈ গল। পুৱাৰ পৰা লঘোনে থকা ৪জন মানুহৰ পৰিয়ালটো এক কে,জি, চাউলেৰে সেই সাজটো কোনোমতেহে চলিল। এই দৰে কেইবাদিন যিকোনো কামৰ বাবে ৫.০০ টকা মজুৰিৰে তেওঁ লোকৰ পৰিয়ালে এসাজ খাই নাখাই কথমপি চলিল। বিজিতহঁতৰ ঘৰতো ৫.০০ টকাৰ বিনিময়ত কেইবাদিন কাম কৰি দিলে। বন্ধু হিচাবে বিজিতৰো কৰিবলৈ একো নাথাকিল। কাৰণ কৰ্ত্তব্যৰ খাতিৰত সকলোৱে নিজা নিজা কামত ব্যস্ত থাকিব লগীয়া হয়।

এই দৰে কিছুদিন কাম কৰাৰ পিছত গাঁৱত আৰু কাম নোপোৱা হ'ল। বাধ্য হৈ অজিতে গুৱাহাটীত হাজিৰা কৰিবলৈ গল। গুৱাহাটীত কাম কৰি অজিতে পৰিয়ালটো দুবেলা দুমুঠি খাবলৈ দিব পৰা হ'ল। অজিতে এদিন গুৱাহাটীৰ পৰাই শুনিবলৈ পালে যে, তাৰ ঘৰৰ ওচৰত এখন " কাগজ তৈয়াৰ কৰা কাৰখানা " নিৰ্মাণৰ কাম চলি আছে। তাত বহু শ্ৰমিকৰ কাম বাহিৰ হৈছে আৰু হাজিৰাৰ দামো বেছি। তাকে শুনি অজিতে ঘৰত আহি "পেপাৰ মেলৰ" কাম ধৰিলে। তেওঁৰ পৰিয়ালটো আগতকৈ কিছু ভালদৰে খাই বৈ জীয়াই থাকিবলৈ সমৰ্থ হ'ল। এই কাম কৰি থাকোতে অজিতে এদিন জানিব পাৰিলে যে শ্ৰমিক সকলৰ হিচাব-নিকাচ ৰখাৰ বাবে এটা মহৰিৰ চাকৰি ওলাল। অজিতে চাকৰিটোৰ বাবে আবেদন কৰিলে। কিন্তু কি হব, সামান্য মহৰিৰ চাকৰিৰ বাবেও লেঠা। তাত আকৌ ভেটি লাগে। অজিতে ভেটিৰ টকাৰ বাবে বিয়া কৰাবলৈ সিদ্ধান্ত কৰিলে। অজিতে ভাবিলে—" চাকৰি পালে আন একো কৰিব নোৱাৰিলেও ভনী দুজনীক বিয়া দিব পাৰিব। "

সেই গাঁৱৰে গাওঁবুঢ়া এজনৰ ছোৱালী এজনী অবিক্ৰী হৈ ঘৰতে বুঢ়ী হব ধৰিছিল। গাওঁবুঢ়াই হেনো ছোৱালীজনীৰ বাবে এহেজাৰ টকাও দিব খুজিছে। অজিতে ছোৱালীজনী বিয়া কৰাই এক হাজাৰ টকা পাই ৮০০.০০ টকা ভেটি দি মহৰিৰ চাকৰিটো ললে। বিজিতে আগত তেওঁলোকৰ ঘৰত প্ৰায়েই আহিছিল যদিও এতিয়া দুই মাহ ধৰি একেবাৰে অহা-যোৱা বন্ধ হৈ গৈছে।

এদিন সন্ধিয়া অজিতে চিন্তামগ্ন, গধুৰ মনলৈ কাৰখানাৰ পৰা ঘৰলৈ আহিল। অজিতৰ এনে মনোভাৱ দেখি মাকে সুধিলে ' বোপা, তোৰ মন ইমান গধুৰ কিয় ?" অজিতে মাত্ৰ দুটামান হুমুনিয়া কাঢ়িলে। মুখৰ পৰা এষাৰ কথাও নোলাল। নিশা ভাত খাবলৈ গৈ মাকৰ ওচৰত সকলো কথা বিবৰি কলে — "কাৰখানাত বোলে কৰ্মচাৰী সকলৰ দুৰ্নীতিৰ বাবে মালিকৰ লাভ নহয়। তেওঁলোকে বোলে বাহঁ, কাগজ আদি কম বজাৰত বিক্ৰী কৰি মালিকৰ ঘাটি লগাইছে। গতিকে আজি কেইদিন ধৰি কাৰখানা বন্ধ হৈছে আৰু ভৱিষ্যতেও খোলাৰ আশা নাই। আমাৰ আকৌ বোধহয় গুৱাহাটীতে হাজিৰা কাম কৰি মৃত্যুৰ বিপৰীতে জীয়াই থকাৰ সংগ্ৰাম চলাব লগা হল।"

নিশা শুবলৈ গৈ ঘৈণীয়েকৰ পৰা জানিলে যে, " তাৰ ডাঙৰ ভনী বীনা অন্তঃসত্বা হৈছে।" মাকে আগতে কথাটো গম পাইছিল যদিও ক্ষোভ, অপমান আৰু লাজত অজিতক কথাটো কবলৈ টান পাইছিল্। যেতিয়া ঘটনাটো লোক সমাজত প্ৰকাশ পালে তেতিয়া সমাজৰ মানুহে বিজিতক ছোৱালীজনী বিয়া কৰাবলৈ ধৰিলে। বিজিতে আগত যদিও ছোৱালীজনী বিয়া কৰাবলৈ সন্মত আছিল পিছত তাইক বিয়া কৰাবলৈ সম্পূৰ্ণ অস্বীকাৰ কৰিলে। ডাক্তাৰক ৫০০'০০ টকা ভেটি দি তেজ পৰীক্ষা কৰি আনি লোক সমাজত প্ৰমাণ দেখুৱালে। অজিতৰ ভনী আৰু তাইৰ সন্তানটো অজিতৰ পৰিয়ালতে থাকি গল। অজিতৰ মাকে সকলো নিৰৱে সহ্য কৰি উপায় নাপাই অদৃশ্য জনৰ ওচৰত বিচাৰ দি থল। অজিতৰো কৰিবলৈ আৰু একো নাথাকিল।

অজিতৰ পৰিয়াল লাহে লাহে ডাঙৰ হল। কিন্তু ইপিনে আয় মুঠেই নাথাকিল। বাধ্য হৈ অজিতে আকৌ গুৱাহাটীত গৈ এজন মহাজনৰ ঘৰত থাকি হাজিৰা কাম কৰিবলৈ ধৰিলে। কাম কৰি টকা পঠোৱাৰ পিছতহে ঘৰত উশাহ লব পাৰিছিল। মহাজনে অজিতৰ কাম-কাজ আৰু আদান-প্ৰদানত খুব বিশ্বাস কৰিছিল। মহাজনৰ বিশ্বাসী হোৱাৰ যোগ্যতাও অজিতৰ আছিল। সেই বাবে অজিতে মহাজনে ৰখা লেখাৰ সকলৰ হিচাব-নিকাচ ৰাখিছিল আৰু তেওঁলোকৰ কাম-কাজৰ ভু-ভা ৰাখিয়েই তাৰ হাজিৰা খিনি পাইছিল। মাজে মাজে ঘৰতে

থাকি ফুল বাগিছাৰ ঘাহঁ-বন নিকা কৰিছিল আৰু ফুল গছত পানী দিছিল। এদিন আবেলি বাগিছাত কাম কৰি থাকোতে হঠাৎ ফেঁটী সাপৰ দংশনত অজিতৰ দেহাটো কলা পৰি গল। বহুত ওজা, বৈদ্য, বেজ আদি আহিও অজিতক ভাল কৰিব নোৱাৰিলে।

মহাজনে অজিতৰ মৃত্যুদেহটো গাড়ী এখনত তুলি তেওঁৰ ঘৰলৈ পঠাই দিলে। অজিতৰ মৃত্যু দেহ দেখি ঘৰৰ সকলোৰে হুৰাহুৰা লাগিল ॥

*****

# ॥ আমি আৰু আমাৰ সমাজ ॥

ⓘ নুৰুন নাহাৰ
টি, ডি, ছি, ২য় বাৰ্ষিক 'কলা'

লিখনি সমূহ লিখকৰ বাস্তৱ মুখী কল্পনা আৰু চিন্তাৰ ছবিঘৰ। লিখকৰ লিখনিত তেওঁ প্ৰকাশ কৰিব বিচৰা বিষয় বস্তুৰ লগতে লিখকৰ অজ্ঞাতে তেওঁৰ জ্ঞানৰ প্ৰভাৱ আৰু মানসিক ভাৱে থকা সজাগতাৰ আভাস পোৱা যায়। লিখক সকল সকলো ফালৰ পৰা সতন্ত্ৰ। লিখকৰ নিজৰ অভিৰুচিমতে লিখাৰ অধিকাৰ আছে। সেই বুলি কোনো বিশেষ বস্তু বা বিষয়ক প্ৰত্যেক্ষ ভাৱে আক্ৰমণ কৰি নাইবা কোনো সম্প্ৰদায়, ধৰ্ম্ম, জাতি বা ব্যক্তিক উপলুঙা কৰি লিখা লিখনি সমূহ সমাজে সমাদৰ কৰিবলৈ নিশ্চয় টান পাব। লিখনিত লিখকৰ বাহ্যিক আচৰনৰ স্বৰূপ যিদৰে প্ৰকাশ পায়, আন কতো তেনেকৈ প্ৰকাশ নাপায়। মানুহৰ বাহ্যিক আৰু আভ্যন্তৰীণ সদাচৰনৰ মাধ্যমেৰে মানুহৰ মন জয় কৰিব পাৰিলেহে তেওঁৰ সকলো কৰ্ম আৰু কথাই সোণৰ আসন পাব পাৰে। লিখকৰ সকলো গুণৰ লগত "স্পষ্টবাদিতা" এটা গুণ থাকিলেও অপ্ৰিয় সত্য কথা পোন পটীয়াকৈ নোকোৱাই ভাল। ইয়াত চৰিত্ৰ বা আচৰণত দোষ নঘটিলেও সমাজৰ সুদৃষ্টিৰ বাহিৰত পৰিব লগা হয়। এনে ক্ষেত্ৰত নিজকে সকলো ফালৰ পৰা সংযত কৰাৰ কাৰণে হাই স্কুলীয়া জীৱনত অধ্যয়ন কৰা সত্যনাথ বৰাদেৱৰ "অন্যাৰ প্ৰতি ব্যৱহাৰ" নামৰ প্ৰবন্ধৰ কথা মনত পৰে। প্ৰবন্ধ খনত শ্ৰী বৰাদেৱৰ ভাষাত, "যিয়ে আনৰ দোষ বিচাৰি ফুৰে সি তাৰ নীচ আলয়ৰ পৰিচয় দিয়ে, আৰু যাৰ দোষ বিচাৰে তাৰ কুপত পৰে"। ঠিক একে ধৰণৰ বাক্য থকা এটা কবিতাৰ কথা মনলৈ আহে—

"সুখ নাই সুখ নাই বাত ধৰোৱাৰ,
অনুমাত্ৰ সুখ নাই চিৰ ৰুগীয়াৰ,
সুখ নাই যিয়ে সদায় গোচৰত ফুৰে,
মাতৃৰ সুখ নাই যদি পুত্ৰ থাকে দূৰে"॥

উল্লেখিত কথা সমূহৰ পৰা স্পষ্টই বুজা যায় যে আনৰ দোষ বিচাৰি ফুৰা নাইবা আনৰ ওপৰত গোচৰলৈ ফুৰা ব্যক্তিজন নিজেই অসুখী আৰু আনৰ শত্ৰু। আনৰ দোষ বিচাৰি ফুৰা বিধৰ লোক কিছু পৰিমাণে দাম্ভিক আৰু মানসিক ভাৱে সদায় চিন্তাগ্ৰস্থ। দাম্ভিক লোক সকলৰ দম্ভ হঠাতে তেওঁ নজনাকৈ প্ৰকাশ পাই যায়। সেয়ে সত্যনাথ বৰাদেৱে কৈছে— "নিজৰ মুখত নিজৰ গুণ আনৰ কানত বিহ যেন লাগে। আৰু নিজৰ গুণ নিজে বখানিলে গুণৰ গৌৰৱো নেথাকে" কথাখিনি যথাৰ্থ ভাৱে সত্য। সমাজত এনে গুণৰ লোক যথেষ্ট আছে। এনে ধৰণৰ লোকৰ পৰা দেশ, সমাজ বা জাতিৰ কল্যাণতকৈ অধিক পৰিমাণে অকল্যাণ হোৱাৰ সম্ভাৱনা থাকে।

এখন আলোচনী অভিজ্ঞ লোকৰ জ্ঞান বিকাশক আলোচনা সভা। ইয়াত জ্ঞানৰ সমদল যাত্ৰাৰ সমাৱেশ ঘটে। নিতান্তই নিৰ্ভুল আৰু সুন্দৰ সমাজৰ আদৰনীয় আলোচনীৰ কাৰণে উপযুক্ত লিখকৰ সৰ্ব্বগুণ বিশিষ্ট লিখনিৰ বাছনী কৰা আৰু সমাজৰ কৰ্মকাৰ স্বৰূপ সৎ আৰু স্পষ্টবাদী লিখকৰ সৃষ্টি কৰাৰ কাৰণে আমি কেতবোৰ কৰ্মৰ প্ৰতি নজৰ দিয়া একান্ত আৱশ্যক। নিৰপেক্ষ দৃষ্টিত স্পষ্ট ভাষাৰে সুন্দৰ আৰু সহজ সৰল ভাৱে লিখকে নিজৰ চাটুকাৰ স্বভাৱ পৰিহাৰ কৰি আনৰ গুপ্ত কথাত হস্তক্ষেপ নকৰাকৈ সমাজৰ বা ব্যক্তিৰ সৎগুণৰ প্ৰকাশ পোৱাকৈ লিখা লিখনি সমূহৰ প্ৰবাহে সমাজে কিবা পোৱাৰ আশা কৰিব পাৰে। আমাৰ সমাজ খনৰ কাৰণে ব্যক্তিগত জীৱনৰ ঘটনা বাজিত কৈ অতীতৰ ঐতিহ্য মণ্ডিত জাতীয় সংস্কৃতিক বৰ্ত্তমানৰ পলায়ন বাদী সংস্কৃতিৰ লগত সামঞ্জস্য পূৰ্ণ জাতীয় চেতনাৰ সৃষ্টি মূলক লিখনিৰ অতি প্ৰয়োজন। আমাৰ মুছলিম সমাজৰ দাসত্ব মুখী গতিৰ বিপৰীতে সমাজৰ শিক্ষিত চামে লিখন আৰু কথন কাৰ্য্যত ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশ সমূহৰ ওপৰত মুক্তি পন্থী নজৰ দিয়াটো ফৰজ হিচাবে গন্য কৰা উচিত। আলোচনী/গ্ৰন্থ, লিখক আৰু লিখনি সমূহৰ সম্বন্ধ সমাজ আৰু জাতিৰ লগত কেনে তাক বৰ্ণনা কৰা সহ মূৰ্খটোৰ সাধ্য নাই। তথাপি আহক এটা গল্প শুনোহঁক—

গছজোপা এটাৰ পৰা পকা ফল সৰি পৰা এজনে দেখা পালে। কিন্তু দৌৰি গ'ল অন্য এজন। দৌৰি যোৱা জনে ফলটো বুটলিব নোৱাৰিলে, বুটলিলে আনজনে। যিজনে বুটলিলে তেওঁৰ খোৱাৰ ভাগ্য নহল, খালে বেলেগ এজনে। গৃহস্থই দেখা পাই ইয়াৰ কাকো ধৰিব নোৱাৰিলে, ধৰিলে বেলেগ এজনক। যাক ধৰা হল, তেওঁক নেমাৰি মাৰিলে অন্য এজনক। যাক মৰা হ'ল তেওঁ কান্দিব নোৱাৰিলে, কান্দিলে প্ৰথমৰ দৰ্শক জনে। এই সকলো ঘটনা এজন মানুহৰ অংগ-প্ৰত্যংগ সমূহৰ ওপৰত কোৱা হৈছে। ইয়াত দৰ্শক চকু, দৌৰিলে ভৰি, বুটলিলে হাতে, খালে মুখে, ধৰিলে কাণত, মাৰিলে পিঠিত, কান্দিলে চকুৱে। অৰ্থাৎ ঘটনাটোৰ লগত মানুহ এজনৰ সম্পূৰ্ণ অংগ-প্ৰত্যংগ সমূহৰ অন্তৰংগ সম্বন্ধ আছে। সেইদৰে লিখকৰ লিখনি সমূহৰ উদ্দেশ্য, ভাৱ, ভাষা, ছন্দ, অলংকাৰ উপমা, ৰস, আদিয়ে হ'ল তাৰ অংগ। ইয়াৰ অপূৰ্ণতাই সমাজখন ওপৰত ... দৰে হবগৈ। কাৰণ অংগহীন ব্যক্তি বা বস্তুৱেই বিকলাংগ। বিকলাংগ লিখকৰ বিকলাংগ লিখনিয়ে সমাজত বিকলাংগ সংস্কৃতিৰ উদ্ভৱ কৰিবে। সেই-

দৰে সমাজৰ এটা অংশৰ কাৰ্য্য কলাপে আন এটা অংশত আঘাত হানে। এনে ঘটনাত বিচাৰক বা ডাক্তৰৰ ভূমিকা লিখকৰহে। আলোচনী বা গ্ৰন্থ নামৰ লেবৰেটৰীত ইয়াৰ চিকিৎসা হয়।

সৰু কথাই ডাঙৰ কথাৰ জনক জননী। কেতিয়াবা সৰু কথাৰ পৰা ডাঙৰ আৰু মহৎ আদৰ্শ পোৱা যায়। আকৌ সৰু সৰু কথাৰ পৰা ডাঙৰ সমস্যাৰ সূত্ৰপাত হোৱাৰ উদাহৰণো কম নহয়। সেয়ে যিকোনো কথা সৰুই হওক বা ডাঙৰে হওক কোৱাৰ আগতে ব্যৱহাৰত নম্ৰতাৰ অনুপ্ৰানেৰে মিঠা মাতৰ ৰহন দিব লাগে ; যাতে তাত তিক্ততা থাকিলেও হোমিও পথিক ঔষধৰ দৰে শিশুৱেও আগ্ৰহেৰে খাব পাৰে। সেয়ে মনিষী সকলে কয় — "কথাৰ সমান মিঠাও নাই কথাৰ সমান কেহাও নাই"। অৰ্থাৎ কথাই মানুহক মূহুৰ্ত্তৰ ভিতৰত পৰিবৰ্তন কৰি দিব পাৰে। এনে এটা ঘটনাৰ কথাই কব বিচাৰিছোঁ। সৌ সিদিনা মটৰত বহি থাকোতে দুজনী ভিক্ষাৰীক উদ্দেশ্য কৰি কেইজন মানে কৈ পেলালে, মুছলিম জাতিটো ভিক্ষুক জাতি। ইহঁতৰ লাজ বোলা বস্তু নাই। মছজিদ মাদ্ৰাছাৰ নামত মিছাতে ভীক্ষা কৰি ফুৰে। ইহঁত আহে কব পৰা ? ............? ? ?" অৱশেষত মন্তব্যগোটাই মুছলিম সমাজটোক লৈ বাংলাদেশ পালেগৈ। কথা সৰু যেন লাগিলেওঁ মৰ্ম্মস্পৰ্শী। এনেবোৰ মন্তব্যৰ পৰা অন্তৰত পীৰাক লাগে। কিন্তু বেয়া লাগিলেও কথাষাৰত সত্য অসত্য দুয়োটা আছে। আমাৰ সমাজখনে এনে মন্তব্যক 'তিৰস্কাৰ' 'পুৰস্কাৰ' 'সংস্কাৰ' কোন ভাগত লব ?

সমাজ খনক সংস্কাৰ কৰিবৰ বৰ প্ৰয়োজন আমি যিমানেই সংস্কাৰৰ পিনে ধাৱিত হৈছে সিমানেই যেনিবা 'সংস্কাৰ' শব্দটোৰ আগত 'অ বৰ্ণটো যোগ হবলৈ তয়ামনা ৰণ চলাইছে। আমা এনেবোৰ 'অ' আৰু 'সংস্কাৰ'ৰ যোগ সূত্ৰৰ সুযো লৈ বেলেগ বেলেগ জাতীয়ে আমাক তেনেৈ মন্তব্য কৰিবলৈ বাধ্য হৈছে। এইবোৰ মন্তব্য পৰা হাত হাৰিবলৈ উপায় সন্দানি লিখক আমা সমাজত নাই নেকি ? মোৰ বৰ বেয়া লাগিছে "মুছলিম জাতিটো ভীক্ষুক" ইহঁতৰ লাজ বোল বস্তু নাই এই কথা দুটাত। মই প্ৰশ্ন কৰি বিচাৰিছো এই 'ভীক্ষুক' আৰু 'নিলাজ হোৱাৰ উৎস ক'ত ? কোনোবাই যদি নিৰ্ কাৰণ 'কেৰুণ' হিচাবে বিতংকৈ লিখিলেহেঁতে তেওঁক মই আন্তৰিক ভাৱে শ্ৰদ্ধা আৰু ভক্তিৰে গুৰু বুলি মানিলোঁহেঁতেন।

আমি ভীক্ষুক আৰু নিলাজ হোৱাৰ কাৰ বহুতো। কিছুমান আমাৰ জাতীয় ওৱাৰিস্বৰ আৰু কিছুমান আমাৰ ওপৰত জাপি দিয়া হৈছে তাৰে কিছুমান প্ৰধান কেৰুণ দাঙি ধৰিছো।

প্ৰথমতে, বাল্য বিবাহ কিছুমান অজ্ঞ মুছল মান এলেকাত আজিও তিষ্ঠি আছে। যাৰ ফল অকালতে নৱ দম্পত্তিয়ে বিবাহৰ উদ্দেশ্যৰ পৰ ছিটিকি পৰি শক্তি সামৰ্থ্য কলো হেৰাই পেলা ৰুগ্ন অৱস্থাত এপাল সন্তান লৈ ইহলোক ত্যা কৰিছে, নহলে পোহপাল দিব নোৱাৰি পলাইছে নতুবা দৰা কইনাৰ বয়সৰ অসামঞ্জস্যতাৰ কাৰণে মনৰ অমিল হৈ তালাক পদ্ধতিৰে বিচ্ছেদ হৈ সমাজৰ বুজা হৈ পৰিছে। অথবা বৃদ্ধ বয়সত তৰুনীক বিয়া কৰাই অকালতে ভহাই দি বুঢ়াই সিপাৰ লৈ যাত্ৰা কৰে। যাৰ ফলত সমাজত এক বৃহৎ পৰিমানৰ ভীখাৰীৰ সৃষ্টি হৈছে।

দ্বিতীয়তে শিক্ষাৰ প্ৰতি অমনোযোগ। অৰ্থাৎ শিক্ষাৰ বিশেষকৈ ইছলামিক শিক্ষাৰ মূল সুবুদ্ধি তাৰ অপব্যৱহাৰৰ ফলত নাইবা আত্ম নিৰ্ভৰশীল শিক্ষাৰ পৰিবৰ্ত্তে পূৰ্ব্ব পৰিকল্পিত ভাৱে দাসত্ব মূলক শিক্ষাৰ প্ৰবৰ্ত্তনৰ ফলত মুছলিম সমাজত এনে সমস্যাই গা কৰি উঠিছে।

তৃতীয়তে সাতাম পুৰুষীয়া কৃষি কাৰ্য্যত "যাৰ নুজোৰে হালে, তাৰ নুজোৰে কোনো কালে" কথাষাৰক কান্ধতলৈ দম্ভেৰে নদীৰ পাৰে পাৰে বাস কৰি শেষত নদীৰ লগত যুদ্ধ কৰি কৰি বীৰৰ দৰে পৰাজিত হৈ ভীক্ষুকত পৰিণত হৈছে।

চতুৰ্থতে, অসমত কোনোবা জাতিক যদি ভূমি পুত্ৰ বুলি কোৱা হয়, তেন্তে মুছলিম সকলক ব্ৰহ্মপুত্ৰৰ পুত্ৰ, বেকীৰ পুত্ৰ, মানাহ আইৰ পুত্ৰ বুলি কব লাগিব। এই নদী পুত্ৰ সকলে নদীৰ গৰাখহনীয়াত সৰ্ব্বস্ব হেৰাই শিক্ষা সংস্কৃতিৰ মূল সূতিৰ পৰা বিছিন্ন হোৱাৰ উপক্ৰম দেখা দিয়া স্বত্বেও চৰকাৰৰ অৰ্থ নৈতিক বিতৰন বৈষম্যৰ ফলত আমি নিলাজ ভিক্ষুকত পৰিণত হৈছো।

পঞ্চমতে এক প্ৰকাৰৰ অসামাজিক লোকে পবিত্ৰ মাদ্ৰাছা, মছজিদ আদিৰ নামত সাহায্য বিচাৰি বিচাৰি আমাৰ সমাজৰ অগ্ৰগতিত সামাজিক পৰ্য্যায়ৰ পৰা অৰ্থনৈতিক আৰু ৰাজ নৈতিক ভাৱে আটক কৰি পেলাইছে। যাৰ ফলাফল সামান্য নিলাজ, ভিক্ষুকৰ পৰা আলোচনাৰ পথ বাগৰি গৈ গৈ ৰাজনৈতিক ভাৱে বিদেশীৰ পৰ্য্যায় পাইছেগৈ।

এনেবোৰ হেজাৰ বিজাৰ কেৰুনৰ কাৰণে আমি মুছলিম জাতিটো নিলাজ ভীক্ষুক জাতিৰ মন্তব্যৰ পৰ্য্যায়লৈ অৱনমিত হৈছো। আমি আমাৰ অৱনতিৰ কাৰণে যিমান দায়ী তাতকৈ কেইবা গুণেও বেছি দায়ী হৈছে ভাৰতৰ ঐতিহাসিকসকল আৰু কিছুমান লিখক। লিখকৰ কলমত বেহেস্ত আৰু দোজখ দুয়োটাতে সমান আসন দখল কৰিছে। সেইদৰে আমাৰ অতীত বুৰঞ্জীৰ বৰ্ণনাকো আমি সপক্ষে বা বিপক্ষে ধৰি লব পাৰি। কিন্তু কাৰ্য্যত পক্ষতাতকৈ বিপক্ষতাই অধিক। তাৰ প্ৰমাণ নথকা নহয়। ভাৰতৰ সাম্প্ৰদায়ীকতাৰ বিষ বাষ্প বিয়পাৰ ক্ষেত্ৰত কেতবোৰ ঐতিহাসিকক জগৰীয়া কৰাৰ থলো আছে। যোৱা ১০/১২/৮৯ ইং তাৰিখত মহাভাৰতৰ এটি খণ্ডত বিদূৰৰ এই বাক্যটো মন কৰিবলগীয়া "প্ৰলমকৈ কোৱা সত্য কথা মিছা কথাতকৈ বেছি ভয়ানক"। গতিকে উপযুক্ত সময়ত সত্য কথাটো প্ৰকাশ নকৰি মিছাক সত্যত প্ৰমাণিত কৰাৰ কাৰণে সুচেষ্ট বুৰঞ্জীবিদ সকল দায়ী। সেইদৰে লিখকৰ লিখনিত সোনৰ জেউতি কমোৱাটো কাৰোবাৰ ভাষাৰ প্ৰয়োগৰ বাহাদুৰী হব পাৰে সেইবুলি তেওঁ সত্যৰ অপলাপকাৰী অপৰাধৰ পৰা মুক্তি নেপাব।

এই কাৰণেই আমাৰ আলোচনী সমূহত তেনে লিখকৰ লিখনি আমি পাঠক সকলে আশা কৰো যি সকলৰ কলম সত্যাপ্লোত সমস্যা সমা-

খানৰ পথ অনুসন্ধানত ৰত। যি সকলৰ কাৰ্য্যই আদৰ্শ আৰু আদৰ্শই জীৱন। আমি যদি আলোচনীৰ সম্পাদক, প্ৰযোজক, পৰিচালক, উপস্থাপক আৰু লিখক সকলে আমাক নিজকে সমস্যাৰ মাজ-সাগৰত ডুবগৈ থকা নাৱৰ যাত্ৰী হিচাবে গণ্য কৰি লিখো, তেন্তে নিশ্চয় আমাৰ লিখনি সমূহত ৰাবৰ, হুমায়ুন, বাহাদুৰছাহ, চিৰাজউদ্দৌল্লা আদিৰ দৰে অহিংসা উন্নত সংস্কৃতিপূৰ্ণ জীৱনাদৰ্শৰ মৰ্ত্তৰূপ প্ৰকাশ পাবই। আমি আমাৰ দৃষ্টি দলিত মুছলিম সকলৰ ঘৰৰ ভঙা দেৱালৰ ফাঁকে ফাঁকে নিক্ষেপ কৰি সমাজখনক সুন্দৰৰ পৰা সুন্দৰতমৰ পিনে আগবঢ়াই নিয়াৰ কাৰণে চেষ্টা কৰা উচিত। আমাৰ কলমত প্ৰেমৰ কবিতা, স্নো, 'পাউডাৰ' 'পিন' আদিৰ দোষ ত্ৰুটিতকৈ ধুলি মাকতিৰে পূৰ্ণ আমাৰ সমাজ, দেশখনৰ বৰ্ণনাহে শোভা পায়। ৰূপৰ সৌন্দৰ্য্যতকৈ গুণৰ সৌন্দৰ্য্য সোণৰ জেউতিতকৈ বহুত বেছি। ব্যক্তিৰ গুণ প্ৰকাশৰ মাধ্যম অকপট আচৰণ। আচৰণক মিঠা মাতৰ দ্বাৰা বিশেষ ভাবে বিশ্লেষণ কৰা নহলে গুণীৰ গুণ লুপ্ত হৈ যায়। ইয়াকে কৰিবলৈ বিচাৰিলে ব্যক্তিয়ে অপৰিসীম ধৈৰ্য্য আৰু ত্যাগৰ পৰিচয় দিব লাগিব। এই ক্ষেত্ৰত পুৰুষ, নাৰীৰ সমান অধিকাৰতকৈ অলপ বেছি। কাৰণ নাৰীয়েই নৰৰ নিৰ্বাচনৰ চাবিকাঠি।





# ៖ বেকাৰ ៖

● Iman Hussain.
T.D.C. 3rd Yr. (A)
Assamese (Hons.)

"ৰহিম তই বহি বহি কিমান দিন খাই কিবি। কিমান আশা কৰি তোক লিখা পঢ়া কালো কিন্তু তাৰ ফল স্বৰূপে লোকচানহে ল। তোক আজিয়ো মই কৈছো তই যিকোনো কৰি এটা বিচাৰি ল'। তইতো জানাই যে বহি ই খালে এসময়ত ৰজাৰো ৰাজ ভড়াল উদংহৈ য়। ৰহিমে ঘৰৰ পৰা সদায় এনে কটু স্তবা শুনিও সহ্য কৰিব লগীয়া হৈছে। কথাৰ তোত্তৰ কৰাৰ ক্ষমতাও আজি বেচেৰা ৰহিমৰ ই। তেওঁ প্ৰতোত্তৰ কৰিবও কেনেকৈ। আজি দিন ধৰি Graduation লৈ ঘৰতে বেকাৰ বহি আছে কিন্তু বিধিৰ কি কুৎসিত মহিমা ও কিমান বাৰ চাকৰিৰ কাৰণে Interview লৈ কিন্তু টকাৰ অভাৱত চাকৰি নাপায়। জিকালি চাকৰি শব্দৰ উচ্চাৰণ কৰিলেই লাগে। ইফালে Interviewৰ নামত oney Interview চলে। যি জন প্ৰাৰ্থীয়ে terviewৰ সময়ত বেছি টকা অফিছাৰক দান হিচাপে দিব পাৰে তেওঁৰেইহে চাকৰি য়। কিন্তু ৰহিমে সকলো Interviewত ত্তীৰ্ণ হয় যদিও Money Interviewৰ সময়ত তাশ হৈ উভতি আহে। মাটি সম্পত্তিও নাই সেইবোৰ বিক্ৰী কৰি চাকৰিৰ নামত অফিচাৰক অনুদান দিব। মাটি সম্পত্তিৰ নামত আছে মাথোন বাৰী ভিটা। ইয়াৰ বাহিৰে তেওঁলোকৰ সংসাৰত একো নাই। যি মাটি সম্পত্তি আছিল সেইবোৰ বিক্ৰী কৰি ৰহিমৰ পঢ়াৰ নামত খৰচ কৰিছিল। ৰহিমৰ মাক বাপেকৰ আশা আছিল যে বোপাই ৰহিম B.A. পাচ কৰি যি কোনো এটা ভাল চাকৰি কৰি অন্তত তেওঁলোকক শান্তিত দিন কটাবলৈ সুবিধা কৰি দিব পাৰিব। ভাগ্যৰ পৰিহাসত সেই আশা আকাংক্ষাবোৰ শীতকালি, পানী বাষ্প হৈ ওপৰলৈ উৰি যোৱাৰ দৰে উৰি যাবলৈ ধৰিছে।

ইফালে ৰহিমৰ Certificate age বাঢ়ি গৈ প্ৰায় ত্ৰিশ পালে, কিন্তু এতিয়ালৈ চাকৰিৰ সুংসুত্ৰ নাপালে। কোনো উপায় নাপাই শেষত ছোৱালী এজনীৰ বিনিময়ত ধনী মহাজন এজনৰ ওচৰত দহ হাজাৰ টকাত মূৰটো বিক্ৰী কৰিলে। ৰহিমে টকা দহ হাজাৰ লৈ গাওঁত Start দিয়া Bancher School এখনত কোনোমতে সোমাই থাকিল। নামত তেওঁ মাষ্টাৰ হ'ল। কিন্তু মাহৰ শেষত দৰমহা "O" -। এইদৰে দিনৰ পিছত দিন মাহৰ পিছত মাহ গৈ বিয়াৰ দুই বছৰ পাৰ হ'ল। ইতিমধ্যে ৰহিমৰ পত্নী-য়েকৰ কোলাত ছোৱালী এজনীৰ জন্ম হ'ল।

এতিয়া সুখ আৰু বেছি হৈ কুলাই পাচীয়ে নপৰা হ'ল। এনেয়ে তেওঁক ঘৰৰ পৰা দেখিব নোৱাৰে আনফালে পৰিয়ালৰ উন্নতি। বৰ্ত্তমান তেওঁ আগতকৈ মাক-বাপেকৰ পৰা গালি-শপনি বেছি কৈ খাবলগীয়া হ'ল। গালি-শপনিয়েই যেন তেওঁৰ দৈনন্দিন জীৱনৰ লগৰীয়া।

বাপেকে কেতিয়াবা কয়—"তই কোনো কাম কৰি টকা উপাৰ্জন কৰি খাব নোৱাৰিলে তুই এদিনৰ ভিতৰতে ঘৰৰ পৰা বাহিৰ হৈ যাবি। তোৰ নিচিনা লৰাৰ মোৰ প্ৰয়োজন নাই।" বাপেকৰ আক্ষেপ কিমান আশা বুকুত বান্ধি মাটি সম্পতি বিক্ৰী কৰিও ল'ৰা জনক B.A পাচ কৰালে। তেওঁ সপোন ৰচিছিল যে মোৰ বোপাই B.A পাচ কৰি হাকিম হব, উকিল, মুক্তাৰ হব, ঘৰত ডাঙৰ ডাঙৰ RCC Building সজাব আমি আৰামতে বুঢ়া বুঢ়ীয়ে বহি বহি খাই জীৱন কটাব পাৰিম। কিন্তু নিয়তিৰ কি পৰিহাস ডাঙৰ ডাঙৰ RCC Buildingৰ ঠাইত কোনোমতে দুই ভিটাত আকাশত থকা তৰাক গনিব পৰাকৈ দুখন খেৰৰ অট্টালিকা সজাই থাকিব লগীয়া হ'ল। বাপেকে ৰাতি বিছনাতে শুই শুই আকাশৰ তৰা গনি থাকে। আনফালে ল'ৰাৰ অন্ধকাৰময় জীৱনৰ কথা চিন্তা কৰি চকুলো টুকে। তেওঁ ভাবে যদি তেওঁৰ টকা পইচা থাকিলহেঁতেন তেন্তে যিকোনো প্ৰকাৰে ল'ৰা জনক এটা সু-ব্যৱস্থা কৰি দিলেহেঁতেন। কিন্তু সকলো যেন তেওঁলোকৰ বাবে বিপৰীত।

আনফালে ৰহিমৰ ঘৈণীয়েকে তাইৰ আস্বাদনৰ বস্তু বাহিনিৰ কাৰণে সদায় তেওঁৰ লগত খেচ খেচাই থাকে। তাইৰ কথা হ'ল ঘৰ খাবলৈ থাকক বা নেথাকক মোক মোৰ ব্যৱহাৰি বস্তুবোৰৰ যোগান ধৰিবই লাগিব। আচলতে তাইৰ এইবোৰ বস্তুৰ নিতান্ত প্ৰয়োজন কিয়নে বাপেকৰ ঘৰত যিবোৰ বস্তু ব্যৱহাৰ কৰি আহি সেইবোৰ বস্তুৰ লোভ তাই পৰিত্যাগ কৰি পৰা নাই। তাই কেতিয়াবা খং কৰি নিজৰ বেকা স্বামীক কয়—"তুমি মোৰ আস্বাদনৰ সামগ্ৰি বোৰ চুৰ কৰি হলেও যোগাৰ কৰি দিবই লাগিব। এজনী তিৰোতাক লাগতিয়াল বস্তুৰ যোগান ধৰি নোৱাৰা যদি বিয়া কৰিছা কেলেই? নিজ পুৰুষ এজনী তিৰোতাৰ আস্বাদনৰ বস্তুবো যোগান ধৰিব নোৱাৰে, তেওঁ নিজকে পুৰুষ বু কোৱা উচিত নহয়। এনেকৈ প্ৰত্যেক দি ঘৈণীয়েকেও নানা ধৰণৰ কটু মন্তব্য কৰি থাকে এইবোৰ কথাই তেওঁৰ অন্তৰ পুৰি ছাই হৈ যা যদিও একো মন্তব্য কৰিব নোৱাৰে। ৰহি তেওঁৰ নিজৰ দুৰ্বলতাৰ কথা বুজি পায় কাৰণে একো কব নোৱাৰে। সদায় সকলোৰে পৰা এ কটু মন্তব্য শুনি এদিনাখন স্কুলত গৈ প্ৰধা শিক্ষকৰ পৰা ছুটি লৈ গুৱাহাটী মহানগৰিত বি চলাবলৈ ওলাই যায়। বিক্সা চলাই তেওঁ মাহে কত পাঁচশৰ পৰা ছয়শলৈ আয় কৰি ঘৰ পঠায়। টকা পঠালে সকলোৱে মনে মনে ৰহিম ভাল পায়, কাৰণ সেই টকাৰে আৰামত কেইদি মান খাব পাৰে। ঘৈণীয়েকেও ভাল পায় তা কাৰণে আস্বাদনৰ বস্তু বাহিনিৰ যোগাৰ ঠিকমা দৰে। আনন্দ পায় কিন্তু বেচেৰীয়ে অনুভ নকৰে যে Graduation লোৱা তাইৰ স্বামী



নৱজ্যোতি মহাবিদ্যালয় আলোচনী

কিমান কষ্ট কৰি টকা উপাৰ্জন কৰি আছে। কিন্তু ৰহিমে দিনত সকলোৰে মাজত আনন্দত বিক্সা চলালেও ৰাতি যেতিয়া আৰামত বিশ্ৰাম লয় তেতিয়া তেওঁৰ ভৱিষ্যত জীৱনৰ কথা চিন্তা কৰি চকুলো টুকে। তেওঁৰ চকুৰ পানীত গাৰু তিতি যায়, কিন্তু তেওঁৰ এই বেদনা ঘৰৰ আন কোনোৱাই অনুভৱ নকৰে। তেওঁলোকে মাথোন টকা পঠালে আনন্দ অনুভৱ কৰে। তাৰ বাহিৰে চিন্তা কৰিব লগীয়া একো নাই।

ৰহিমে এই দৰে গুৱাহাটী মহানগৰিত বিক্সা চলোৱাৰ প্ৰায় চাৰি মাহ অতিবাহিত হৈ গ'ল। বিক্সা মাৰি মাৰি তেওঁৰ শৰীৰ জৈইৰ হৈ গৈছে যদিও হতাশ নহৈ আনন্দ মনেৰেই বিক্সা মাৰি থাকে। এদিনাখন বিক্সা মাৰি থাকোতে হঠাৎ দ্ৰুতগামী ট্ৰাক আহি বেকাৰ ৰিক্সাৱালাৰ ওপৰেদি পাৰ হৈ গল। তেওঁৰ থিতাতেই মৃত্যু হ'ল। তেওঁৰ মৃত্যুৰ খবৰ লাহে লাহে ঘৰত আহিল। এই নিৰ্মম খবৰ পাই সকলোৱে হুৰাওঁ ৰায়ে কান্দিলে। কিন্তু কান্দিলে কি হব? ৰহিম আৰু কেতিয়াওঁ ঘূৰি নাহে। ঘৰৰ অৱস্থা যদিও কিছুপৰিমাণে ঠনধৰি উঠিছিল বৰ্ত্তমান আকৌ বিলিন হৈ যাব ধৰিছে। কিমান দিন তেওঁলোকে কষ্ট কৰিব। এদিনাখন ভোকৰ তাড়নাত ৰহিমৰ ঘৈণীয়েকে ছোৱালী জনীক কোলাত লৈ ঘৰৰ এচুকেদি ওলাই যাবলৈ ধৰিলে আনফালে দি ৰহিমৰ দেউতাকে ভিক্ষাৰ জোলোঙা লৈ ওলাই গৈ বাট ধৰিলে।

## ঃঃ ব্যৰ্থ জীৱন ঃঃ

দীপকে আজি স্নাতকৰ প্ৰথম শাখাৰ পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰি কলংকৰ বোজা কঢ়িয়াই ফুৰিছে। দীপক নিচিনা দুৰ্ভগীয়া ছাত্ৰবোৰক এইখন সমাজে কেতিয়াও মৰম চেনেহৰ চকুৰে চাব নোৱাৰে। নোৱাৰে জীয়াই থকাৰ অকন সুবিধা দিবলৈ। আজি দীপকে জীৱনৰ আনন্দ পাবলৈ বিচাৰি নাপালে সংসাৰ মৰুভূমিত কোনো ভ্ৰমণ মৰুদ্যান।

বহুত কষ্ট কৰি পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলে দীপকে। ইয়াৰ ওপৰিও আৰ্থিক সমস্যাই তেওঁক জুকলা কৰি পেলালে। তেওঁৰ মূৰৰ ওপৰেদি বৈ যাব ধৰিলে প্ৰবল ধুমুহা। তথাপি

কিমান কষ্ট কৰি টকা উপাৰ্জন কৰি আছে। কিন্তু ৰহিমে দিনত সকলোৰে মাজত আনন্দত ৰিক্সা চলালেও ৰাতি যেতিয়া আৰামত বিশ্ৰাম লয় তেতিয়া তেওঁৰ ভৱিষ্যত জীৱনৰ কথা চিন্তা কৰি চকুলো টুকে। তেওঁৰ চকুৰ পানীত গাৰু তিতি যায়, কিন্তু তেওঁৰ এই বেদনা ঘৰৰ আন কোনোৱাই অনুভৱ নকৰে। তেওঁলোকে মাথোন টকা পঠালে আনন্দ অনুভৱ কৰে। তাৰ বাহিৰে চিন্তা কৰিব লগীয়া একো নাই।

ৰহিমে এই দৰে গুৱাহাটী মহানগৰিত ৰিক্সা চলোৱাৰ প্ৰায় চাৰি মাহ অতিবাহিত হৈ গ'ল। ৰিক্সা মাৰি মাৰি তেওঁৰ শৰীৰ জৈইৰ হৈ গৈছে যদিও হতাশ নহৈ আনন্দ মনেৰেই ৰিক্সা মাৰি থাকে। এদিনাখন ৰিক্সা মাৰি থাকোতে হঠাৎ দ্ৰুতগামী ট্ৰাক আহি বেকাৰ ৰিক্সাৱালাৰ ওপৰেদি পাৰ হৈ গল। তেওঁৰ থিতাতেই মৃত্যু হ'ল। তেওঁৰ মৃত্যুৰ খবৰ লাহে লাহে ঘৰত আহিল। এই নিৰ্মম খবৰ পাই সকলোৱে হুৱাওঁ ৰায়ে কান্দিলে। কিন্তু কান্দিলে কি হব? ৰহিম আৰু কেতিয়াওঁ ঘূৰি নাহে। ঘৰৰ অৱস্থা যদিও কিছুপৰিমাণে ঠনধৰি উঠিছিল বৰ্ত্তমান আকৌ বিলিন হৈ যাব ধৰিছে। কিমান দিন তেওঁলোকে কষ্ট কৰিব। এদিনাখন ভোকৰ তাড়নাত ৰহিমৰ ঘৈণীয়েকে ছোৱালী জনীক কোলাত লৈ ঘৰৰ এচুকেদি ওলাই যাবলৈ ধৰিলে আনফালে দি ৰহিমৰ দেউতাকে ভিক্ষাৰ জোলোঙা লৈ ওলাই গৈ বাট ধৰিলে।

# ঃঃ ব্যৰ্থ জীৱন ঃঃ

দীপকে আজি স্নাতকৰ প্ৰথম শাখাৰ পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰি কলংকৰ বোজা কঢ়িয়াই ফুৰিছে। দীপকৰ নিচিনা দুৰ্ভগীয়া ছাত্ৰবোৰক এইখন সমাজে কেতিয়াও মৰম চেনেহৰ চকুৰে চাব নোৱাৰে। নোৱাৰে জীয়াই থকাৰ অকন সুবিধা দিবলৈ। আজি দীপকে জীৱনৰ আনন্দ পসুৱাবলৈ বিচাৰি নাপালে সংসাৰ মৰুভূমিত কোনো ভ্ৰমণ মৰুদ্যান।

বহুত কষ্ট কৰি পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলে দীপকে। ইয়াৰ ওপৰিও আৰ্থিক সমস্যাই তেওঁক জুৰুলা কৰি পেলালে। তেওঁৰ মূৰৰ ওপৰেদি বৈ যাব ধৰিলে প্ৰৱল ধুমুহা। তথাপি

তেওঁ ( দীপক ) হাত সাৰটি বহি নাথাকি দুৰ্ভেদ্য প্ৰাচীৰ অতিক্ৰম কৰি, আগুৱাই গৈছিল তাৰ লক্ষ্যস্থানলৈ। জীৱন মুখৰ মৃগ তৃষ্ণাৰ পাছে পাছে সি দৌৰিছে আৰু দৌৰিছে হয়তো অকণ মান পোহৰ বিচাৰি। কিন্তু পোহৰ বিচাৰোতে সি এন্ধাৰৰ মাজত ক্ৰমে সোমাই পৰিল। সি ক্লান্ত হৈ পৰিল। সি আৰু পোহৰ বিচাৰি নাযায় কাৰণ পোহৰক আজি তেওঁৰ ভয় লাগে, আৰু ভয় লাগে এই পোহৰত জন্মলাভ কৰা পৃথিৱীৰ নকল মানুহবোৰক। কিন্তু কিয় ? কিয় দীপকৰ আজি এনে অৱস্থা হ'ল ? ইয়াৰ বাবে দায়ী কোন ? এইখন সমাজ নহয় জানো ? আজি তেওঁৰ ( দীপকৰ ) বুকুৰ মাজত জ্বলিছে একুৰা জুই। তাক নুমাবলৈ আপ্ৰাণ চেষ্টা কৰিছে। কিন্তু সেই চেষ্টা বৃথা। আজি তেওঁৰ কান্দন কোনেও নুশুনে। কাৰণ সি সমাজৰ আৱৰ্জনা স্বৰূপ। তেওঁ সমাজৰ কোনো কামত নলগা হৈ পৰিছে। কিন্তু সঁচা জানো এই কথা ? কিন্তু কিয় ? কিয় ? কিয় ?

তিনি বছৰ আগৰ কথা।

যৌৱনৰ দুৱাৰ দলিত থিয় দি ৰঙীনতে বহুতক ভাল পোৱাৰ দৰে দীপকেও অকণমান শান্তি বিচাৰি ভাল পাইছিল এজনীক। নাম তাইৰ ৰীতা। সঁচাকৈ ৰীতা বৰ নম্ৰ ছোৱালী। ৰীতা সম্ভ্ৰান্ত ঘৰৰ ছোৱালী হৈ দুখীয়াৰ প্ৰতি কেতিয়াও ঘৃণাৰ চকুৰে চোৱা নাছিল। সেয়ে দীপকে ৰীতাক বৰ মৰম, শ্ৰদ্ধা কৰিছিল। সিহঁতৰ ভাল পোৱা এক পবিত্ৰ ভাল পোৱা আছিল। তাত নাছিল কোনো কামনা বাসনাৰ স্পৃহা। আছিল মাথোন দুখনি পৱিত্ৰ হিয়া। সেয়ে দীপকে ৰীতাক ভনীৰ দৰে ব্যৱহাৰ কৰিছিল আৰু দেৱীৰ দৰে শ্ৰদ্ধা কৰিছিল। এনেকৈ দিনবোৰ অতিবাহিত হোৱাৰ ফলত লাহে লাহে দীপকৰ জীৱনলৈ এন্ধাৰ নামি আহিব ধৰিলে। তাৰ জীৱনত অশান্তি আহিব ধৰিলে। পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰি ঘৰৰ পৰা গলগ্ৰহ হোৱাটো বৰ পৰিতাপৰ কথা। আনফালে ঘৰৰ অভাৱ অনাটনৰ চিন্তাই তেওঁক বিয়াকুল কৰি তুলিলে। সেয়ে এদিন মনৰ বেজাৰত ঘৰৰ পৰা ওলাই গৈছিল মুক্তিৰ পথ বিচাৰি। কিন্তু কলৈ যাব ? কি কৰিব ? তাৰ জানো আশ্ৰয়ৰ স্থল আছে ? মুক্তিৰ পথ জানো সি বিচাৰি পাব ? নানা প্ৰশ্নই তাৰ মনৰ দাপোনত ভাহি উঠিব ধৰিলে। অৱশেষত তেওঁ ভাবিলে সি এনেকুৱা ঠাইলৈ যাবলৈ ওলাল য'ত নেকী কোনো অশান্তি নাই কেৱল মাত্ৰ চাৰিওফালে শান্তিৰ বিৰাজ মান।

কিন্তু হঠাৎ তেওঁৰ মনত পৰিল অতি মৰমৰ ৰীতা জনীক কাৰণ ৰীতাক তেওঁ খুব ভাল পায়। ৰীতাক দুখ দি সি জানো শান্তিৰে থাকিব পাৰিব। আকৌ মনত পৰিল ৰীতাৰ এখন চিঠিলৈ। চিঠিখনত লিখিছিল।

পূজনীয় দীপক দা,

প্ৰেমৰ বুলনিতে আপোনালৈ সঁচি থোৱা হেজাৰ মৰম আপোনালৈ প্ৰেৰণ কৰিছোঁ। আশা আৰু কামনা কৰো সাদৰেৰে গ্ৰহণ কৰিব। জানে দীপক দা আপোনাক মোৰ কিমান ভাল লাগে। তাক মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। আপুনি পৰীক্ষাত কৃতকাৰ্য্যতা হব পৰা নাই কাৰণেই দুখ নকৰিব, নহলে মই যে বৰ দুখ পাওঁ দীপক দা। দীপক দা আপুনি পৰীক্ষাত কৃতকাৰ্য্যতা লাভ কৰিব পৰা নাই ইয়াৰ বাবে দায়ী আপুনি নহয়। ইয়াৰ বাবে দায়ী এইখন সমাজ। এই খন সমাজৰ নানা সমস্যা। তথাপি চেষ্টা কৰিব লাগিব, চেষ্টাৰ অসাধ্য কোনো কাম নাই। বহুতো লিখি আপোনাক বিৰক্তিহে দিলো, ক্ষমা কৰিব। আজিলৈ সামৰিছো। ইতি

আপোনাৰ মৰমৰ ৰীতা

দীপকে চিঠিখন পঢ়ি বুকুৰ মাজত সাৱটি ললে আৰু প্ৰতিজ্ঞা কৰিলে জীয়াই থকাৰ বাবে। প্ৰতিজ্ঞা কৰিলে এইখন সমাজত দুখ দৈন্যতা দূৰ কৰাৰ বাবে। সেয়ে তেওঁ অসীম আশা বুকুত বান্ধি সাজু হ'ল দুনাই।

দীপক ছাত্ৰ বাসৰ ৬ নম্বৰ কোঠাৰ ছাত্ৰ। ছাত্ৰ বাসত থকা সময়ত এদিন হঠাৎ তেওঁৰ হৃদযন্ত্ৰত ৰক্তৰ চাপ বাঢ়ি যায় তেতিয়া লগৰীয়া ছাত্ৰ বন্ধু সকলে নানা ঔষধ পাতিৰ ব্যৱস্থা কৰি দিয়া সত্বেও তেওঁৰ অসুখ কোনো প্ৰকাৰে আৰোগ্য হোৱাৰ সম্ভাৱনা দেখা নগল। তথাপি ঔষধ পাতিৰ ব্যৱস্থা চলিয়ে থাকিল। তৃতীয় দিনা অসুখৰ আকৃতি বিকৃত ৰূপ ধাৰণ কৰিলে। তেতিয়া দীপকে অসহ্য যন্ত্ৰনাত থাকিব নোৱাৰি—"আ……মৰিলো" ছট ফটাবলৈ ধৰিলে। তেতিয়া ৰীতাই দীপকৰ মুখখনত ধৰি কান্দি কান্দি কবলৈ ধৰিলে দীপক দা এয়া মই আপোনাৰ ওচৰত দীপক দা, আপোনাৰ মৰমৰ ৰীতা এবাৰ চকুৰে চাওঁক দীপকদা এবাৰ কথা কওক এবাৰ ৰীতাক দুটোপাল তপত চকুলো দীপকৰ মুখত বাগৰি পৰিল। দীপক এবাৰ চকুমেলি চালে……… সি হতবাক হ'ল ……… সি এতিয়া ক'ত ? হেৰাই গল স্মৃতি পাহৰি গল নিজৰ সত্বা। কেৱল দুগালে দুধাৰী বাগৰি গল তপত চকুলো। ৬ নম্বৰ কোঠাৰ ভিতৰৰ এখন শেতেলীত শুই আছে দীপক।

দীপকৰ বিছনাত বহি ৰীতাই কান্দি কান্দি অতীতৰ বহুত কথাই কলে, দীপকে মাথো শুনিছিল আৰু তপত চকুলো বোৱাইছিল। দীপকদা আপুনি কিয় আত্ম হত্যা কৰা বুলি চিঠি দিছিল। ৰীতাই আৰু কব নোৱাৰিলে, হুক হুকাই কান্দি দিলে। তেতিয়া দীপকে ৰীতাক এখন কাগজৰ টুকুৰা দিলে। ৰীতাই খুলি চাই দেখে তাইলৈ লিখা এখন চিঠি।

মৰমৰ ৰীতা,

প্ৰথমে মোৰ আন্তৰিক মৰম লবা। আজি বহুত দিন হ'ল তোমাক দেখা নোপোৱাৰ বাবে মনত বৰ দুখ লাগিছে। অন্তৰখন কান্দি আছে। আজি মোৰ সুদূৰ অতীতৰ করুণ স্মৃতি বোৰ মানস পটত ভাহি উঠিছে। মহাবিদ্যালয়ত ভৰ্ত্তি হৈ ভাবিছিলো এদিন বিশ্ব বিদ্যালয়ৰ ডিগ্ৰী লাভ কৰি এইখন সমাজৰ দুখ দৈন্যতা দূৰ কৰি পৰিয়ালৰ প্ৰাণী কেইটা উন্নত কৰিম। কিন্তু মোৰ সেই কল্পনা বাস্তৱত পৰিণত কৰিব নোৱাৰিলো। সকলো আশা মোৰ মিছা হৈ গ'ল ৰীতা।

ৰীতা মই কোনো দিন কাৰো আগত দুখৰ কথা ব্যক্ত কৰা নাছিলো, কাৰণ মোৰ কথা কোনেও নুশুনে। আজি তোমাক সকলো কথা জনালো, অন্তত তুমি বুজিবা ৰীতা মই জীৱনত কিমান দুখ পাইছো, মই কল্পনাই কৰিব পৰা

নাছিলো জীৱনত ইমান দুখ পাম বুলি। মই ঘৰৰ পৰা ওলাই গৈছিলো জীৱনৰ পৰিসমাপ্তি ঘটাবলৈ কিন্তু নোৱাৰিলো একমাত্র তোমাৰ বাবে। আকৌ জীয়াই থকাৰ প্ৰয়াসেৰে এই পথ বাচি ললো। ইয়াতো মই নোৱাৰিলো ব্যৰ্থ জীৱনৰ পৰিসমাপ্তি ঘটাবলৈ ভগৱানে আজি তোমাৰ ওচৰত পঠাইছে তুমি মোক বিদায় দিয়া, ৰীতা তুমি মোক বিদায় দিয়া। আজি মাক জীয়াই থকা সত্বেও বিদায় মূহুৰ্ত্তত মাৰ আশীৰ্ব্বাদ লব নোৱাৰিলো। মই সঁচা কৈয়ে বৰ দূৰ্ভগীয়া। ৰীতা তোমাৰ ওচৰত অজানিতে যদি কিবা দোষ কৰিছো অজলা দীপক দা বুলি ক্ষমা কৰিবা। ইতি,

তোমাৰ মৰমৰ দীপক

ৰীতাই চিঠিখন পঢ়ি দীপকক সাৱটি ধৰিলে দীপকদা আপুনি এবাৰ কথা কওঁক দীপক দা। ঘন ঘনে কৈ উশাহ লৈ কলে "বিদায় দিয়া ৰীতা, বিদায়" ৰীতাই দীপকৰ মুখখনত ধৰি অনুশোচনাত কান্দি কান্দি কলে দীপকদা তুমি এবাৰ চকু মেলি চোৱা, এবাৰ কথা কোৱা এ······বা······ৰ।

শেখ আঃ মান্নাফ
স্নাতক ৩য় বৰ্ষ

## ঃঃ গাধ ঃঃ (গল্প)

ভগৱান শুই আছিল। ভোলানাথে বেগাই খোজ কাঢ়ি গৈ ভগৱানক চিঞৰি চিঞৰি মাতিব ধৰিলে। ভগৱানে চকু মেলি চালে—"কোন?"

—"মই ভোলানাথ।"

—"ভোলানাথ?" "তোমাৰ ডিঙিত সাপ মেৰুৱা নাই, শৰীৰত চিতাভষ্ম সানি লোৱা নাই, তোমাৰ সেই আঠিয়া কলৰ ডোনাৰ দৰে ডাঙৰ পেটটোও নেদেখিছো। তোমাৰ এনেকুৱা হাড়ে ছালে লগা চেহেৰা হ'ল কেনেকৈ?"

—"প্ৰভু মই স্বৰ্গৰ ভোলানাথ "শিৱ" নহওঁ। মই ভোলানাথ বেনাৰ্জী। পৃথিৱীৰ পৰা নৰ্কৈ আহিছো।"

—"অ, তাকে কোৱা। পিছে কি লাগে নৌ তোমাক?"

—"শুনিছো পিছৰ জনমত মই হেনো গাধ হৈ জন্মিম। সচানে প্ৰভু?"

—"এৰা হয়।"

—"কিয়?"

—"তোমাৰ কৰ্মফলৰ বাবে তুমি গাধ হবা।"

—"মইতো কোনো দিন কোনো কু কৰ্ম কৰা নাই প্ৰভু।"

—"কি কাম কৰিছিলা?"

—"প্ৰভু এটা চৰকাৰী অফিচত চাকৰি কৰিছিলো। গোটেই দিন মই হাড়-ভঙা পৰিশ্ৰম কৰিছিলো। পূৱা আৰু সন্ধিয়া আপোনাৰ নাম গান গাইছিলো।"

—"অফিচত ঘোচ লৈছিলা?"

—"নাই লোৱা প্ৰভু। ইচ্ছা কৰিলে লব পাৰিলো হেতেন। কিমান মানুহে মোক ঘোচ দিব বিচাৰিছে। কিন্তু মই চিৰকাল সৎপথত কটাইছো।"

—"তেনেহলে পিছৰ জনমত তুমি গাধ হৈ জন্মিবা কোনো উপায় নাই।"

—কিয়? মনুষ্য জনমৰ পিছত গাধৰ জন্ম কিয় হব?"

—"তৰ্ক নকৰিবা। যি মানুহে মানৱ জনমত গাধৰ দৰে আচৰণ কৰে, সি পিছৰ জনমত গাধ হবই লাগিব। তুমি অনায়াসে ঘোচ লৈ আৰামেৰে জীৱন কটাব পাৰিলাহেতেন। কিন্তু তুমি সেই সোনালী সুযোগ গ্ৰহণ নকৰি কষ্ট কৰি দিন কটাইছা। মই তোমাৰ ভাগ্যত সুখ লিখিছিলো। সুখত থকাৰ বাবে ব্যৱস্থাও কৰিছিলো। কিন্তু তুমি গোটেই জীৱন গাধৰ দৰে অকল দুখৰ বোজা বহন কৰি গৈছা। এতিয়া আৰু কোনো উপায় নাই। পিছৰ জন্মত তুমি গাধ হবই লাগিব।"

ভগৱানৰ কথা শুনি ভোলানাথে ভয় খালে। লগতে দুখও পালে। ইচ্ছা থকা সত্বেও অধৰ্ম হব বুলি ভাবি তেওঁ কোনো দিন ঘোচ লোৱা নাই। মৃত্যুৰ আগ দিনা খনো এজন ব্যৱসায়ীয়ে তেওঁক এহেজাৰ টকা ঘোচ দিব খুজিছিল। টকা খিনি নলৈ তেওঁ বিনা চিকিৎসাতে মৰিলে। ঘৈণীয়েক ল'ৰা ছোৱালী সকলোৱে কষ্টত গোটেই জীৱন কটাইছে, কিন্তু···············

—"কি ভাবিছা?" ভগৱানে সুধিলে।

ভোলানাথে একো উত্তৰ নিদিলে। ভগৱানে আকৌ সুধিলে—"তুমি গোটেই জীৱন সৎপথত আছিলা নেকি?"

ভোলানাথৰ দুচকুৰেদি টপ টপকৈ পানী বাগৰি আহিল। চকুলোৰে তেওঁৰ চোলা তিয়ালে। ফিৰফিৰিয়া বতাহত ভোলানাথে জাৰত কঁপিব ধৰিলে। কঁপোতে কঁপোতে তেওঁৰ চকু মেল খালে।

তেওঁৰ চকু মেলি দেখিবলৈ পালে তেওঁৰ ঘৰৰ টালি ফুটা হৈ বৰষুণৰ পানী পৰিছে। বিছনাত পানী ভাহি গৈছে। জাপ মাৰি তেওঁ বিছনাত উঠি বহিল।

# ঃঃ ধৈৰ্য্য ঃঃ

ছাত্ৰ-ছাত্ৰী বিলাকে মোক কয় আনি আলোচনী বাহিৰ কৰিম আপুনি তাত নিশ্চয় এটা গল্প নহলে কবিতা দিব লাগিব। সেইবাবে মই বহী কলম লৈ বহো কিবা কিবি লিখিবলৈ কিন্তু লিখাৰ ধৰণটো হৈ নুঠে। একোবাৰ চিন্তা কৰি কৰি টোপনীয়ে যাও টেবুলৰ ওপৰত মুৰটো থৈ আকৌ এবাৰ চকখাই উঠো আৰু ভাবো কি লেখিম নাতিও বহুত হ'ল তথাপি মোৰ একো লিখা নহল। এনেতে মোৰ হঠাৎ মনত পৰিল আমাৰ গাওঁৰ কল্পনাৰ কথা। তেতিয়া মনটো স্থিৰ কৰিলো কল্পনাৰ জীৱনি লিখাত।

কল্পনা এজনী গাঁৱলীয়া ছোৱালী। তাই দেখাত সিমান ভাল নহয় যদিও একেবাৰেও পেলোনীয়াও নহয়। তাইৰ নাম যেনে কল্পনা ঠিক তাইৰ জীৱনটোও তাই কল্পনা কৰি কৰিয়েই পাৰ কৰিলে। তাই সৰুৰে পৰা পঢ়া শুনাত বৰ চোকা। অংকতে বেছি পাৰ্গত। শিক্ষক সকলে তাইক বৰ ভাল পায়। তাই এজনী মেধাবী ছাত্ৰী। কল্পনাৰ ঘৰৰ অৱস্থাও চহকী। তাইৰ দেউতা বগীৰাম এজন অশিক্ষিত সহজ সৰল মানুহ। বগীৰামে তাইক বৰ মৰম কৰে। কল্পনাৰ দাদা এজন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অংক বিভাগত অধ্যাপনা কৰে। তাই যেতিয়া H.S.L.C পৰীক্ষাত অংকত লেটাৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল, দাদাই তাইক ওচৰৰে উচ্চতৰ মাধ্যমিক বিদালয়ত ভৰ্ত্তি কৰালে। তাইক কলা শাখাত ভৰ্ত্তি কৰিছিল। তাইৰ বিজ্ঞান শাখাত পঢ়িবৰ ইচ্ছা হৈছিল কিন্তু দাদাই তাইক কৈছিল যে তাইক English অনাৰ্চ লৈ পঢ়াব বুলি। সেই বাবে তাই কলা শাখাতে বৰ আনন্দ মনে পঢ়িবলৈ ধৰিলে। এতিয়া তাই যৌৱন কালত ভৰি দিলে। চাৰিও পিনৰ পৰা চকুচাহা মানুহে তাইৰ ঘৰত চাপ দিব ধৰিলে তাইক বিয়া দিব লাগে তাই এতিয়া ডাঙৰ হৈছে। বিয়াৰ কথা শুনি শুনি তাইৰ মন ভাগি গ'ল তাই এতিয়া কি কৰে কোনো পথ বিচাৰি নাপায়। তাই উপায় নাপায় কলে মই M,A পাছ কৰা নহলে বিয়াত নবহো। কাৰণ তাৰ ওচৰে পাজৰে আৰু M.A পাছ মানুহ নাছিল। এই বুলি আশ্বাস দি দি তাই H.S.C পৰীক্ষাতো ভাল দৰেই উত্তীৰ্ণ হ'ল। এতিয়া বগীৰামে বৰ সমস্যাত পৰিল কল্পনাক কলেজত দিব লাগে বুলি। বগীৰামে ভাবিলে যে এতিয়া তাই ডাঙৰ হৈছে তাতে গাৱলীয়া ছোৱালী কেনেকৈ কলেজত যাব। গতিকে তাইক বিয়া দিব লাগে। ভগৱানৰ কি কাম ঠিক সেই সময়তে তাইৰ পঢ়া স্কুলতে এজন নতুন ইংৰাজীৰ অধ্যাপক আহিল। মানুহজন দেখাত ধুনীয়া। মানুহজনে আমাৰ ছাৰ হঁতক ফুছলাব ধৰিলে। যে তেওঁৰ এজনী ফাষ্ট ডিভিজন পোৱা ছোৱালী লাগে। শিকক সকলে





আৰু দিশগুণ নিবিচাৰি কল্পনাকে দেখুৱাই দিলে। সেই দেখি তেওঁ কল্পনা হতৰ ঘৰলৈ অহা যোৱা কৰিব ধৰিলে। তেওঁৰ নাম আছিল কৃষ্ণৰাম পাল। কৃষ্ণই তাইৰ ঘৰলৈ যায় আৰু কল্পনাৰ লগত হাঁহি তামোচা কৰি থাকে। তেওঁ তাইক জনালে যে তোমাক মই বিয়া কৰাম। কল্পনাই তেওঁক কলে মই কেনেকৈ স্বামী বুলি গ্ৰহণ কৰিম যিহেতু আপুনি মোৰ শিক্ষক। কৃষ্ণই তাইক জীৱনতকৈ বেছি ভাল পায় বুলি কলে। তেতিয়া তাই মান্তি হ'ল। ঘৰৰ সকলোয়ে দেখিলে যে লৰাজন দেখাত যেনে ঠিক বিদ্যাতো তেনে গতিকে আগ গুৰি নাভাবি বিয়া দি দিলে। কৃষ্ণই বিয়া কৰি তাইৰ ঘৰতে থাকিবলৈ ললে। বিয়াৰ পিছত কৃষ্ণই তাইক বৰ মৰম কৰে কাৰণ কল্পনা এজনী মৰমিয়াল ছোৱালী। কৃষ্ণৰ ব্যৱহাৰত তাইৰ মা - দেউতাই বৰ সুখী। কিন্তু যেতিয়া কৃষ্ণই তেওঁৰ চাকৰি কল্পনাৰ ঘৰ নগৰবেৰাৰ পৰা কৃষ্ণৰ ঘৰ বৰপেটালৈ বদলি কৰি আনিলে তেতিয়া কল্পনাৰ জীৱনত কি পৰিবৰ্তন আহিল তাৰ বিষয়ে অলপ কওঁ শুনক।

জীৱনৰ কল্পনাই কৃষ্ণৰ লগত বিশৃংখলতা আহিল কাৰণ কৃষ্ণ এজন সুশিক্ষিত যদিও চৰিত্ৰ বেছি ভাল নহয়। তেওঁৰ মা দেউতা কোনো নাই। সিহঁতে আগতে বৰ দুখীয়া আছিল। কৃষ্ণই যেতিয়া মেট্ৰিক পাছ কৰে তেতিয়া এজনী বনিতা নামৰ ছোৱালী বিয়া কৰালে। বনিতাৰ মা-দেউতা দুখীয়া যেতিয়া কৃষ্ণই বনিতাৰ বিয়া কৰায় তেতিয়া বনিতাৰ দেউতাকৰ লগত প্ৰতিশ্ৰুতি আছিল যে কৃষ্ণৰ পঢ়াৰ খৰচ দিব লাগিব। কিন্তু বিয়াৰ পিছত বনিতাৰ দেউতাকে এই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে। যাৰ ফলত কৃষ্ণই বনিতাক এৰি দিলে। তেওঁ তাৰ এবছৰ পিছত প্ৰণীতা নামৰ ছোৱালীক বিয়া কৰালে।

বিয়াৰ এবছৰ পিছত প্ৰণীতাৰ এজন ল'ৰা জন্ম হ'ল। কিন্তু দুভাগ্য বশতঃ লৰাজন জন্ম পায়েই মৃত্যু হ'ল। ল'ৰাজনে প্ৰণীতাৰ দুভাগ্য কৰিয়াই আনিলে যাৰ ফলত দ্বিতীয় বাৰ আনজন ল'ৰাৰ জন্ম পাওতে ল'ৰাক এৰি প্ৰণীতাই ইহসংসাৰ ত্যাগ কৰিলে। প্ৰণীতা মৰিল ল'ৰাজন জীয়াই থাকিল। ল'ৰাজনৰ নাম ৰখা হ'ল বাবুল। বাবুলক অশেষ কষ্ট কৰি কৃষ্ণই মানুহ কৰিলে। বাবুল এতিয়া সপ্তম মানৰ ছাত্ৰ। বাবুল যেতিয়া অলপ ডাঙৰ হ'ল কৃষ্ণই আকৌ বিজুলি নামৰ ছোৱালীক বিয়া কৰে। বিজুলি বৰ ধনী ঘৰৰ ছোৱালী। যাৰ ফলত তেওঁ দুখীয়া কৃষ্ণক ভাল নোপোৱা হ'ল। তাৰোপৰি কৃষ্ণৰ চাৰিত্ৰও বেছি ভাল নহয়। সেই দেখি এবছৰৰ ভিতৰতে সিহঁতৰ মাজত বিশৃংখলা আহি পৰে। বিজুলি গৰ্ভৱতী হ'ল। তথাপি শিহতৰ মাজত মিলা প্ৰীতি গঢ়ি নুঠিল। এইদৰে অমিলৰ মাজতে দুয়ো দুয়োকে এৰি দিলে। তথাপি বিজুলিয়ে কৃষ্ণৰ নামত কেচ কৰিলে। এৰি যোৱাৰ দুই মাহ পিছত তেওঁৰ এটা ল'ৰা জন্ম হ'ল। বিজুলিয়ে কৃষ্ণৰ পৰা একে বাৰে বিদায় ললে। তথাপি কৃষ্ণই ইনান কষ্টৰ মাজতে তেওঁৰ পঢ়া-শুনা ঠিক ৰাখি-

ছিল। এই খিনিতে মই কৃষ্ণৰ আগৰ কথা সামৰিলো।

বৰ্ত্তমান কৃষ্ণ ইংৰাজীত M.A পাছ কৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যাপক নিযুক্তি হ'ল। কল্পনাৰো কৃষ্ণৰ লগত বিয়া হ'ল আগতে কৈ অহাৰ দৰে। কল্পনাৰ বিয়াৰ আগতে কৃষ্ণৰ জীৱনৰ ঘটনা বিলাক কোৱা নাছিল। কৃষ্ণৰ বিষয়ে এই ঘটনা বোৰ শুনি বৰ চিন্তান্বিত হ'ল কল্পনাই। কৃষ্ণই ক্ৰমান্বয়ে কল্পনাক ভাল নোপোৱা হ'ল। কল্পনাই চিন্তা কৰি কৰি শুকাই ক্ষীনাই গ'ল। কৃষ্ণই আকৌ বিয়া কৰাব বুলি কল্পনাক জনালে। তাই একেবাৰে মৰি যোৱাৰ নিচিনা হ'ল এইবোৰ কি কয়? এনেকুৱা মানুহ তেওঁ কতো দেখা নাই। সচাঁকৈ কৃষ্ণই অল্পনা নামৰ ধুনীয়া অশিক্ষিত ছোৱালী এজনী বিয়া কৰালে। অল্পনাৰ বৰ আনন্দ, কিয়নো তাই অশিক্ষিতা, তাই M.A পাছ স্বামী পাইছে কিন্তু ইপিনে কল্পনাৰ দুখে কুলাই পাচিয়ে নধবা হ'ল। তাই এজনী উচ্চ শিক্ষিতা ছোৱালী হৈও ইমান কষ্ট ভোগ কৰিব লগা হ'ল। তাইৰ ইমান কষ্ট হৈছিল যদিও তাই ধৈৰ্য্য হেৰুৱা নাছিল। বেচেৰীয়ে কষ্টৰ মাজতে দৃঢ় প্ৰতিজ্ঞ হ'ল যে M.A পাছ কৰিব আৰু ইয়াৰ প্ৰতিশোধ লব। সচাঁকৈ ভগৱানে তাইৰ কথা শুনিলে আৰু তাই M.A পাছ কৰিলে। তাই এতিয়া কলেজত চাকৰি কৰে। তাই এতিয়া নিজৰ ভৰিত থিয় দিব পৰা হ'ল। এতিয়া কৃষ্ণই তাইক বৰ ভাল পায়। কথাতে কয় নহয় বোলে ৰূপে কি কৰে গুণেহে সংসাৰ তৰে। এতিয়া কল্পন ই সজীৱ হৈ উঠিল তাইৰ স্বাস্থ্যও ভাল হ'ল। তাইৰ মুখত আৰু সেই বিষাদৰ ছাঁ নাই। এতিয়া মই তাইৰ ঘৰত গৈ থাকো আৰু কল্পনাৰ লগত সুখ দুখৰ কথাবোৰ আলোচনা কৰো। কল্পনাই মোক কয় ধৈৰ্য্য ধৰিবা কোনো এটা কাম কৰোতে তেহে জয়লাভ কৰিবা। কিয়নো ধৈৰ্য্যই হ'ল জীৱনৰ চাবি কাটি। ভগৱানে ধৈৰ্য্য কাৰীক ভাল পায়। এই খিনিতে মই মোৰ গল্প খিনিক সামৰণি মাৰিছোঁ।





# নাৰীৰ সৌন্দৰ্য্য

মানুহ চিৰকাল সৌন্দৰ্য্যৰ উপাসক। দেৱতাৰ উপাসনাতকৈ সৌন্দৰ্য্য উপাসনাত কৃত্ৰিমতা বেছি দেখা যায়। ৰিণি ৰিণি দেখা দূৰণিৰ বিমোহিনী ৰূপ কুৰৱী প্ৰাণৰ নিজান ঠাইত যেতিয়া সঙ্গোপনে দেখা দিয়েহি, প্ৰাণ তেতিয়া সঙ্গ সুখত আপোন পাহৰা হয়। কিন্তু সেয়া হলেও সচৰাচৰ মানৱ গোষ্ঠীয়ে ইয়াৰ এটা তাৎপৰ্য্যপূৰ্ণ বিশ্লেষণ আগবঢ়াব পৰা নাই। সাধাৰণতে মানুহে এই সৌন্দৰ্য্য কৃত্ৰিমতা হানে; কিন্তু সজ্জিত ৰূপত গঢ় দিব নোৱাৰে।

বাহ্যিকভাৱে প্ৰত্যেকজন ব্যক্তিয়ে সৌন্দৰ্য্যক জীৱনৰ অমিয়া ৰূপত আকোৱালি ললেও প্ৰত্যেকৰ কাজত আধ্যাত্মিক অনুদানৰ অভাব। সেয়ে সৌন্দৰ্য্যৰ তাৎপৰ্য্যপূৰ্ণ অৰ্থ আগবঢ়োৱা বাধাগ্ৰস্ত হৈছে। কিন্তু ঋষি মুণি সকলো সুন্দৰৰ মাজত লুকাই থকা সত্যক বুজি পায় আৰু সেই হিচাপে ইয়াৰ বিশ্লেষণাত্মক বৈশিষ্ট মুল্যায়ন কৰিব পাৰে। সেয়ে তেওঁলোকৰ মতে সুন্দৰতাই ঈশ্বৰ পৰায়ণ। যতেই সুন্দৰৰ ছায়া বিৰাজমান ততেই ঈশ্বৰৰ অৱস্থিতি। অৰ্থ্যাৎ মানুহে মানুহৰ প্ৰতি সদয় হোৱা এজনৰ অভাৱ আনজনে বুজি পোৱা, আনৰ স্বাৰ্থৰ প্ৰতি উদাৰতা দেখুৱা এই সকলোবোৰৰ মাজত সুন্দৰতা লুকাই থাকে। যদি এই সকলোবোৰ মানুহৰ মাজত থিতাপি লয়, তেন্তে সামগ্ৰীক ভাৱে এই পৃথিৱীখনেই সৌন্দৰ্য্যৰ প্ৰতীক স্বৰ্গৰ প্ৰতিৰূপ হিচাপে প্ৰতিফলিত হব।

সাধাৰণ মানুহ প্ৰবৃত্তিৰ দাস। তেওঁলোক প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত হয়। এওঁলোক কৃত্ৰিম সৌন্দৰ্য্যৰ দ্বাৰা পীড়িতহৈ সৌন্দৰ্য্যৰ প্ৰকৃতি ব্যাখ্যাক বিনষ্ট কৰিছে। অকল ইমানেই নহয় নাৰী বা নাৰীৰ সৌন্দৰ্য্যই যে নাৰী জাতিৰ বৈৰী সেয়া প্ৰত্যেকজন পুৰুষৰেই কলা-কৃষ্টি তথা বাহ্যিক দৃষ্টিত তাৰেই স্পষ্ট প্ৰতিফলন।

কবি সকলোৰ ক্ষেত্ৰত ই সম্পূৰ্ণ ওলোটা তেওঁলোক অন্তৰ দৃষ্টি সম্পন্ন লোক। এওলোক প্ৰকৃত্তিৰ দ্বাৰা পৰিচালিতহৈ কৃত্ৰিমতাক পছন্দ নকৰে। নাৰীৰ সৌন্দৰ্য্যত সাধাৰণ মানুহ বলীয়া হয় আৰু তাক ভোগ কৰাৰ বাবে প্ৰৱণতা বাঢ়ি যয়। কিন্তু কবি বা দাৰ্শনিক সকলে নাৰীৰ অপৰূপা লাৱণ্যময়ী সৌন্দৰ্য্যক প্ৰশংসা কৰি নৈতিকতাৰ সৌষ্ঠৱ বঢ়ায়। উদাহৰণ হিচাপে ৰঘুনাথ চোধুৰীৰ ছায়া চিত্ৰ, কবিতাৰ কথা উল্লেখ কৰিব পাৰি। তেওঁৰ 'ছায়া চিত্ৰ' নামৰ কবিতাৰ এজনী অপৰূপা লাৱণ্যময়ী সৌন্দৰ্য্যৰ গৰাকী কাল্পনিক ছোৱালীকৈলে যিখন ছন্দময়ী কবিতাৰ সৃষ্টি কৰিছে সি পাঠক পাঠিকাৰ মাজত এক আধ্যাত্মিকতাবাদৰ সুস্পষ্ট নিদৰ্শনহৈ আছে।

সি যিয়েই নহওক নাৰীৰ সৌন্দৰ্য্যৰ সংজ্ঞাকৈলে নানা মুণিৰ নানা মত। কিন্তু সাহিত্যদৰ্পন মানি যেনেকৈ সাহিত্যৰ ৰস গ্ৰহণ নহয় ঠিক তেনেকৈ

সৌন্দৰ্য্য তত্ব বিশ্লেষণকলৈ সৌন্দৰ্য্য বিচাৰ নহয়। সুন্দৰৰ লক্ষ্যণকলৈ ইমান মতভেদৰ পৰা জানিব পৰা যায় যে সুন্দৰ অসুন্দৰৰ সীমাৰেখা যদি কোনোবাই নিৰ্ধাৰণ কৰিব পাৰে তেনে হলে সেয়া 'মন'। শুভ অশুভ সুন্দৰ অসুন্দৰ সৃষ্টিয়ে নহল হয়, যদিহে 'মন' নাথাকিল হয়। সুন্দৰৰ সংজ্ঞ সম্পৰ্ক হ'ল মনক ধৰা দিয়া। এজনৰ চকুত যি অপৰূপ আন এজনৰ চকুত সেই অপৰূপ শব্দ টোৱে বিপৰীতৰূপেও দেখা দিব পাৰে। সেয়ে সুন্দৰক অৰ্থপূৰ্ণ কৰিব খুজিলে, প্ৰত্যেক মানুহক স্বতন্ত্ৰ মনোভাৱৰ কথাকেই কব পাৰি। সেয়ে সময়ৰ লগে লগে সলনি সুন্দৰক দেখা অথবা সুন্দৰক উপলব্ধি কৰা। সুন্দৰ অসুন্দৰৰ সীমা-ৰেখা চলিত জীৱনত কোনেও পোৱা নাই নেপা-য়ো। সেয়ে চিনি নপোৱা পৃথিৱীখনেই প্ৰবৃত্তিৰ দাস হিচাপে অস্থিৰ হৈ আছে।

কালিদাসৰ আমোলত সুন্দৰীৰ আদৰ্শ আছিল তন্ব শ্যামা শিখৰিদৰ্শন,। অজন্তাৰ আদৰ্শতকৈ আগৰ যুগৰ আদৰ্শ সুন্দৰৰ পৰা পৃথক হ'ল। মোগলানী আহি সুন্দৰীৰ আদৰ্শ ওলোটাই দিলে আৰ্টলৈ। যুগৰ পৰা যুগ-যুগান্তৰলৈ সুন্দৰীৰ সংজ্ঞা যে সলনি হ'ল। তাৰ কাৰণ প্ৰশ্নৰ অন্তৰালত। কাৰণ এটা যুগৰ পুৰুষে নাৰীক চাব বিচাৰিছে বেলেগ বেলেগ ৰূপত। ভাৰতীয় সাহিত্যৰ আদি গ্ৰন্থ ঋক বেদৰ পৰা আদি কৰি ৰামায়ণ, মহাভাৰত, পুৰাণ, ধৰ্মশাস্ত্ৰ, স্মৃতিশাস্ত্ৰ, কাব্য, নাটকআদি সাহিত্যৰ শাখাত যিফালেই নাৰীৰ চিত্ৰ আছে সেই ফালে পুৰুষৰো চিত্ৰ অঙ্কিত হৈছে।

> " একমাত্ৰ বিধাতাৰ সৃষ্টি নহয়, তুমি নাৰী
> পুৰুষে সাজিছে তোমাৰ সৌন্দৰ্য্য সঞ্চাৰি
> আপোন অন্তৰেৰে।"

কবিৰ এই উক্তি সচাকৈয়ে সত্য। শিল্পত ৰূপায়িত নাৰী পুৰুষ কল্পলোকৰ প্ৰতিমা।

প্ৰচলিত ধাৰণাত বহুতেই মন কৰে যে প্ৰাচীন কালত ভাৰতত নাৰীৰ স্থান সকলোৰে ওপৰত আছিল। পৰৱৰ্তী কালত বিভিন্ন সামাজিক কাৰণত নাৰীৰ স্থান তললৈ নামিছে। কিন্তু প্ৰাচীন ভাৰতৰ সাহিত্য অনুপুঙ্খৰ অনুসন্ধানে অন্য তথ্যৰহে ইঙ্গিত দিয়ে। মৈত্ৰায়নি সাহিত্যত স্পষ্ট উল্লেখ আছে যে — নাৰী অশুভ। শতপথ ব্ৰাহ্মণে যজ্ঞৰ সময়ত কুকুৰ, শুদ্ৰ আৰু নাৰীৰ ফালে দৃষ্টিপাত নকৰিছিল। তৈত্তীৰিয় সংহিতাত উল্লেখ আছে 'তস্মাত্ব হস্ত্ৰীয় ভোগামেয় হায়ৰন্তে' অৰ্থাৎ সম্ভোগ আনে। পৰৱৰ্তী কালৰ গৌতম ধৰ্মসূত্ৰৰ বিধান, পশুভূমিস্ত্ৰী পামনিত ভোগ। ইয়াৰ তাৎপৰ্য্য হয় পশু, ভূমি আৰু নাৰীৰ মাজত ভোগক সীমিত কৰি ৰখা উচিত। ভোগৰ তালিকাত নাৰী বাৰ বাৰ অন্তৰ্ভুক্ত সেয়ে দক্ষীনাৰ তালিকাতো নাৰীয়ে স্থান পায় বহু যজ্ঞ, নানা স্তৰৰ নাৰী দক্ষীণা, অনুঢ়া, অপ্ৰসুতা সন্তানৱৰ্তী। নাৰী সম্পত্তি সেয়ে পাশা খেলত নাৰীক পন ৰখা হৈছিল। এই ঘটনা একুমাত্ৰ মহাভাৰতৰে নহয় ঋক বেদতো ইয়াৰ ইঙ্গিত পোৱা যায়। মহাভৰত পুৰাণ আদিত দেখা যায় যে অতিথি সৎকাৰ, উৎসৱত, যুদ্ধত, যজ্ঞত, যৌতুকত দান গাভী ঋণ স্বৰ্ণশস্য ৰথ হাতী আৰু ঘোৰাৰ লগতে অগন্য নাৰী দান কৰা হৈছিল। এনেকুৱা দান কেতিয়াও





...ল হয় যদিহে নাৰীক ভোগ্য বস্তু বোলা নহল ...। প্ৰাচীন ভাৰতৰ এই সামাজিক পটভূমিত ... সাহিত্য ৰচিত হৈছিল সেই বাবে পুৰুষৰ ...লোকত নাৰী স্বাভাৱিক ভাবে সম্ভোগৰ ...মগ্ৰী। মাতৃৰূপে বা দেৱীৰূপে নাৰীৰ মহিমাময় ...না অৱশ্য আছে। কিন্তু প্ৰাচীন ভাৰতৰ ...মগ্ৰ ভাণ্ডাৰত তেনেকুৱা দৃষ্টান্ত সৎকিঞ্চিত।

অধিকাংশ নাৰীকে অনা হৈছে প্ৰেমৰ বাতা-...ৰণ স্বৰূপে। সেয়ে গুপ্ত প্ৰণয় পৰিণয়, সম্ভোগ ...প্ৰয় বিৰহ ইত্যাদিৰ মাজত তেওঁলোকে বিচৰণ ...ৰে। প্ৰকাৰ ভেদেও তেওঁলোক অভিসাৰিক, ...সক সজ্জা, মানিনী, খণ্ডিতা, স্বাধীন ভৰ্তৃকা, ...লহান্তৰিকা ইত্যাদি। দেহৰ গঢ়ন অনুসৰি তেওঁ...লাক পদ্মিনী, চিত্ৰিনী, শখিনী আৰু কোনোবা ...স্থিনী। বৈষ্ণৱ সাহিত্যৰ অঙ্গত যদিও পৰমা ...য়িকাৰূপে শ্ৰীৰাধাৰ উপস্থিতি, কিন্তু এই কল্পৰূপৰ ...ন্তৰালত অন্য যিবোৰ নায়িকা তেওঁলোক ...ধিকাংশই সৈন্দৰ্য্য বৰ্ণনাত শিল্পীৰ যৌন বাসনাৰে গাঢ় প্ৰতিচ্ছবি।

মহাকবি কুমাৰ সম্ভৱে পাৰ্বতীৰ আপাদ-মস্তক দেহ বৰ্ণনা কৰিছে। সেই বৰ্ণনাত সৌন্দৰ্য্য পিয়াসী মন পৰি তৃপ্ত হয়। কিন্তু কামনাৰ উন্মেষ নহয়। ৰঘুবংশৰ সীতা, ইন্দুমতী আৰু সন্তন সন্তস সুদক্ষিণাৰ দেহ বৰ্ণনাও অত্যন্ত সুৰুচি আৰু কুশলতাৰ পৰিচায়ক। জুইৰ তাপত জোনৰ যেনে-কুৱা ৰং হয় তেনেকুৱা ৰং শিখবিদৰ্শনা, সক্ষদন্তী। উঠৰ ৰং পকা বিম্বাধোৰষ্ঠী ক্ষীণ, গভীৰ নাভী, নিতম্ব, গম্ভীৰ, শিথিল গতি, স্তন সামান্য উন্নত। সংস্কৃত সাহিত্যৰ বিভিন্ন শাখাত উল্লেখ আছে অসংখ্য নায়িকাৰ অজস্ৰ উপমাময় বৰ্ণনা। তাৰ মাজৰ পৰা যক্ষপ্ৰিয়াক বাছি নিয়াৰ কাৰণ ৰূপ বৰ্ণনাৰ শেষত মহাকবিয়ে নিজে কৈছে—" যক্ষ-প্ৰিয়াক দেখিলেই মন হয় যুৱতী সৃষ্টিত তেৱেঁই বিতাৰ প্ৰথম আদৰ্শ। সেয়ে ধৰিব পাৰি যে সেই যুগৰ সুন্দৰী সকলোৰ ভিতৰত যক্ষপ্ৰিয়া প্ৰতি-যোগীতাত শ্ৰেষ্ঠ আসন পাইছিল।

● আতাউৰ ৰহমান
টি,ডি,চি, ২য় বৰ্ষ

## ॥ এটোপা চকুলো ॥

" মা! মা!"
" কি হ'ল নুকুল?"
" মোক ভাত দিয়া
" ইমান ৰাতিপুৱাতে ভাত কিহৰ? কৰবাত ৰা যাবি নেকি?
" নহয় মা, আজি আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মিউজিক প্ৰতিযোগিতা আৰম্ভ হব। গতিকে মোৰ সোনকালে যাব লাগে।"

"কিন্তু............"

"কিন্তু, কি মা ?"

"ভাত.........ভাত যে নাই।"

"অ ঠিক আছে মা, মই যাওঁ" বুলিকৈ নুৰুল মাকক সেৱা কৰি ঘৰৰ পৰা ওলাল।

নুৰুল মাক বাপেকৰ একমাত্ৰ সন্তান। বাপেক কৃষি কাৰ্য্য কৰা মানুহ আছিল কিন্তু যোৱা দুবছৰ আগতে টাইফেড জ্বৰ হৈ মৃত্যু হৈছে। বৰ্তমান নুৰুলৰ বয়স ১৮ বছৰ। তেওঁ টি,ডি,ছি, পাৰ্ট ওৱান ফাইন্যাল দিছে। পঢ়া-শুনাতো বেছ নাম আছে। শিক্ষক আৰু ছাত্ৰ সকলে তেওঁক বৰ ভাল পায়। তেওঁৰ নম্ৰ ব্যৱহাৰ, সুমিষ্ঠ বচন। মাকে সংসাৰতে বুকুৰ ধন নৰুলক লৈ আশা পালি আছে ভৱিষ্যত নানা জল্পনা কল্পনা লৈ। নৰজ্যোতি মহাবিদ্যালয়ত জাক জমকতাৰে সৈতে বাৰ্ষিক গান প্ৰতিযোগিতা হৈ আছে। গান মঞ্চত ছাত্ৰ-ছাত্ৰী আৰু দৰ্শক সকলোৰে ভৰি পৰিছে। ইপিনে গোৱালপৰীয়া লোকগীত আৰম্ভ হৈছে। দৰ্শক সকলে উৎসুকতাৰে সৈতে বহি আছে কোনে প্ৰথম হয় বুলি। এনেতে নুৰুলে গান গাবলৈ লোৱা অৱস্থাতে অজ্ঞান হৈ পৰিল। "হয়তো গোটেই দিনটো ধৰি নেখাই থকাৰ কাৰণে অধ্যক্ষ মহোদয়ৰ কথা মতে কেইজন মান ল'ৰাই মুৰত পানী ঢালিবলৈ ধৰিলে। বহল কিন্তু কোমল হৃদয় এখনিৰে নৰজ্যোতি মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহামান্য এম. মোজাম্মেল হোসেইন। নিজ গুণত সকলোৰ প্ৰিয় পাত্ৰ তেওঁ। অলপ পিছত নুৰুল সুস্থ হ'ল।

"কি ঐ নুৰুল, কি হৈছিল তোৰ ? চাৰে সোধে।

"একো হোৱা নাই চাৰ"

কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়ে দেখিলে নুৰুলৰ মুখখন একেবাৰে মলিন, শুকান। তেখেত নুৰুলৰ ঘৰৰ অৱস্থাৰ কথা জানে। ছাৰে তেওঁক মাতি নি সকলো কথা সুধি পুচি সম্পূৰ্ণ অৱগতহৈ নিজ ঘৰলৈ লৈ যাই তেওঁক খাবলৈ দিলে। সেই দিনা কেইবাটাত গানত তেওঁ প্ৰথম স্থান জয় লাভ কৰিলে।

আজি বঁটা বিতৰণিৰ দিন। নুৰুল আটাইতকৈ ভাল গায়ক হিচাবে তেওঁক এটা শিল্ড লগতে অন্যান্য বস্তু পুৰুস্কাৰ দিয়া হ'ল। সভাপতি চাহাবে নিজে দহটা টকা পুৰুস্কাৰ হিচাবে আগবঢ়ালে। নুৰুল পুৰস্কাৰ লৈ ঘৰলৈ যাবলৈ উভতিলে।

"আজি ইমান পলম কৰিলি কিয় ?" মই তোৰ কাৰণে বাট-চাই আছো।" মাকে কলে "মা ! এয়া লোৱা" বুলি কৈ নুৰুলে মাকৰ হাতত বস্তুবোৰ দিলে। আৰু টকা দহটা নিজে বাকচত থৈ দিলে।

নিজৰ ল'ৰাৰ কৃতকাৰ্য্যতা দেখি মাকে তেতিয়া গৌৰৱান্বিত হ'ল আৰু ভাবিলে এয়া মোৰ ভৱিষ্যত আশাৰ পদুম কলি। "যা হাত মুখ ধুই আ, খাই বৈ শুই পৰ মাকে কলে মাকৰ কথা মতে হাত মুখ ধুই নুৰুলে খাই বৈ শুই পৰিল।

পুৱাত উঠি মাক অলপ চিন্তিত হ'ল। কাৰণ ঘৰত এটি মাত্ৰও খুদ কনাও নাই। মাকৰ মিলন মুখ লক্ষ্য কৰি নুৰুলে কলে "মা ! কিবা হৈছে নেকি ?"

"ঘৰত খাবলৈ একো নাই, অলপ চিন্তিত হৈছোঁ" বুলিকৈ মাকে এটা হুমুনিয়াহ কাঢ়িলে। নৰুল একো নকৈ পুনৰ ঘৰৰ ভিতৰত সোমালে আৰু পুৰুস্কাৰ পোৱা বস্তুবোৰ বাহিৰ কৰি বজাৰলৈ লৈ গ'ল। সেইবোৰ বিক্ৰি কৰি চাউল আৰু অন্যান্য বস্তু কিনি লৈ আহি মাকৰ হাতত দিলে। মাকৰ তেতিয়া আনন্দৰ সীমা নাছিল। মৰমেৰে নুৰুলক বকুৰ মাজত সাবটি লৈছিল।

আজি কেইবা দিনৰে পৰা মাকে জ্বৰত ভূগি আছে। নুৰুলে চৰকাৰী ডাক্তৰ খানাৰ পৰা দৰৱ পাতি নি খুৱাইছে। কিন্তু ফল হলে ধৰা নাই। ক্ৰমে বেয়াৰ ফালেহে ঢাল লৈছে। ঘৰত পা-পইচা একো নাই। গতিকে ঘৰলৈ ডাক্তৰ আনি দেখোৱাইনো কেনেকৈ ? নুৰুল মাকৰ শিতানত বহি বিচি থাকে। মাজে মাজে হাত ভৰি সেকি থাকে। ওচৰ চুবুৰীয়া দু-এজনী তিৰোতাই মাজে মাজে আহি দেখি আছে।

সেই দিনা শুক্ৰবাৰ তাতে মৰা আউসী মাকৰ অসুখ তাতকৈ বৃদ্ধি পাইছে। বিচনাতে হাত ভৰি আচাৰিবলৈ ধৰিছে। নুৰুল মহাসংকটত পৰিল। ডাক্তৰ নানিলে আৰু উপায় নাই। কিন্তু টকা নহলে জানো ডাক্তৰ আহিব ? তেওঁ আকৌ টকা পাব ক'ত ? পৃথিবীৰ সেউজীয়া ৰংবোৰ তেওঁ ধোৱা ধোৱা দেখিবলৈ পালে। হঠাত তেওঁৰ মনত পৰিল যে সিদিনা সভাপতি চাহাবে দিয়া টকা দহটা বাকচত থৈ দিছো। ততালিকে তেওঁ টকা দহটা বাহিৰ কৰি আনি ডাক্তৰৰ ঘৰলৈ দৌৰ মাৰিলে। ওচৰ চুবুৰীয়া তিৰোতা বোৰে চিন্তিত হৈ পৰিল। তেওঁলোকে মুৰত পানী ঢালিববৈ ধৰিলে। নুৰুলে একে দৌৰত আহি নজৰুল ডাক্তৰৰ ঘৰৰ দোৱাৰ মুখত উপস্থিত হ'ল।

"ডাক্তৰ চাহাব ! ডাক্তৰ চাহাব !! বুলি বাহিৰৰ পৰা নুৰুলে ডাক্তৰকৈ মাতিলে।

"কোনে ?" বুলিকৈ ডাক্তৰ চাহাবে ঘৰৰ পৰা বাহিৰলৈ ওলাই আহিল।

"কি হ'ল ?" নৰুলক প্ৰশ্ন কৰিলে।

"ডাক্তৰ চাহাব, ঘৰত অসুখ দয়া কৰি আপুনি বলক" বুলি কৈ নুৰুলে পকেটৰ পৰা টকা দহটা বাহিৰ কৰি দিব খুজিলে। কিন্তু পকেটত টকা ক'ত ? তাত দেখোন টকা-ছকা একো নাই ! তেনেহলে কি হ'ল ? বাটতে কৰবাত পৰিল নেকি ?

'যাব পাৰো" কিন্তু ভিজিট আনিছানে নাই ? টকা দিয়া" বুলি ডাক্তৰে কলে।

'ডাঃ চাহাব টকা আনিছিলো, কিন্তু বাটত কৰবাত হেৰুৱাই গ'ল। আপুনি বলক ঘৰত গৈ টকা দিম বুলি নুৰুলে কলে।

'অসম্ভৱ মই যাব নোৱাৰিম" ডাক্তৰে কলে।

'ডাক্তৰ চাহাব দয়া কৰি আপোনি এবাৰ বলক, নুৰুলে কাতৰ বাবে কলে। মই কৈছো

নহয় যে মই যাব নোৱাৰো বুলি কৈ ডাক্তৰৰ ভিতৰত সোমাল [illegible]

নুৰুলৰ মুৰ আচন্দ্ৰাই ধৰিলে। চাৰিও পিনে কেৱল ধোৱাঁ কোৱা দেখিবলৈ পালে। পৃথিৱীখন যেন ঘূৰিব লাগিছে, এনে বোধ হ'ল নুৰুলৰ। ভৰিৰ তলত যেন ধৰণী নাই। তেওঁ বাটেৰে উদ্দেশ্যহীন ভাৱে যাবলৈ ধৰিলে। কিন্তু এনে সময়তে সন্মুখে আছিল বায়ুগতিৰে এখন ট্ৰাক আৰু পিছ পিনৰ পৰা আহি আছিল এখন বাছ। ট্ৰাকখনে নুৰুলক খুন্দিয়াই থৈ তীব্ৰ গতিৰে অন্তৰ্ধান হ'ল। কুটিল নিয়তীৰ কবলৰ পৰা পৰিত্ৰান পাবৰ কোনো উপায় নাই। " মা " বুলি কোৱাৰ লগে লগে নুৰুলৰ প্ৰাণ পাখী সেই মুহূৰ্ত্ততে পৃথিৱীৰ পৰা উৰি গ'ল। ধূলিকামানৱী দেহ ধূলীতে পৰিণত হ'ল। ৰাস্তা তেজেৰে ৰঙাকী হ'ল [illegible]

ঘৰলৈ নৰুলৰ শটো অনা হ'ল। মাকৰ অসুখ তেতিয়া বেছি হৈছিল। নুৰুলৰ মৰা শটো দুহাতে সাবটি ধৰি কান্দিবলৈ ধৰিলে। "মোৰ সোণ" মোৰ সোণটো কলৈ গ'ল!! বুলি চিঞৰ মাৰি দি অচেতন হৈ পৰিল। চুবুৰীয়া তিৰোতা সকলে মুৰত পানী ঢালিবলৈ ধৰিলে। কিন্তু? কিন্তু এয়া দেখোন মাকৰ সৰ্ব্ব শৰীৰ বৰফৰ দৰে চেচা হৈ পৰিল। নুৰুলৰ শটো সাবটি ধৰি লৈ মাকে শেষ নিশ্বাস এৰিলে। ইয়াক জনালো আকৌ ঘূৰাই পোৱা যাব।





# কবিতা

## মোৰ আইৰ বাবে

● আব্দুছ ছামাদ
টি, ডি, চি, ২য় বৰ্ষ

আই তুমি
স্বাধীনতাৰ একচল্লিছ বছৰৰ
ভয়ঙ্কৰ ধুমুহা, প্ৰচণ্ড ঠাণ্ডাক—
অতিক্ৰমিছা বিক্ষুব্ধ হৃদয়েৰে।
মোৰ কামিজত হেজাৰ চিলাই,
পেটত ভোকৰ জয়াল আৰ্তনাদ,
তথাপি— তোমাৰ বাবে মই········!
অৱশেষ বিন্দু শোনিতেৰে যুজ দিছো
( আৰু ) মৃত্যুৰ ভয়াল মুহূৰ্ততো ( তোমাক )
পাহৰিব পৰা নাই!

তেজৰ কোঁহে কোঁহে তোমাৰ
জ্বলি উঠে দৈন্যতাৰ প্ৰতিচ্ছবি,
শক্তিৰ উন্মাদনাত বিক্ষোভ ধ্বজা লৈ
মই আগবাঢ়িছো ভঙা হাড়েৰেই
জ্বলাবলৈ, মুক্তিৰ অমল ৰশ্মি!··········

তোমাৰ হাতত কঠিনতা,
মুখত কাতৰতা,
শত ধৰ্ষিতা বুকুত দুৰ্বাৰ বিদ্ৰোহ।
আই তোমাৰ বাবেই,
মোৰ সকলো হেৰাই গলেও
জন্মৰ ঋণৰ বাবেই
মৃত্যুৰ সতে' যুজ দি—
এবাৰ অন্ততঃ আনি দিও তোমাৰ
কাতৰ মুখত হাঁহিৰ খলকনি
হৃদয়ত বিজয়ৰ উল্লাস!
চকুত মুক্তিৰ স্বচ্ছল ছবি!! ●

## প্ৰতীক্ষা

● নুৰুল ইছলাম আহমেদ
টি, ডি, চি, ৩য় বৰ্ষ

শব্দ নাই, কোনো শব্দ নাই—
বহু দিন প্ৰতীক্ষাত আছো—
মানুহৰ মৃদু পদধ্বনি শুনি,
যিয়ে আহিব খোজা
শব্দ কৰি আহা
গুচি যাবা যদি যোৱা—
যাক পাহাৰ ভাৱিছা
সি ক্ৰমশ খাললৈ পৰিনত হ'ল
যোল্ল কলা পূৰ্ণ হয়,
মানুহৰ মধ্য বয়সত আকৌ জন্ম নিয়ে ক্ৰোদ্ধ
বৃক্ষ আৰু মেঘৰ লুকা-ভাকুত
মাজে মাজে জাগি উঠে চন্দ্ৰ
প্ৰকৃত আলোক আৰু চন্দ্ৰৰ
মধ্যস্থলত থাকে দ্বন্দ্ব।
কিন্তু আৰু কিমান দুৰ?
কিমান দুৰ সেই গন্তব্যস্থান?

# কবিতা

## মোৰ আইৰ বাবে

আব্দুছ ছামাদ
টি, ডি, চি, ২য় বৰ্ষ

াই তুমি
াধীনতাৰ একচল্লিছ বছৰৰ
ভয়ঙ্কৰ ধুমুহা, প্ৰচণ্ড ঠাণ্ডাক—
অতিক্ৰমিছা বিক্ষুব্দ হৃদয়েৰে।
াৰ কামিজত হেজাৰ চিলাই,
পটত ভোকৰ জয়াল আৰ্তনাদ,
তথাপি— তোমাৰ বাবে মই......... !
াৰশেষ বিন্দু শোনিতেৰে যুজ দিছো
আৰু ) মৃত্যুৰ ভয়াল মুহূৰ্তটো ( তোমাক )
াহৰিব পৰা নাই !

তেজৰ কোঁহে কোঁহে তোমাৰ
ভলি উঠে দৈন্যতাৰ প্ৰতিচ্ছবি,
াক্তিৰ উন্মাদনাত বিক্ষোভ ধৱজা লৈ
াই আগবাঢ়িছো ভঙা হাড়েৰেই
াপাবলৈ, মুক্তিৰ অমল বৃত্তি !

তোমাৰ হাতত কঠিনতা,
ুখত কাতৰতা,
াত ধৰ্ষিতা বুকুত দুৰ্বাৰ বিদ্ৰোহ।
াই তোমাৰ বাবেই-
াৰ সকলো হেৰাই গলেও
জন্মৰ ঋনৰ বাবেই

মৃত্যুৰ সতে' যুজ দি—
এবাৰ অন্ততঃ আনি দিও তোমাৰ
কাতৰ মুখত হাঁহিৰ খলকনি
হৃদয়ত বিজয়ৰ উল্লাস !
চকুত মুক্তিৰ স্বচ্ছল ছবি !!

## প্ৰতীক্ষা

নুৰুল ইছলাম আহমেদ
টি, ডি, চি, ৩য় বৰ্ষ

শব্দ নাই, কোনো শব্দ নাই—
বহু দিন প্ৰতীক্ষাত আছো—
মানুহৰ মৃদু পদধ্বনি শুনি,
যিয়ে আহিব খোজা
শব্দ কৰি আহা
গুচি যাবা যদি যোৱা—
যাক পাহাৰ ভাৱিছা
সি ক্ৰমশ খাললৈ পৰিনত হ'ল
যোল্ল কলা পূৰ্ণ হয়,
মানুহৰ মধ্য বয়সত আকৌ জন্ম নিয়ে ক্ৰোদ্ধ
বৃক্ষ আৰু মেঘৰ লুকা-ভাকুত
মাজে মাজে জাগি উঠে চন্দ্ৰ
প্ৰকৃত আলোক আৰু চন্দ্ৰৰ
মধ্যস্থলত থাকে দ্বন্দ্ব।
কিন্তু আৰু কিমান দুৰ ?
কিমান দুৰ সেই গন্তব্যস্থান ?

যিমান দূৰ যাওঁ মাত্ৰ বন আৰু বন
কোনো অভিজ্ঞান নাই,
যিবোৰ প্ৰতীক্ষাত আছে
এধাংগ সিহঁতৰ জ্বলিছে
থাকক জ্বলি—
আৰু অগ্নি দিয়া, পুৰি যাওঁক ব্ৰহ্মাণ্ড
তোমালোক সকলোয়ে জ্বলা,
মই তাৰ পৰা যোগাৰ কৰিম—
মোৰ কবিতাৰ।

## কাৰ স্বাৰ্থ ?

জালাল উদ্দিন আহমেদ
টি, ডি, চি ২য় বৰ্ষ।

স্বাধীনতা, গণতন্ত্ৰ, সমাজতন্ত্ৰ
য'ত চলিছে আমোলৰ ৰাজতন্ত্ৰ
অফিছ ঘেৰাও
দিন ব্যাপি অনসন
হাজাৰ হাজাৰ জনতাৰ
স্বাৰ্থ আদয়ৰ কণ্ঠস্বৰ।
লাঠি চাৰ্জ, পুলিচৰ গুলি
ক্ষুদাৰ্ত জনতাৰ আৰ্তনাদ…… ……
লাভ মাথো নেতা সকলৰ।
কাৰণ একেখন গাড়ীতে—
নেতা আৰু আমোলাৰ আদান প্ৰদান।
ইতিহাস তাৰ জলন্ত প্ৰমাণ।



## হতাশা।

লাল মামুদ
টি, ডি, ছি ৩য় বৰ্ষ

………অফিচৰ ৰঙা ফাইলত
বেকাৰ যুৱকৰ ভাগ্যৰ চকৰি ঘূৰে,
অফিচাৰৰ পকেটৰ মাজেৰে………
…………ইন্টাৰভিউ চলে।
……………………
পিয়নৰ কান্ধৰ মোনাত
কলিংলেটাৰৰ সপোন হাঁহে………
……… এটা সময়ত হা-হুমনিয়াহ—
দেউতাকৰ গালি—
মাকৰ বক্ৰোক্তি আৰু………
টকাৰ হিচাব দিয়াৰ
পালা আহে।
……………………
ৰাতি গাৰুৰ নৈতে
চকুপানীৰ শীতল যুদ্ধ চলে… ……
ডিগ্ৰিত আৱি লোৱা ডিগ্ৰিয়ে
………… হতাশাত ভোগে।
এইদৰে উজাগৰে থাকি………
………ৰঙাপৰা চকু দুটাৰে
………যুৱকে পৰৱৰ্তী যন্ত্ৰনাত
আগবাঢ়ে……………।
* *

## অতিতৰ স্মৃতি।

Shamsul Alom

কিশোৰে প্ৰসাৰী যোৱা





মধুৰ হাঁহিটো তোমাৰ
আজিও যে পাহৰিব পৰা
নাই তোমাক—
এমুঠি জোনাক হৈ শুভ্ৰ পোহৰ
একাজলি ফুল হৈ স্নিগ্ধ সুবাস
সিচি গলো অন্তৰে অন্তৰে।
কিশোৰৰ মুখে মুখে তোমাৰ—
আধা লিখা কবিতাৰ পংজিবোৰ
কালৰ সোঁতত গ'ল মৰহি।
তোমাৰ চকুমেটেকাৰ ছেওঁত নচা
নাচনী জনীৰ নূপুৰৰ সিন্দজুনু
চিৰদিনলৈ ৰ'ল থমকি।
আশাৰ উজ্জল হৃদয় কপি কপি থৰ হ'ল
আৰুতো নাপাও শুনিবলৈ তোমাৰ শ্লোক
তোমাৰ কণ্ঠৰ সুমধুৰ সুৰ!
তোমাৰ সমাধিত—
থলো মাথো – অশ্ৰুসিক্ত
এপাহি সৰি যোৱা গোলাপ।
হৃদয়ত ৰৈ গ'ল তোমাৰ
সেই অতিতৰ স্মৃতি।

## ঃ এটি দিনৰ দুটি ৰূপ ঃ

আমজেদ আলী আহমেদ
টি, ডি, ছি, ১ম বৰ্ষ

এদিন সন্ধিয়া—
খোজ ললোঁ নগৰলৈ
দেখিছিলো এজাক গাভৰু
হাইহিলৰ ধমধমনিত
ৰাস্তাৰ শিল দৌৰিছিল—
জীৱন বচাবলৈ।
সেই সন্ধিয়াত—
ষোড়শী গাভৰুৱে
লাজ ঢাকিবলৈ
ভৰা যৌৱনৰ
সযত্নে পিনমৰা
শাৰীৰ বতাহত
তুলিছিল এক মৃদুকঁপনি।
শিল আৰু গাভৰু
দুটি ভিন্নস্তৰ
সজীৱ আৰু নিৰ্জীৱ,
সৃষ্টিৰ বলুকাত থিয়হৈ
ফাগুণৰ পচোৱা খাই
ঘূৰিছিলো নিজ ঘৰলৈ
হঠাৎ আগত বৃষ্টি।

## ঃ জ্যোতি ঃ

আমজেদ আলী আহমেদ
টি, ডি, ছি ১ম বৰ্ষ

আদি অন্ত নমনা সুদীৰ্ঘ জীৱনৰ
খন্তেকীয়া জিৰণি মাথো প্ৰবাস ৰূপে,
সুবিশাল মৰুপথে অজ্ঞ পথিকৰ
অজ্ঞতা আতঙ্কত যিদৰে প্ৰাণ কঁপে:
আমাৰো সি দশা মহাঅজ্ঞ মানৱৰ
নাজানো কেনি গতি ঘোৰ অন্ধকাৰত,

অদৃশ্য ইঙ্গিতত অদৃশ্য বিধাতাৰ
চলি যায় জীৱন তৰি বিদ্যুৎ বেগত;
একণি জ্যোতি সেয়ে অতি প্ৰয়োজন
মৃগতৃষ্ণা ভ্ৰম যেন নহয় আমাৰ,
সুশিক্ষা সুজ্ঞানে কৰে জ্যোতি বিকিৰণ
সেয়ে হব দিব্য চাকি এন্ধাৰ পথৰ;
পবিত্ৰ বিদ্যাৰ ঘৰত তাৰে আলাপন,
হওঁ তাতে ব্ৰতী আমি বাকি প্ৰাণমন।

## —সুন্দৰ—

মিচ্ মেহেৰুণ নেছা
টি, ডি, ছি ১ম বৰ্ষ

পুৱাৰ সুৰুযৰ সুন্দৰতাৰে
মোৰ অশ্লীল কামনামূখী, মনটোক
মই যে পাপী, মই কদৰ্য্য,
মই নীচ—
মোৰ হৃদয়ত কামনাৰ অশ্লীল ইঙ্গিত
মোৰ দেহত যৌৱনৰ পাপী চঞ্চলতা
মই চঞ্চল, মই কামাতুৰ!
কিন্তু আজি এটা নিশা পাৰ হ'ল
যিটো নিশাৰ শেষত মই দেখিলো
মই সুন্দৰ
এই পৃথিৱী সুন্দৰ
আৰু ?
তুমি সবাতোকৈ সুন্দৰ।
সুন্দৰ মোৰ প্ৰেম, মোৰ হৃদয়
আজি যে তোমা— মোৰ জীৱনৰ
প্ৰেম আৰু আত্মাৰ মিলনৰ দিন

## " কবিতা "

মফিজুল ইছলা[m]
টি, ডি, ছি ১ম বৰ্ষ।

নীৰৱ বিশ্বৰ ভাষা ধৰণী বুকুত
অপ্ৰকাশ ভাৱৰ প্ৰকাশ মাধ্যম হেতু,
মধুৰ কবিতা সৃষ্টি এই জগতত,
সুন্দৰৰ সাধনা কৰি চিৰকাল।
ব্যৰ্থ প্ৰেমিকে সাজে তৃপ্তিৰ আলয়,
মিলন বিৰহত ফুটে আৱেগৰ ভাষা,
উত্তপ্ত বুকুত হায় শান্ত সুগভীৰ,
কবিতাৰ পাতনিত তৰি তাৰ আশা।
সপোন ৰাজ্যৰ এই সৌন্দৰ্য্য আকৰ,
দিঠকত নানা ফুল ফুলে ফুলনিত,
কবিয়ে পিন্ধায় সাজ তাৰে মৰতৰ.
সুখৰ আঁজলি পাতে তাৰ আঁজলিত।
স্বৰ্গীয় কৰুণাৰে কল্পতৰু জিনি,
সংসাৰ বননি সাজে খন্তেক জিৰণি।

## " জ্বালামূখী "

ছৈয়দ ছাহজাহান আহ[মেদ]
বি, এছছি ৩য় বৰ্ষ।

অৱনত অনুন্নত হৃদয় লই
মৃত্যুঞ্জয়ী জীৱনৰ,
মুক্তামালা পোৱাৰ আশাৰে
মহাভিক্ষু সাজি—
মহামন্ত্ৰ মাতি—
মহাযজ্ঞ পাতিছো আজি,





মহাজনৰ দুৱাৰ দলিত।

তৃষ্ণাতুৰ মৰুৰ প্ৰান্তে প্ৰান্তে
পিপাসীত চাতকী পখীৰ দৰে—
তন্নতন্নকৈ বিচাৰি ফুৰিছোঁ—
মোৰ পৰাণ মানিক, কামনাৰ ধন
চিৰ কাম্য হৃদয় দেৱতাক।
'পোৱা নাই॥'

পোৱাৰ হেপাহেৰে,
অব্যক্ত বেদনা ভৰা ভগ্ন-প্ৰাণলৈ
বিচ্ছেদৰ দাহ বুকুত সামৰি,
ভক্তি-অশ্ৰু যাচিছোঁ প্ৰিয়ক
চিৰ শেষ কুসুম-অৰ্ঘ ৰূপে।
" চিৰ শেষ কুসুম-অৰ্ঘ ? ? ? "

মোৰ বিক্ষিপ্ত জীৱনৰ ভস্ম শিখা
আজি দাউ দাউকৈ উঠিছে জ্বলি
কোৰাণ-পুৰাণত বৰ্ণিত নৰককুণ্ডৰ দৰে
জীৱন্ত জাগ্ৰত জ্বালামুখী হই।

## তিনিটা ঘৰ

মোঃ জাহিদুল ইছলাম
এইছ, এচ, ছি, ২য় বৰ্ষ (কলা)

এটা ঘৰ—
য'ত যেতিয়া সংগ্ৰাম হয়—
গাঢ় এন্ধাৰ আৰু কেণ্ডেলৰ অকণমান দীপ্তিৰ
আশা আৰু নিৰাশাৰ বহু হাঁহি হুমুনিয়াহ
বহু খেলি মেলি।
আৰু এটি ঘৰ—
পোহৰৰ আনিন্দ্য সুৰৰ মুৰ্ছনা চলে
এন্ধাৰে য'ত উচুপে হোৰোৱা স্বপ্ন সুঁৱৰি
নষ্টই বাস্তৱ ৰূপ লয়
হাঁহি, তাত কেৱল হাঁহিৰে জোৱাৰ
মুক্তমুখী মনৰ খোৰাক।
আৰু এটি ঘৰ—
গাঢ় এন্ধাৰবোৰে নৃত্য কৰে ভূতৰ লগত,
অসহায়ৰ বেদনাবোৰ সিঁচৰিত হয়
দিগন্ত বিয়পায় তাৰ বিননি
যেন এখন আউসীৰ ক্ৰন্দসী
হালুক আকাশ।



## Till You meet

Syed Shahjahan Ahmed
B. Sc. 3rd Yr.

Lost in my own world.
I'am living life my own way.
Till you meet me alone.
Your Smile, your lougther
Attracts me your love.
I feel great peace in my heart,
Like the heaven you abode.
Your annoyance, your anger.
I don't think as anger
As my love hold for you.
I have in my heart,
Something for you.
Don't ask —
What have I for you.
Your affection, your blessing
What do I get from these ?
I don't want **any more —**
If you meet me sure.
If you go far from me,
How will life live on ?
A story, yours and mine
Will remain incomplete.

## The Coat goes to fetch the Boot

Miss Anowara Khat

Two men were travelling in a trai
They were not at all friends.
One was black and the other whit
Each hated the other quite.
When the Black deeply slept
"He's dead" the other said
So he snatched his boots away
And threw it down on the way.
He, too, slept in the train then
This was a perfect English man.
Getting up the Black found no sh
He understood all and though
what to d
Then he fouud lying the white
coat b
And kicked it out with his foot.
Silently sat down he then
This was a true Indian.
**The English** got up with happ
moo
But nowhere he found his coat.
He cried; "Hey, where's my coat"
"It is gone to fetch my boot," th
Indian replied

* ● *





বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক
আঃ ছামাদ

NABAJYOTI COLLEGE LIBRARY, Estd-1971 Dist:-Kamrup, (Assam). P.O. KALGACHIA.

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ
হাসমত আলী



নৱজ্যোতি মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি।
১৯৮৮-৮৯ ইং



বহি থকা—বাওঁ ফালৰ পৰা— বি, কে, শ্যামল, (মুৰব্বী ইংৰাজী বিভাগ) আঃ ছাত্তাৰ আহমেদ, (অধ্যক্ষ নৱজ্যোতি মহাবিদ্যালয়) মির্জা হামিদ, (তত্বাবধায়ক অধ্যাপক আলোচনী বিভাগ)
থিয় হৈ থকা—বাওঁ ফালৰ পৰা— ৰফিকুল ইছলাম, (সাধাৰণ সম্পাদক, নৱজ্যোতি মহাবিদ্যালয়) হজৰত আমিন, (সম্পাদক আলোচনী বিঃ)

# অসমৰ মুছলমান সকলৰ আৰ্থিক শোচনীয়তাৰ কাৰণ

অধ্যাপক, খন্দকাৰ আঃ গফুৰ, এম, এ,
( ৰাজনীতি বিজ্ঞান বিভাগ )

ভাৰতবৰ্ষৰ পূৱ প্ৰান্তত অৱস্থিত অসমৰ
ালিক চাৰিসীমাৰ ভিতৰত এক বৈষম্য মূলক
তিৰ অৱস্থা পৰিলক্ষিত হয়, যাৰ ফলত অসমত
স কৰা জনসাধাৰণৰ অৰ্থ নৈতিক অসমতাই
ানক সৌভাগ্য আৰু কিছুমানক দুৰভাগ্যৰ
কৰি ফুৰিছে। হাবি-বননি, শস্য হোৱা
লভূমি, নদ-নদীৰে বৈ যোৱা বিস্তৃত বালিময়
চৰ অঞ্চল বুলি জনা যায়, আৰু পৰ্ব্বত
ৰীয়া অঞ্চল বুলি আমি অসমৰ ভৌগলিক
ত এই অঞ্চল সমূহ ভাগ-ভাগ কৰি দেখুৱাব
। ঠাই, পাত্ৰ ভেদে অসমৰ জনসাধাৰণৰ
নৈতিক প্ৰভেদ স্পষ্ট। হাবি-বননি এলেকাত
হৰ আৰ্থিক অৱস্থা সচ্ছলতা কামনাই কৰিব
ৰি। এনেকুৱা এলেকাত কৰ্ম্মজীৱনৰ মূল
সমুহ নোপোৱাৰ বাবে তেওঁলোকৰ আৰ্থিক
ায় স্বীকাৰ্য্য। অসমৰ সমতল ভূমিত আকৌ
বা পমুৱা, এলেকা বুলি প্ৰবাদ এটা আছে,
হাতে সাৰুৱা অঞ্চল বা খেতি বাতি কৰাত
ীয় সুবিধা পাব পাৰে তেনেকুৱা অঞ্চলো
হ।

এতিয়া প্ৰশ্ন হৈছে অসমত বসতি কৰা
নিৰ ১৯০০ চনৰ বহু আগৰে পৰা থিতাপি
ৰা ভাটিদেশৰ পৰা অহা মুছলমান খিনিৰ
আৰ্থিক শোচনীয়তাৰ কাৰণ সমূহ কি সেই কথা ৰাজনীতিবিধ, সাহিত্যিক, বুদ্ধিজীৱি, অৰ্থ নৈতিক বিশাৰদ সকল আৰু বৰ্ত্তমানৰ শিক্ষিত যুৱক-যুৱতী চামে বাৰু কৈয়ে উপলব্ধি কৰে। এই মানুহখিনিৰ বৰ্ত্তমান জনসংখ্যা প্ৰায় ৪৬ লাখ হব। তুলনা মূলক ভাৱে অসমত বসবাস কৰা চৰ চাপৰিৰ মুছলমান সকলৰ অৱস্থা দুঃখ জনক। প্ৰথমতে এই মানুহখিনিৰ অৱস্থা আৰ্থিক ভাৱে চৰ চাপৰিত বসবাস কৰা সত্বে সচ্ছলেই আছিল। ক্ৰমান্বয়ে সেই ১৯০০ চনৰ মানুহৰ আৰ্থিক সবলতাৰ পৰিৱৰ্ত্তে প্ৰায় শতকৰা ৯০% ভাগ পৰিয়ালেই দৰিদ্ৰৰ সীমা ৰেখাৰ তলত। এই মানুহখিনিৰ অৰ্থ নৈতিক অৱস্থা লাহে লাহে বেয়াৰ ফালেহে গতি কৰিছে। ৰাজ্যৰ জটিল নিবনুৱা সমস্যা সমাধান কল্পে কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্যত অসম চৰকাৰে "অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ণ নিগম" ৰ জৰিয়তে স্থানীয় শিক্ষিত যুৱক সকলে কৰ্ম সংস্থান পোৱাৰ পৰা বঞ্চিত হৈ আছে। নগাওঁ, কামৰূপ, গোৱালপাড়া, বৰপেটা, লক্ষীমপুৰ, দৰং জিলাৰ তাহানিৰ ভাটিদেশৰ পৰা অহা মুছলমান সকলৰ এতিয়াৰ যুৱক-যুৱতীয়ে শিল্প কেন্দ্ৰ স্থাপনৰ কোনো সুবিধা নোপোৱাকৈ নিবনুৱাহৈ বহি আছে। চৰকাৰী হেনাহী আৰু অসমত ভ্ৰাতৃত্ববোধ ভাৱ

# অসমৰ মুছলমান সকলৰ আৰ্থিক শোচনীয়তাৰ কাৰণ

অধ্যাপক, খন্দকাৰ আঃ গফুৰ, এম, এ,
( ৰাজনীতি বিজ্ঞান বিভাগ )

ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত অসমৰ
লিক চাৰিসীমাৰ ভিতৰত এক বৈষম্য মূলক
তৰ অৱস্থা পৰিলক্ষিত হয়; যাৰ ফলত অসমত
া কৰা জনসাধাৰণৰ অৰ্থ নৈতিক অসমতাই
ানক সৌভাগ্য আৰু কিছুমানক দুৰভাগ্যৰ
কৰি ফুৰিছে। হাবি-বননি, শস্য হোৱা
াভূমি, নদ-নদীৰে বৈ যোৱা বিস্তৃত বালিময়
চৰ অঞ্চল বুলি জনা যায়, আৰু পৰ্ব্বত
ীয়া অঞ্চল বুলি আমি অসমৰ ভৌগলিক
ত এই অঞ্চল সমূহ ভাগ-ভাগ কৰি দেখুৱাব
। ঠাই, পাত্ৰ ভেদে অসমৰ জনসাধাৰণৰ
নতিক প্ৰভেদ স্পষ্ট। হাবি-বননি এলেকাত
ৰ আৰ্থিক অৱস্থা সচ্ছলতা কামনাই কৰিব
ৰি। এনেকুৱা এলেকাত কৰ্ম্মজীৱনৰ মূল
সমূহ নোপোৱাৰ বাবে তেওঁলোকৰ আৰ্থিক
য় স্বীকাৰ্য্য। অসমৰ সমতল ভূমিত আকৌ
বা পমুৱা, এলেকা বুলি প্ৰবাদ এটা আছে,
াতে সাৰুৱা অঞ্চল বা খেতি বাতি কৰাত
ীয় সুবিধা পাব পাৰে তেনেকুৱা অঞ্চলো
।

এতিয়া প্ৰশ্ন হৈছে অসমত বসতি কৰা
নিৰ ১৯০০ চনৰ বহু আগৰে পৰা থিতাপি
। ভাটিদেশৰ পৰা অহা মুছলমান খিনিৰ
আৰ্থিক শোচনীয়তাৰ কাৰণ সমূহ কি সেই কথা
ৰাজনীতিবিধ, সাহিত্যিক, বুদ্ধিজীৱি, অৰ্থ নৈতিক
বিশাৰদ সকল আৰু বৰ্ত্তমানৰ শিক্ষিত যুৱক-যুৱতী
চামে বাৰু কৈয়ে উপলদ্ধি কৰে। এই মানুহখিনিৰ
বৰ্ত্তমান জনসংখ্যা প্ৰায় ৪৬ লাখ হব। তুলনা
মূলক ভাৱে অসমত বসবাস কৰা চৰ চাপৰিৰ
মুছলমান সকলৰ অৱস্থা দুঃখ জনক। প্ৰথমতে
এই মানুহখিনিৰ অৱস্থা আৰ্থিক ভাৱে চৰ চাপৰিত
বসবাস কৰা সত্বে সচ্ছলেই আছিল। ক্ৰমান্বয়ে
সেই ১৯০০ চনৰ মানুহৰ আৰ্থিক সবলতাৰ
পৰিবৰ্ত্তে প্ৰায় শতকৰা ৯০% ভাগ পৰিয়ালেই
দৰিদ্ৰৰ সীমা ৰেখাৰ তলত। এই মানুহখিনিৰ
অৰ্থ নৈতিক অৱস্থা লাহে লাহে বেয়াৰ ফালেহে
গতি কৰিছে। ৰাজ্যৰ জটিল নিবনুৱা সমস্যা
সমাধান কৰোঁ কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্যত অসম
চৰকাৰে অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ণ নিগমৰ জৰি-
য়তে স্থানীয় শিক্ষিত যুৱক সকলে কৰ্ম সংস্থান
পোৱাৰ পৰা বঞ্চিত হৈ আছে। নগাওঁ, কামৰূপ,
গোৱালপাড়া, বৰপেটা, লক্ষীমপুৰ, দৰং জিলাৰ
তাহানিৰ ভাটিদেশৰ পৰা অহা মুছলমান সকলৰ
এতিয়াৰ যুৱক-যুৱতীয়ে শিল্প কেন্দ্ৰ স্থাপনৰ কোনো
সুবিধা নোপোৱাৰকৈ নিবনুৱাহৈ বহি আছে।
চৰকাৰী হেমাহী আৰু অসমত ভ্ৰাতৃত্ববোধ ভাৱ

ক্ৰমান্নয়ে নিশ্চিন্ন হোৱাৰ বাবে অসমত সমভাৱে সকলো ঠাইতে অৰ্থনৈতিক উন্নয়নৰ আঁচনি সমূহ ৰূপায়ণৰ বাবে ব্যৰ্থ হোৱাত এনেকুৱা জন সমাজত আৰ্থিক শোচনীয়তাৰ কাৰণ বুলি কব পাৰি।

তাহানিৰ আলবেয়াৰ ক্যামুই বহুদিন আগতে লিখিছিল আলজিৰিয়াৰ কৃষকৰ অৱস্থাৰ্লৈ। তেতিয়া আলজিৰিয়া আছিল ফৰাচীৰ উপনিবেশ। আজি স্বাধীনতাৰ ৪০ বছৰৰ পাছতো একেখিনি কথা আমাৰ অসমৰ মুছলমান মানুহখিনিৰ কথা আমাৰ বাবেও সত্য হৈ আছে। আমাৰ চকুৰ আগত আমাৰ ৯০% জন মানুহৰ অবিশ্বাস্য দুৰ্দ্দশাৰ ছবি দেখি আজিও আমি একেবাৰে নিৰ্বিকাৰ হৈ থাকিব পাৰিছোঁ। এই চাম মানুহে এনেকৈ জীয়াই আছে কিয়? জীয়াই থকাৰ অধিকাৰ এই চাম মানুহৰ আছে জানো? মই যিমান দূৰ জানো দৰিদ্ৰতা মানেইতো হল অধঃপতন আৰু হতাশা। দৰিদ্ৰই মানুহক শান্তি নিদিয়ে। বৰং ইয়াৰ বিপৰীতে এক বিদ্ৰোহৰ ভাৱহে জগাই তুলিব খোজে। কিন্তু আজি দৰিদ্ৰতাৰ ভাৰহাম্য আমাৰ বাবে সহনীয় হৈ পৰিছে। আৰ্থিকভাৱে শোচনীয় হৈ থকা যেন আমাৰ জীৱনৰ চিৰন্তন ৰীতি। মোৰ বোধেৰে অসম এখন কল্পলোক যিখন সৃষ্টি হৈছে হয়তো অনিচ্ছাকৃতভাৱেই হয়তো আকস্মিক ভাৱে। প্ৰাচুৰ্য্য আৰু প্ৰয়োজনাধিক্যৰ মাজত বাস কৰা কেইজনমান মুষ্টিমেয়লোকৰ শোষণৰ ফলত অন্তহীন দাৰিদ্ৰ্যৰ মাজত জীয়াই আছে পশুতুল্য লাখ লাখ লোক। সিহঁতৰ পৰিত্ৰাণ নাই। অসমৰ মুছলমান সকলে গাওঁৰ মাজ[illegible] হাজাৰে হাজাৰে আজিও জীৱন নামৰ এক নিষ্ঠু[illegible] দানৱৰ সৈতে আমৰণ যুঁজত লিপ্ত হৈ থা[illegible] তিলে তিলে মৃত্যুৰ গ্ৰাসত সোমাই পৰিছে জীৱনৰ নামত এক দুৰ্বিসহ যন্ত্ৰনাত যেন ছটফটা[illegible] ধানৰ শুকান নৰানি সদৃশ এক পৰি থকা জীৱন

অসমত বসবাস কৰা চৰুৱা বা পমু[illegible] মুছলমান সকল তাহানিৰ অবিভক্ত ভাৰতৰ্ব[illegible] "ভাটিদেশৰ" মৈমনসিং, টাঙ্গাইল, পাৱনা, বগু[illegible] আদি বিভিন্ন অঞ্চলৰ পৰা অহা ব্যক্তিসক[illegible] মূলতে অশিক্ষিত খেতি বাতি কৰি খোৱা পৰিশ্ৰমি[illegible] শক্তিশালী আৰু সাহসী মানুহ আছিল যিসকলে অসমত থিতাপি লোৱা অঞ্চলবোৰ[illegible] হাবি-বননি, ভয়াবহ জীৱ-জন্তুক ভয় নক[illegible] ভাৰতবৰ্ষৰ এটা অঞ্চলৰ পৰা অন্য এটা প্ৰান্তলৈ যথেষ্ট মাটি বননি হিচাবে পৰি থকা বুলি খেতি বাতিৰ জৰিয়তে পৰিশ্ৰম কৰি খাবলৈ মন প্ৰাণে[illegible] এই অঞ্চলবোৰত বসতি লবলৈ আহে। সেই সময়ত প্ৰাগ স্বাধীনতা কালত ভাৰতবৰ্ষ বৃটিচৰ শাসনৰ অধিনত থকাৰ কাৰণে অসমৰ এই চাম মুছলমান সকলৰ ৰাজনৈতিক চেতনা, শিক্ষাগত বুদ্ধিমৰ্ত্তা, অৰ্থনৈতিক সচ্ছলতা নথকাত তেওঁলোকৰ দৃষ্টিত দেশৰ সাধাৰণ নাগৰিকৰ শাৰীত পদ মৰ্য্যাদা পাইছিল।

১৯২০ চনৰে পৰাই অসমৰ এই মানুহখি[illegible] যত যত বসতি লৈছিল তেওঁলোকে নামাজৰ বাবে মচজিদ আৰু লিখা পঢ়াৰ কাৰণে মোক্তব আ[illegible] নিৰ্ম্মাণ কৰি ল'ৰা ছোৱালী আনকি বয়সীয়াল মানুহ বোৰেও, মোক্তৱত ধৰ্ম্মীয় আৰু শিক্ষাগত গুণ চৰ্চ্চা কৰিছিল। শিশু শিক্ষা, বাল্য শিক্ষা, আদি পুথি পঢ়ি তেওঁলোকে বিদ্যা অৰ্জ্জন কৰিছিল। এনেকুৱা এক জটিল সমস্যাৰ মাজেদি অসমৰ এই এলেকা সমূহত পিছত বৃটিচ সকলৰ দৃষ্টি পৰাত কিছুমান ঠাইত এল,পি, আৰু এম, ভি, স্কুল প্ৰতিষ্ঠা কৰিবলৈ ধৰে। এনেকুৱা শিক্ষাৰ আভাস নোপোৱা মানুহবোৰ নিৰক্ষৰ হৈ কেৱল খেতি কৰি খোৱা আৰু পৰিয়াল সীমিত কৰাৰ কোনো ব্যৱস্থা নথকাত চিকিৎসালয় আদিৰ কোনো সুবিধা জন সাধাৰণৰ মাজত নথকাত আৰ্থিক ভাৱে দিনকদিনে শোচনীয় হব ধৰিছে। প্ৰায়বোৰ গাওঁলৈ ৩০/৪০ বছৰীয়া চিত্ৰ বিচিত্ৰ চালে, অমুক ধনী দেৱানীৰ ঘৰ বাড়ী আদিৰ কোনো চিন চাব নোহোৱা আমাৰ অন্তৰত সোৱৰাই দিয়ে যে সেই মাতাব্বৰ ঘৰত আজি আৰু কোনো চাল বেৰ একো নাই। তেওঁলোকৰ ল'ৰা-ছোৱালী এতিয়া মানুহৰ ঘৰত কাম বন কৰি খায়। ইয়াৰ মূল কাৰণ হ'ল দেৱানীৰ প্ৰভাৱত দেৱানীৰ ল'ৰাই শিক্ষা নোলোৱাই ভৱিষ্যত বংশধৰ সকলৰ আৰ্থিক বিপৰ্য্যয় আৰু সংকটপূৰ্ণ পৰ্য্যায় পোৱাৰ কাৰণ। 'খেতিবাতি' মাটিৰ উপৰি ভাগতে কৰা হয়। কিন্তু দিনক দিনে মানুহৰ পৰিয়াল বৃদ্ধি পাবলৈ ধৰে। কিয়নো বাল্য বিবাহ আৰু বহু বিবাহ প্ৰথাই অশিক্ষিত সমাজৰ বুকুত এক নৈৰাজ্যৰ সৃষ্টি হোৱা দেখা যায়। উক্ত প্ৰসঙ্গত প্ৰয়াত ৰাষ্ট্ৰপতি জনাব বেৰিষ্টাৰ ফকৰুদ্দিন আলী আহমেদ চাহাবে এবাৰ বালাগাওঁত এখন বিৰাট জনসভাত কৈছিল— "মাটিতো ৰবৰ নাছে, ই দীঘল হব"। কিন্তু মানুহ দিনক দিনে বাঢ়িছে আৰু নিৰক্ষৰ হৈ সমাজত বসবাস কৰিলে সমাজ এখন উন্নতিৰ বাটত অশোভনীয় দেশলৈ লৈ যায়। গতিকে মানুহৰ নিৰক্ষৰতা পৰিয়ালত জনসংখ্যা তীব্ৰতাৰে বাঢ়ি যোৱাৰ কাৰণে এই মানুহখিনিৰ অৰ্থনৈতিক অসচ্ছলতাৰ কাৰণ হৈ পৰিছে।

খেতিবাতি কৰি খোৱা শতকৰা ৯০ ভাগ মানুহখিনি জীৱিকা নিৰ্ব্বাহ কৰে তেওঁলোকৰ আত্মপ্ৰচেষ্টাৰ ফলত। ইয়াত চৰকাৰী কোনো বৈজ্ঞানিক পদ্ধতিত খেতিবাতিৰ দিহা নথকাৰ প্ৰৱণতা বেছি। গাওঁলীয়া পৰিবেশ, খেতিবাতিৰ আচনি খুব কমকৈ ব্যৱহাৰিত হোৱাৰ বাবে গতানুগতিক পদ্ধতিৰে উৎপাদন হ্ৰাস কৰি এনেকুৱা সমাজৰ আৰ্থিক বিপৰ্য্যয় হৈছে। বান-পানীয়ে অসমৰ সকলো ব্যক্তিকেই ছুই গলেও, বেঁকী ব্ৰহ্মপুত্ৰ, আই, মানাহ, পহুমাৰা আদি নৈ সমূহে এই খেতি কৰি খোৱা মানুহখিনিৰ খেতিবাতিৰ প্ৰধান শস্য সমূহ প্ৰতি বছৰেই নষ্ট কৰি ভীখাৰিত পৰিণত কৰে। বাৰিষাত মুছলমান অধ্যুষিত অঞ্চল সমূহ পানীয়ে সীমাহীন ক্ষতি কৰি আৰ্থিক সংকটৰ সৃষ্টি কৰে। যাৰ ফলত অসমত মুছলমান সকলৰ দৈনন্দিন জীৱন ব্যৱস্থা বৰ দুঃখ লগা।

ফল, মূল, মৰাপাট, হাঁহ, কুকুৰা মাছ, গৰু,

শস্য সমূহৰ উপযুক্ত মূল্য নোপোৱাৰ বাবে খেতিয়ক সকলৰ আৰ্থিক অৱস্থা শোচনীয়। কিয়নো তেওঁলোকে উৎপাদন কৰা বয়বস্তু সমূহৰ বিক্ৰীৰ বাবে উপযুক্ত দাম নেপায়।

চৰ চাপৰিত বসবাস কৰা অসমৰ মুছলমান সকল অসমৰ অৰ্থনৈতিক প্ৰগতিৰ বাট মুকলি কৰিছে যদিও সময়ে তেওঁলোকৰ নিজৰে আৰ্থিক অৱস্থা জুৰুলা কৰাত এক কণ্টক হৈ পৰিছে। কিয়নো পৰিকল্পিত ভাৱে যি ধৰণে খেতিবাতিত নিজকে ব্ৰতী কৰে প্ৰকৃতিক দুৰ্যোগৰ বাবে শেষলৈ ভীখাৰি অৱস্থা হয়গৈ।

প্ৰকৃত অৰ্থত গাওঁৰ ল'ৰা শিক্ষিত হোৱা সমাজৰ বাবে এক সপোনৰহে কথা আছিল। যাৰ ফলত আজিও অসমৰ চৰ চাপৰিত শিক্ষাৰ হাৰ নিচেই তাকৰ। অশিক্ষিত সমাজত আৰ্থিক প্ৰগতিৰ চিন্তা মন্থৰ হৈ পৰা দৰে অসমৰ মুছলমান সকলৰ আৰ্থিক দুৰৱস্থাই ভুমুকি মাৰিছে। শিক্ষিত চামৰ মাজত নকৈ দেখা দিয়া নিবনুৱা সমস্যাই আৰ্থিক বিপৰ্য্যয়ৰ দুৱাৰ মুখত ৰ লাগি চাই আছে।

অসমত প্ৰধানকৈ দুটা কালৰ প্ৰভাৱ আধিক্য দেখা যায়। বৰ্ষাকাল আৰু ফৰকাল। এই দুটা কালৰ প্ৰভাৱে অসমৰ অৰ্থনৈতিক আভাসে চুই যায়। বাৰিষাকাল ডোখৰত অসমৰ মুছলমান অধ্যুষিত এলেকা নদ-নদীৰ প্ৰৱল হেচনিত খেতিবাতিৰ মূল উৎস সমূহ নাইকিয়া কৰে। ব্ৰহ্মপুত্ৰৰ আশে পাশে ৩০ কিলোমিটাৰ বহলে আৰু বেদী মানাহ আই ইত্যাদি প্ৰধান নৈ সমূহে প্ৰায় প্ৰতি বছৰে ৪/৫ মাহ কাল তেওঁলোকৰ ঘৰ, বাৰী খেতি বাতি গৰু, ছাগলী, হাঁহ-কুকুৰা আদি নাইকিয়া কৰি থৈ যায়। প্ৰকৃতিৰ দ্বাৰা এই ক্ষতি যেন এই মানুহখিনিৰ প্ৰতি বছৰৰ প্ৰতীক্ষা। নদীৰ গৰাখহনীয়াত লাখ লাখ মানুহ সঘনে ঘৰ দুৱাৰ সলনি কৰা পৰম্পৰা কাৰ্য্য এই চাম মানুহ প্ৰতি বছৰৰ প্ৰতিচ্ছবি উজ্জল। নদী নিয়ন্ত্ৰণ কাৰ্য্য এওঁলোকে বসতি কৰা অঞ্চলত কোনো দিনো চকুত নপৰে। আনহাতে খৰাং কালত জলসিঞ্চন আচনি নথকাত এই চাম মানুহে কৰা ৰবিশস্যৰ মাধ্যমত কৰা খেতিবাতি বেলিৰ প্ৰজ্জোলিত জুই পুৰি ছাৰখাৰ কৰি থৈ যায়। মূলতে দুয়োটা কালতে প্ৰকৃতিৰ দ্বাৰা ক্ষতি হোৱা যাৰ ওপৰত এই মানুহখিনিয়ে জীৱিকা কৰি খায় তেওঁলোকে কোনো চৰকাৰী সা-সুবিধা নোপোৱাৰ কাৰণে মূলতে এই মানুহখিনি গৰীব হৈ থাকে। আনহাতে এই মানুহখিনি তেওঁলোকে ঘৰ বাড়ীৰ পৰা মাটিৰ উৎপাদন শক্তি ক্ষীণ আৰু সাৰুৱাহীন হোৱাৰ বাবে তাৰ পৰা কোনো ধৰণৰ আয় কামনা কৰিব নোৱাৰে। এইদৰে শতকৰা ৯০ জন মানুহ গাওঁৰ চৰ-চাপৰিত থকা খেতিয়ক। এই চাম মানুহৰ জীৱন ব্যৱস্থা এক সঙ্কটপূৰ্ণ অবস্থাত গতি কৰি গৈ আছে। এনেকুৱা সংগ্ৰাম মুখী ব্যৱস্থাই কোনো তৰফৰ পৰা সহযোগিতাৰ যোগসূত্ৰ নথকাত আৰ্থিক সঙ্কট দিনক দিনে বাঢ়ি গৈ আছে।





ভাৰতবৰ্ষত মহাত্মা গান্ধীজীৰ নীতি অনুযায়ী গাওঁ উন্নতিৰ আচনি কুটীৰ শিল্প ব্যৱস্থা, বৰ্ত্তমান বৃহৎ বৃহৎ পুঁজিপতিৰ দ্বাৰা টাটা বিৰেলা গোযেন্দা আদিৰ ন্যায় অনুষ্ঠান গঢ়ি উঠাত ঘৰুৱা কুটিৰ শিল্পৰ দ্বাৰা উৎপাদন হোৱা বয়বস্তুৰ মূল্য নাইকীয়া হৈছে আৰু গাওঁত তেনেকুৱা কুটিৰ শিল্প প্ৰতিষ্ঠিত কৰাত গাওঁৰ মানুহৰ বাবে প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে আৰ্থিক ভাৱে যুৱক-যুৱতিৰ মাজত সঙ্কটে আশ্ৰয় লৈছে। অৰ্থ্যাৎ বৃহৎ উদ্যোগৰ মাজত তুলনামূলক উৎপাদন হোৱা আৰু বিদেশী বয়বস্তু আমদানি হোৱাত অসমৰ কুটিৰ শিল্পৰ ব্যৱস্থাক পঙ্গু কৰিছে। অসমবাসী ৰাইজৰ মাজত আৰ্থিক পদোন্নতিৰ হেঙাৰ হৈ পৰিছে যাৰ ফলত এইচাম মানুহৰ দাৰিদ্ৰতাই তেওঁলোকক আকোৱালি লৈছে।

কালৰ অগ্ৰগতিৰ লগে লগে সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰ বিকাশ কৰা দূৰৰ কথা ভাৰতবৰ্ষৰ বিশেষকৈ পূৰ্ব্বাঞ্চলৰ অসমত বসবাস কৰা মুছলমান সকল এক অনিশ্চয়তাৰ ভৱিষ্যতৰ ফালে আগবাঢ়ি গৈ আছে। হিন্দু-মুছলমান বৌদ্ধ, খৃষ্টান, সকলোকে সাঙুৰি লৈ এক সমৃদ্ধিশালী অখণ্ড ভাৰত গঢ়াৰ সপোন আজি নতুন প্ৰজন্মৰ ভাৰতীয় সকলৰ এক সাম্প্ৰদায়িক শক্তিৰ জৰিয়তে ধূলিস্যাৎ কৰিব ধৰিছে। ভয়াৰ্ত মানসিকতা আৰু ক্ৰমবৰ্দ্ধমান অনিশ্চয়তাবোধে এওঁলোকৰ উন্নয়নমূলক আৰু বিকাশশীল সকলো কৰ্ত্তব্যৰ পৰা, দূৰলৈ ঠেলি হেছি ৰাখিব বিচাৰিছে। এনে ধৰণৰ সন্দেহ আৰু হুমকিৰ প্ৰৱনতাই এওঁলোকৰ মানসিকতা নমনীয় কৰি দিয়াৰ বাবে জগৰীয়া কোন? জাতি ধৰ্ম্ম নিৰ্বিশেষে সকলো নাগৰিকৰ কাৰণে এক সুস্থ স্বাধীন সুবিচাৰপূৰ্ণ আৰু কল্যাণমুখী সমাজ গঢ়াত ব্ৰতী হোৱা সঁচাকৈ আমাৰ দেশৰ আজি সৰ্ব্বাধিক প্ৰয়োজন।

ভাৰতবৰ্ষৰ লগতে অসমত প্ৰতিষ্ঠিত চৰকাৰে পুলিচ, সেনাবাহিনী, গোযেন্দা সকলো তৎপৰতাৰে কোটি কোটি টকা ব্যয় কৰিব লাগিছে। স্বাধীনতাৰ পিছৰ পৰাই অসমত বাস কৰা ভাটি দেশৰ পৰা অহা ভাৰতীয় নাগৰিক হৈয়ো মুছলমান মানুহখিনিক মানসিক ভাবে ৪০ বছৰেই বৃহত্তৰ অসমীয়া সমাজে আপোনভাৱে অসমৰ আদিম বাসিন্দা বুলি গ্ৰহণ কৰিবলৈ টান পাই আছে। অনুপ্ৰৱেশৰ নামত এই মানুহখিনিক বাৰে বাৰে বিদেশী বুলি আখ্যা দি কুৰিছে। এসময়ৰ মুছলিম বিদ্বেষী মন্ত্ৰী শ্ৰী দুলাল চন্দ্ৰ বৰুৱা অসমত বিদেশী খেদাৰ নামত আন্দোলনকাৰী অসম ছাত্ৰ সন্থা আৰু এ, জি, পি, চৰকাৰৰ মূখ্য মন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ৮৫ লাখ অনুপ্ৰৱেশকাৰী অসমত আৰ্থিক বিপৰ্য্যয় ঘটাবলৈ থকা বুলি তেওঁ কিতাপত অসমীয়া বুদ্ধিজীৱি

সকলৰ মাজত উচটনিত পতিয়ন গৈ ভ্ৰাতৃত্বভাৱ বিনষ্ট কৰিছে। ১৯৭৩ চনত মাননীয় শ্ৰীযুত শৰৎ চন্দ্ৰ সিংহৰ নেতৃত্বত "নতুন মন্ত্ৰীসভা" আখ্যা দিয়া চৰকাৰী নীতিক সমালোচনা কৰি শ্ৰীনিবাৰন বৰাই থলুৱা সকলক মাটিৰ পট্টন দিয়াতকৈ বিদেশী সকলক মাটিৰ পট্টন দিয়া অধিক বুলি উচটনিৰ জৰিয়তে সাম্প্ৰদায়িকতাৰ বীজ তেতিয়াৰ পৰা সিচিবলৈ লৈছিল। আদমশুমাৰী কৰিলে ভাটিদেশৰ পৰা তেওঁলোকে উল্লেখ কৰা ৮৫ লাখ মানুহ অসমলৈ অহাই নাই। তেন্তে ই কিহৰ চক্ৰান্ত। অনুপ্ৰৱেশ যদি হৈছে তেন্তে এওঁলোকে সেনাবাহিনী হৈ কি কৰিছে? ঘাঁহ কটা, ভেৰাৰখীয়াৰ দৰে এওঁলোকক ৰখা হৈছে, ইতো নিশ্চয় তেনে কাৰ্য্য নহয়। সামান্য অনুপ্ৰৱেশ কাৰ্য্যক বোধ কৰিব নোৱাৰা শক্তিহীন ভাৰতীয় সেনা নৌবাহিনীৰ অযোগ্যতাৰ কথা অনুপ্ৰৱেশকাৰী সকলৰ হাতত ধৰা পৰিল নে? এওঁলোকৰ অযোগ্যতাৰ কথা কৰ্ণপাত হলে পৃথিৱীৰ শক্তিশালী ৰাষ্ট্ৰ সমূহৰ হাঁহিয়াতৰ পাত্ৰ নহবনে? আনহাতে বাংলাদেশী অনুপ্ৰবেশকাৰী মানেই ইয়াকে ইঙ্গিত দিয়ে যে অনুপ্ৰবেশ কাৰী মানেই মুছলিম? কিন্তু অনুপ্ৰবেশকাৰী সকলৰ ৯৯.\% ভাগেই হৈছে বাংলাদেশী হিন্দু। এওঁলোকে আনন্দ বিহাৰ কৰিবৰ প্ৰয়াসেৰে আত্মীয় স্বজন আৰু বন্ধু বান্ধৱৰ লগত দেখা সাক্ষাৎৰ বাবে বাংলাদেশৰ পৰা পশ্চিম বঙ্গত ফুৰিবলৈ আহিব পাৰে। অভিসন্ধিমূলক ভাৱে ১৯০০ চনৰ পৰাই অসমত বাসস্থান লোৱা মুছলমান সকলৰ উন্নতিৰ থৈলাত নিগনিয়ে বাঁহ সাজি কুট কুট কৰি কাটি আৰ্থিক সঙ্কটৰ দুৱাৰত প্ৰবেশ কৰাব ধৰিছে।

অসমৰ মুছলমান সকল খেতিবাতি কৰি খোৱা সহজ সৰল মনলৈ ৰাজনৈতিক উদ্দেশ্য লাভৰ বাবে কেতিয়াওঁ আন্দোলন কৰিব বিচৰা চৰিত্ৰ পৰিলক্ষিত নহয়। ৰাজনীতিত চেতনাবোধ গম্য শক্তিৰ অভাৱৰ উপৰিওঁ এওঁলোকৰ উন্নতিৰ বাবে কোনো নিৰ্দ্ধাৰিত আচনিও গ্ৰহণ কৰা নাই। ভবিষ্যত এই ৪৬ লাখ মানুহখিনিৰ সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক দুৰ্দ্দশাৰ পৰা হাত সাৰিবলৈ কি পন্থা লব সেই বিষয়েওঁ সচেতন নহয়। আজি অসমত, বড়ো, কছাৰী, ৰাজবংশী, কাৰ্বি, খাছীয়া আৰু অসমীয়া সকলে নিজৰ নিজৰ অস্তিত্ব ভবিষ্যতলৈ অটুট ৰখাৰ বাবে নানা ধৰণৰ আন্দোলনক সমৰ্থন কৰে। যি সময়ত অসমত মুছলমান মানুহখিনি খোৱা আৰু শোৱা এলেহুৱাৰ জাত হৈ পৰিছে।

চৰকাৰী অনুষ্ঠান যেনে মহকুমাৰ সদৰ ঠাই, ছেমিটাউন, অফিচ, আদালত ইত্যাদি পৰিকল্পিত ভাৱে সংখ্যালঘু অধ্যুষিত মুছলিম এলেকাত প্ৰতিষ্ঠিত নকৰাৰ অন্তৰালত এওঁলোকক আৰ্থিক ভাৱে দুৰ্ব্বল কৰি ৰখাৰ ষড়যন্ত্ৰ মাথোন। যাৰ ফলত বেহা বেপাৰ বাণিজ্যিক লাভালাভৰ কোনো আচনি হাতত লব নোৱাৰে। চৰকাৰী অনুদান আনুপাতিক ভাৱে প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে। ঠিকা, লাইচেন্স, পাৰমিট, চাকৰী বাকৰি আদি জন সংখ্যাৰ ভিত্তিত প্ৰাপ্য অধিকাৰ ঠেৰেঙা কৰি বৈষম্যমূলক আচনিৰ জৰিয়তে এক অৰ্থনৈতিক বিপৰ্য্যয়ৰ সৃষ্টি কৰি ক্ৰমাগত ভাৱে লাহে লাহে ভৱিষ্যতলৈ দাৰিদ্ৰতাৰ ৰাজ্যলৈ ঠেলি দিব ধৰিছে। যাৰ ফলত ৫০ বছৰ আগৰ এটা সচ্চল পৰিয়ালে ৫০ বছৰ পিছত বাটৰ ভিখাৰী সদৃশ খুজি মাগি খাব লগা হৈছে।

অসমৰ মুছলমান সকল ৰাজনৈতিক ভাৱে কোনো এটা ৰাজনৈতিক দলৰ অন্তভুক্ত নহয়। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে ব্যক্তিগত অৱস্থা টনকিয়াল কৰাৰ মানসেৰে ঐক্যবদ্ধভাৱে এটা ৰাজনৈতিক দলৰ ছত্ৰছায়াত নিজকে প্ৰতিষ্ঠিত কৰাত ব্যৰ্থ হৈ ক্ষুদ্ৰ স্বাৰ্থ পূৰাবৰ বাবে আচনিহীন কিছুমান অবাস্তৱ যুক্তিৰ জৰিয়তে প্ৰতিজন ব্যক্তিয়ে প্ৰতিজনৰ পৰা পৃথক হৈ আছে। ফলত বৃহত্তৰ জাতি গঠনৰ নামত আন্দোলনকাৰী সকলে কম সংখ্যক হৈয়ো লক্ষ লক্ষ মানুহক ঠগি তেওঁলোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

এনে অনৈক্যতাই অসমৰ মুছলমান খিনি আৰ্থিক স্বাৱলম্বী হোৱাত এক অবাস্তৱ সপোনত পৰিণত হৈছে।

ভাৰতবৰ্ষৰ স্বাধীনতা প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত হিন্দু-মুছলমানৰ ঐক্যৰ বুৰঞ্জী বৰ্ত্তমান চৰকাৰী ভাৱে লোপ পোৱাৰ কাৰণে স্বাধীনতাৰ পিছৰ যুগত বিভিন্ন জাতি উপজাতি নিজ নিজ সম্প্ৰদায়ৰ সাম্প্ৰদায়িকতাৰ বীজ গা কৰি শক্তিশালী হৈ উঠিব ধৰিছে। আন্তৰাষ্ট্ৰৰ ভিতৰত ভ্ৰাতৃত্বভাৱ বোধ ক্ৰমাগত ভাৱে হ্ৰাস হোৱাৰ উপক্ৰম হোৱাত আৰু পৰিকল্পিত ভাৱে কোনো এটা সময়ত মুছলিম সম্প্ৰদায়ৰ লোক অৰ্থাভাৱত বাটে ঘাটে সকলোৰে চকুৰ আগত লজ্জিত হৈ মৰিব এনে ষড়যন্ত্ৰমূলক আচনিয়ে এই সম্প্ৰদায়ৰ লোক সকলৰ আৰ্থিক উন্নতিৰ পথ ৰুদ্ধ কৰি ৰাখিছে। ফলত লাহে লাহে দাৰিদ্ৰতাই এওঁলোকক আকোৱালি লৈছে।

কৰি বৈষম্যমূলক আচনিৰ জৰিয়তে এক অৰ্থনৈতিক বিপৰ্য্যয়ৰ সৃষ্টি কৰি ক্ৰমাগত ভাৱে লাহে লাহে ভৱিষ্যতলৈ দাৰিদ্ৰতাৰ ৰাজ্যলৈ ঠেলি দিব ধৰিছে। যাৰ ফলত ৫০ বছৰ আগৰ এটা সচচল পৰিয়ালে ৫০ বছৰ পিছত বাটৰ ভিখাৰী সদৃশ খুজি মাগি খাব লগা হৈছে।

অসমৰ মুছলমান সকল ৰাজনৈতিক ভাৱে কোনো এটা ৰাজনৈতিক দলৰ অন্তভুক্ত নহয়। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে ব্যক্তিগত অৱস্থা টনকিয়াল কৰাৰ মানসেৰে ঐক্যবদ্ধভাৱে এটা ৰাজনৈতিক দলৰ ছত্ৰছায়াত নিজকে প্ৰতিষ্ঠিত কৰাত ব্যৰ্থ হৈ ক্ষুদ্ৰ স্বাৰ্থ পূৰাবৰ বাবে আচনিহীন কিছুমান অবাস্তৱ যুক্তিৰ জৰিয়তে প্ৰতিজন ব্যক্তিয়ে প্ৰতিজনৰ পৰা পৃথক হৈ আছে। ফলত বৃহত্তৰ জাতি গঠনৰ নামত আন্দোলনকাৰী সকলে কম সংখ্যক হৈয়ো লক্ষ লক্ষ মানুহক ঠগি তেওঁলোকৰ প্ৰপৰক্ত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

এনে অনৈক্যতাই অসমৰ মুছলমান খিনি আৰ্থিক স্বাৱলম্বী হোৱাত এক অবাস্তৱ সপোনত পৰিণত হৈছে।

ভাৰতবৰ্ষৰ স্বাধীনতা প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত হিন্দু-মুছলমানৰ ঐক্যৰ বুৰঞ্জী বৰ্ত্তমান চৰকাৰী ভাৱে লোপ পোৱাৰ কাৰণে স্বাধীনতাৰ পিছৰ যুগত বিভিন্ন জাতি উপজাতি নিজ নিজ সম্প্ৰদায়ৰ সাম্প্ৰদায়িকতাৰ বীজ গা কৰি শক্তিশালী হৈ উঠিব ধৰিছে। আন্তৰাষ্ট্ৰৰ ভিতৰত ভ্ৰাতৃত্বভাৱ বোধ ক্ৰমাগত ভাৱে হ্ৰাস হোৱাৰ উপক্ৰম হোৱাত আৰু পৰিকল্পিত ভাৱে কোনো এটা সময়ত মুছলিম সম্প্ৰদায়ৰ লোক অৰ্থাভাৱত বাটে ঘাটে সকলোৰে চকুৰ আগত লজ্জিত হৈ মৰিব এনে ষড়যন্ত্ৰমূলক আচনিয়ে এই সম্প্ৰদায়ৰ লোক সকলৰ আৰ্থিক উন্নতিৰ পথ ৰুদ্ধ কৰি ৰাখিছে। ফলত লাহে লাহে দাৰিদ্ৰতাই এওঁলোকক আকোৱালি লৈছে।



# আৰবী ভাষাৰ আন্তৰ্জাতিক মৰ্য্যাদা।

গোঃ ছোলেমান খান
আৰবী বিভাগীয় মুৰব্বী
নৰজ্যোতি মহাবিদ্যালয় কলগাছি

মধ্যযুগত আৰবী ভাষা সমগ্ৰ বিশ্বৰ, অন্যতম ভাষা হিচাপে স্বীকৃতি পাইছিল। বৰ্ত্তমান যুগত ইংৰাজী ভাষাই গোটেই বিশ্বত আন্তৰ্জাতিক মৰ্য্যাদা লাভ কৰাৰ দৰে আৰবী ভাষাই মধ্যযুগত আন্তৰ্জাতিক মৰ্য্যাদা লাভ কৰিছিল।

এচিয়া, আফ্ৰিকা, ইউৰোপ আৰু ভূমধ্য সাগৰীয় দেশবিলাকৰ সকলো জাতিয়েই ইয়াক লিখন আৰু পঠনৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। সেই যুগত ৰাজনীতি, সংস্কৃতি, সাহিত্য, ইতিহাস, জীৱনী, ভূগোল, চিকিৎসা, অৰ্থনীতি, দৰ্শন, উদ্ভিদ বিদ্যা, অঙ্কশাস্ত্ৰ, জ্যোতিৰ্বিদ্যা, সংগীত, ৰসায়ন শাস্ত্ৰ, Physics, ধৰ্ম্মশাস্ত্ৰ আদি বিভিন্ন বিজ্ঞান শাস্ত্ৰৰ প্ৰধান ভাষা আছিল আৰবী ভাষা। বৰ্ত্তমান যুগৰ মানব সভ্যতা আৰু বৈজ্ঞানিক উন্নতিৰ মূল ভিত্তি সম্প্ৰসাৰিত হৈছে মধ্যযুগৰ আৰবী ভাষাৰ প্ৰভাৱত। The foundation of modern civilization and its scientific advance rests to a considerable extent on the literature of Arabic language. K. Ali. History of Arabic literature. P-27. মধ্যযুগত হিন্দু নদীৰ পৰা আটলাণ্টিক মহাসাগৰলৈ এই ব্যাপক অঞ্চলত যিকোনো জাতীয় মুছলমানে এই ভাষাত কথা কৈছিল আৰু লিখনৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। এই ভাষা কোৰ্ট আ চাৰ্চৰ ভাষা আছিল, আইন ( law ) আ বেহা-বেপাৰৰ ভাষা আছিল, সাহিত্য আ বিজ্ঞানৰ ভাষা আছিল আৰবী। Durin the middle ages it (Arabic) was sp ken and wri ten by all civi ized M s ers of whatever nationality th might be, from the Indus to th Atlanti ; it was the language of th court and the church, of Law an commerce, of Diplomacy and lit rature and science R.A. Nicholso A liturarcy history of the Arabic Introduction XXIV: মধ্যযুগৰ বহু শত ব্দীলৈকে আৰবী ভাষা, শিক্ষা, সংস্কৃতি উ চিন্তাধাৰাৰ ভাষা হিচাপে সুসভ্য পৃথিৱী স্বীকৃতি পাইছিল। আজিকালিও পশ্চি বিভিন্ন ভাষাই আৰবী ভাষাৰ পৰা ধাৰ ক শব্দ ভাণ্ডাৰৰ দ্বাৰাই নিজ নিজ প্ৰভাৱ বিস্ কৰি আছে। লেটিন ভাষাৰ পিছতেই ভাষাৰ বৰ্ণমালা বিশ্বৰ বহুতো দেশত ব্যা ভাৱে ব্যৱহৃত হৈ আছে। এইটো এনে ভাষা যি ভাষাৰ বৰ্ণমালা আৰু বিভিন্ন পাৰ্চী, আফগানী, উৰ্দ্দু আৰু তুৰ্কী ভাষা





ব্যৱহৃত হোৱা দেখা যায়। For many Centuries in the Middile Ages it was the language of learning and Culture and progressive thought throughout the Civilized world. The languages of western Europe still bear the imprss of its influence in the form of numerous loan words. Its alphabet, next to Latin, is the most widely used System in the world. It is one employed by Persian, Afghan, Urdu and a number of Turkish Berber and Malayan languags. P. K. Hitti. History of the Arabs: P—4, মধ্যযুগৰ হিজৰী দ্বিতীয় শতাব্দীৰ প্ৰথম ভাগৰ আৰম্ভনীৰ পৰা হিজৰী দশম শতাব্দীলৈকে এই সুদীৰ্ঘ কালছোৱাত আৰবী ভাষাত বহু কিতাপ প্ৰনয়ণ কৰা হৈছিল। এই বিলাকৰ অধিকাংশ গ্ৰন্থই ধ্বংসপ্ৰাপ্ত হৈছিল মধ্য এচিয়াৰ চেংগিছ খাঁ আৰু তৈমুৰ লংৰ আক্ৰমণৰ ফলত। বিভিন্ন অগ্নিকাণ্ড, সামুদ্ৰিক জাহাজৰ নিমজ্জতা, কাগজৰ অভাব আৰু সংৰক্ষনৰ অভাব আদি বহুতো কাৰণে মধ্যযুগৰ অলেখ আৰবী গ্ৰন্থ নাইকীয়াহৈ যায়। এনে হোৱা স্বত্বেও যথেষ্ট পৰিমান মূল্যবান আৰবী গ্ৰন্থ আজি কালিও পোৱা যায়। খৃষ্টীয় চতুৰ্দশ, পঞ্চদশ আৰু ষষ্ঠদশ শতিকাত ইউৰোপীয় নৱজাগৰণৰ সময়ত বহু আৰবী কিতাপ লেটিন, জাৰ্ম্মানী, ডাচ, ফৰাচী আৰু ইংৰাজী ভাষালৈ অনুবাদ কৰা হয়। ধ্বংশ প্ৰাপ্তিৰ পিছত আৰবী ভাষাৰ অৱশিষ্ট কিতাপ সমূহ বিগত তুইশ বছৰৰ ভিতৰত ইউৰোপ, আফ্ৰিকা আৰু এচিয়া মহাদেশ বিলাকৰ শিক্ষাকেন্দ্ৰ বিলাকত পুনৰমুদ্ৰন কৰা হৈছে যদিও M S S ৰ সংগৃহীত এক বৃজন সংখ্যক সংগ্ৰহ এতিয়ালৈকে ভাৰতবৰ্ষ, ইৰান, মধ্য এচিয়া, ইৰাক, আৰব, ছিৰিয়া, তুৰস্ক, ইজিপ্ত, লিবিয়া, তিউনিছীয়া, মৰক্কো, আলজেৰিয়া, স্পেইন, ফ্ৰান্স, ইংল্যাণ্ড ইটালি, জাৰ্ম্মান আৰু ছোভিয়েত ৰাচিয়াৰ চৰকাৰী অথবা বেচৰকাৰী পাঠাগাৰ সমূহত প্ৰকাশনৰ অপেক্ষাত ৰৈ আছে।

আজি কালিও আৰবী ভাষাই এটা অতি গুৰুত্ব পূৰ্ণ ভূমিকা লৈ আছে। এচিয়া আৰু আফ্ৰিকা মহাদেশ বিলাকৰ লাখ লাখ মানুহে এই ভাষাত কথা বতৰা কয়। এই ভাষা অধ্যয়ন আৰু চৰ্চ্চা কৰা হয় বিশ্বৰ শ্ৰেষ্ঠতম সভ্যতা আৰু ধৰ্ম্মৰ মূল বাহক হিচাপে। আৰব, ইয়ামান, উমান, পাৰস্য উপসাগৰীয় অঞ্চল, আৰবৰ বিভিন্ন প্ৰদেশ আদি দেশবিলাকৰ কথা বাদ দিলেও এই ভাষা ইৰাক ছিৰিয়া লেবানন, জৰ্ডান, ইজিপ্ত, চুডানৰ অধিকাংশ অঞ্চল, জাজিৰৰ, জিবুতি, উত্তৰ চাহাৰা, লিবিয়া, তিউনিচীয়, আলজেৰিয়া, মৰক্কো, উত্তৰ মুৰতিনীয়া আদি দেশ সমূহত আৰবী ভাষা কোৱা হয়। কেই বছৰমান আগতে আৰবী ভাষা ৰাষ্ট্ৰ সংঘৰ দ্বাৰা স্বীকৃত প্ৰাপ্তহৈ পৃথিৱীৰ অন্যান্য স্বীকৃতি প্ৰাপ্ত ভাষা বিলাকৰ ভিতৰত ষষ্ঠম স্থান অধিকাৰ কৰিছে। ● বি, বি, সি, লণ্ডণ।

# Hamlets Procrostitinaon

A. S. Ahmed, Principal.

Critics all over the world have expressed different views on the delay of Hamlet the prince of Denmark for arrenging his father's death. Some critics say that Hamlet was of over brooding nature and so he could not carry out his plan. Again some critics go to the extent in saying that he was a coward. Now let us persue the factors which caused this delay.

Hamlet, a student of philosophy in a university in Germany was intelligent enough to understand things. A young man burdened with grief for his father's death. Hamlet saw at Elsinore that everything was altered. His uncle claudius became the king. His mother married his uncle within a month of the death of his father. He had grown up bitterness and hatred to the women in general and his mother in particular. Naturally he sensed a foul Play in the death of his father. This suspicion was intensified by the information of his father's ghost that the death of his father was not a natural one. That he wa assassinated by his uncle, claudiu who had usered the throne an the queen, his mother. The Gho further wanted Hamlet to aveng the death.

If Hamlet were not a man o reason he would take the attemp of killing his uncle then and the with result that he himself woul have got killed. But he was no so. He had to think it over an again. It was still then a convent ional belief that ghost's words sho ld not be rele d upon. That gho misleads the mortal beings.

